

# যোগ প্ৰাণায়ম এক মহৌষধি

শ্ৰীভূপেন কুমাৰ নাথ
যোগ শিক্ষক

পৃথিৱীৰ চিৰ সুন্দৰ দৃশ্যৰাজি প্ৰকৃতিৰ মনোৰম ৰংবোৰ সচাঁকৈয়ে অতি সুন্দৰ। এই চিৰ সুন্দৰ পৃথিৱীৰ সৃষ্টিকাৰী অদৃশ্য শক্তি প্ৰভু বা কিমান যে সুন্দৰ হ'ব তাক অনুমান কৰিব পৰা নাযায়। সঁচাকৈয়ে এই পৃথিৱী বৈচিত্ৰময় সৰ্বাংগ সুন্দৰ। তাতোকৈ জীৱ শ্ৰেষ্ঠ মানুহ জীৱন লাভ কৰি পৃথিৱীলৈ অহা মানুহ আটাইতকৈ সুন্দৰ। জগতৰ সুন্দৰতাক সুন্দৰকৈ উপভোগ কৰিবলৈ আপোনাৰ শৰীৰৰ ভিতৰত সুন্দৰতাৰ প্ৰয়োজন। গতিকে শৰীৰৰ ভিতৰত সুন্দৰতাৰ প্ৰয়োজন। গতিকে শৰীৰৰ ভিতৰ জগৎ খন ঠিকেই ৰখাৰ উত্তম মাধ্যম হৈছে যোগাসন আৰু ব্যায়াম বা প্ৰাণায়াম।

সত্যযুগত অতি প্ৰাচীন কালৰ পৰাই ভাৰত দেশৰ ঋষি সকলে পৰ্বতৰ গুহাত একান্ত পৰিৱেশত যোগ সাধনা কৰিছিল। এই যোগ সাধনা কৰি অসাধ্য সাধন কৰিব পাৰিছিল। একালত এই যোগ বলত বলবান হৈ মহাযোগী প্ৰভু ভক্ত হনুমানে বায়ুত উৰিব পাৰিছিল। দেৱ ঋষি নাৰদ আৰু বহুত। উশাহ দীঘলকৈ লোৱা অৰ্থাৎ কুম্ভক কৰি যোগ সাধক সকলে মাটিৰ পৰা শূন্যলৈ উঠি যায়। ব্ৰহ্মা শক্তিক ব্ৰহ্মা অস্ত্ৰ বনাই ৰাৱণক বধ কৰা প্ৰমাণ আছে। প্ৰভু শ্ৰীৰাম চন্দ্ৰই মহা প্ৰতাপী বলবান ৰাৱণ বধ কৰিব পাৰিছিল।

আমাৰ হৃদয়ত ব্ৰহ্মা শক্তিৰ একোটা সৰু সৰু কুণ্ড থাকে। মাত্ৰ আৰাধনাৰ প্ৰয়োজন যেনে আৰাধনা কৰা হয়, তেনে ভাৱেই বৰ্হিপ্ৰকাৰ হয়। প্ৰাচীন কালত মানুহে প্ৰয়োজনীয় সকলো কাম নিজৰ শক্তিৰ দ্বাৰাই কৰিছিল । তাৰ ফলত শৰীৰ, মনত বিকাশ হোৱাত সহায়ক আছিল। এতিয়া যান্ত্ৰিক যুগত মেশ্বিনৰ দ্বাৰা প্ৰয়োজনীয় কামবোৰ কৰিবলৈ লোৱাত মানুহৰ দেহ মন দুৰ্বল হোৱাৰ লগে লগে ৰোগীয়া হ'বলৈ লৈছে। ফলত অকালতেই মৃত্যু হ'বলৈ ধৰিছে। এই অকাল মৃত্যুক ৰুধিবলৈ ঔষধৰ পৰাও অসম্ভৱ গতিকে এই অকাল মৃত্যুক ৰুধিবলৈ পুৰা যোগ প্ৰাণায়াম তথা ব্যায়ামৰ অতি প্ৰয়োজন। যদিহে নিয়মীয়া যোগ অভ্যাস কৰো তেন্তে নিৰোগী শৰীৰ পাব পাৰিব।

মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আপ্ৰাণ

চেষ্টাৰ বলত প্ৰতি বছৰৰ ২১ জুন তাৰিখটি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰিবলৈ লৈছে। তাৰ বাবে সেই দিনটো সমগ্ৰ ভাৰতৰ বাবে গৌৰৱৰ বিষয়। TV ৰ জৰিয়তে যোগৰ বিষয়ত স্বামী ৰামদেৱজীয়ে বিশ্বৰ সকলো দেশত যোগ শিক্ষা দি তেওঁৰ নামৰ লগতে দেশৰ নামো বিশ্ব বাসীক চমক দেখুৱাইছিল।

যোগ কাক কোৱা হয় ঃ পুৱা খালী পেটত যোগ প্ৰাণায়াম বা ব্যায়াম কৰিব। শৌচ কৰা হ'ব লাগে লগতে গা ধুই যোগ প্ৰাণায়ামত বহিব। শৰীৰ, মন আৰু আত্মাৰ মিলন ঘটোৱা প্ৰক্ৰিয়াই যোগ। বা ঈশ্বৰৰ লগত নিজৰ মন, আত্মাক সংযোগ ঘটোৱা প্ৰক্ৰিয়াক যোগ কোৱা হয়।

প্ৰাণায়াম কাক কোৱা হয় ঃ প্ৰাণ + আয়াম= প্ৰাণায়াম। প্ৰাণ মানে জীৱ আৰু আয়াম মানে বহল ভাৱে বিস্তাৰ কৰা পদ্ধতি। পুৱা মুকলি আকাশৰ তলত ৰঙা সূৰ্যৰ ৰশ্মি পৰা ঠাইত সূৰ্য নমস্কাৰ প্ৰাণায়াম কৰিব। নদীৰ পাৰ বা পুখুৰীৰ পাৰ হ'লে বেছি ভাল। যদি ঘৰৰ কোঠাৰ ভিতৰত কৰে তেন্তে খিৰিকী দৰ্জা খোলা ৰাখিব। বতাহ লগত প্ৰয়োজনীয় অক্সিজেন যাতে কোঠাত প্ৰৱেশ কৰিব পাৰে। উপযুক্ত যোগ শিক্ষকৰ দ্বাৰা কৰিব।

প্ৰাণায়াম কৰিবলৈ যোৱাৰ আগত ব্যায়াম বা সূৰ্য্য নমস্কাৰ নাইবা দৌৰি আহিব পাৰিলে ভাল হয়। জকিং কৰিব পাৰে শৰীৰটো গৰম কৰি পিছতহে প্ৰাণায়াম কৰিব। প্ৰাণায়াম ঃ ১) ভ্ৰস্তিকা প্ৰাঃ, ২) কপালভাটি , ৩) উজ্জায়ৰ প্ৰাঃ, ৪) উদগ্ৰীৱ প্ৰাঃ ৫) অগ্নিশ্বাৰ ক্ৰিয়া প্ৰাঃ, ৬) নৌ প্ৰদৰ্শন, ৭) অনুলোম বিনুলোম, ৮) ভ্ৰামৰণ, ৯) ধ্যান।

খাদ্য ঃ যোগৰ লাভ পাবলৈ নিৰামিষ আহাৰ হৈছে উত্তম। নিৰামিষ আহাৰ নিৰোগী হোৱাত সহায়ক হয়। আমিষ আহাৰত ৰোগৰ সম্ভাৱনা বেছি। মাংসভোজী প্ৰাণীৰ দেহৰ গঠন সুকীয়াকৈ থাকে। মাংসভোজী প্ৰাণীৰ হাতত দীঘল নখ থাকে। সিহঁতক দা, কটাৰী নালাগে। মাংস কেঁচাই খাব পাৰে। অন্যহাতে মানুহে জুইৰ সহায়ত সিদ্ধ কৰিহে খাব পাৰে। হজম শক্তি মানুহৰ নাই। বিভিন্ন ভাৱে গম পোৱাক লৈ। কোনো কাৰণতে মাংস মানুহৰ খাদ্য নহয়। মাংসভোজী প্ৰাণীয়ে জিভাৰে পানী খায়।

আহাৰ খোৱাৰ আধা ঘণ্টাৰ পিছত পানী খায়। আহাৰৰ খোৱাৰ লগতে পানী খালে গেছ হয়। আহাৰৰ পৰিমাণ ২/৪অংশ খাদ্য বাকী দুভাগৰ ১ ভাগত পানী আৰু ১ ভাগ বায়ুৰ বাবে খালী থাকিব লাগে। আহাৰৰ পৰিমাণত বেছি খোৱা লোকৰ অলপ আয়ুস হৈ সোনকালে মৃত্যু হয়।

যোগ-প্ৰাণায়মৰ দ্বাৰা শৰীৰৰ সৰ্বঙ্গীন বিকাশ হয়। শাৰীৰিক মানসিক, আধ্যাত্মিক বৌদ্ধিক দিশ উন্নত হয়। যোগৰ প্ৰভাৱত মানুহ গুচি মহামানৱ আৰু দানৱ গুচি মানৱ হ'ব পাৰি। দৈস্যু ৰত্নাকৰৰ কথা আমি পাইছো। "অচ্ছা অন্ন এইছা মন" ভাল খাদ্যত ভাল কথা, বেয়া খাদ্য খালে বেয়া কথা, বেয়া কতা, বেয়া ঠাইলৈ গ'লে বেয়া কথা। এইবোৰ এটা উদাহৰণ। জীৱনটোতেই মানুহ হ'ব নোৱাৰাকৈ গুছি যায়।

যোগ প্ৰাণায়ামৰ প্ৰভাৱত শৰীৰৰ ৰিপু দমন কৰিব পৰা যায়। আহাৰ, পানী ব্যৱহাৰত সংযমী হৈ সকলোৰে প্ৰিয়ভাজন হৈ আনন্দময়ী জীৱন লাভ কৰিব পাৰে।

যোগৰ প্ৰভাৱত মানুহৰ সৰ্বঙ্গীন বিকাশ হয়। বেমাৰত মৰিব লগিয়াত নপৰে। কেন্সাৰ, হৃদৰোগ, ডায়েবেটিছ, হাইপ্ৰেচাৰৰ ল' প্ৰেচাৰ একোৰেই মাৰিব নোৱাৰে। যদি কেন্সাৰ হৈছে অত্যন্ত যোগ প্ৰাণায়াম নিয়মীয়াকৈ কৰি থাকে। তেন্তে কেন্সাৰ বেমাৰ বাধাপ্ৰাপ্ত হ'ব বাঢ়িব নোৱাৰিব। যোগৰ দ্বাৰাই নিজৰ ৰিপু দমন কৰিব পাৰি। প্ৰকাণ্ড হাতী এটাক এডাল ডাঙৰ ৰছীৰ দ্বাৰা বান্ধিব পাৰি। এই অতি তীব্ৰ বেগী মনক যোগ বলৰ দ্বাৰাই বান্ধিব পাৰিব। ধ্যান মুদ্ৰাৰ দ্বাৰা বলিস্থ মনক দমন কৰিব পাৰি।

ধ্যান ঃ ধ্যান ১ ঘণ্টা কৰিব লাগে। ধ্যান কৰিলে শৰীৰৰ কোষ বোৰত ৰক্ত চালিত হয়। যাৰ ফলত একাংকিয়া বেমাৰৰ পৰা হাত সাৰিব পাৰি। আমাৰ শীৰৰত সৰ্বমুঠ ৭২ কোটি, ৭২ লাখ, ১০ হাজাৰ, ৬ শ শিৰা-উপশিৰা, ধমনী থাকে। ধ্যান কৰাৰ ফলত শৰীৰত অধিক মাত্ৰাত শক্তি বাঢ়ে। ধ্যান কৰিলে বহা আসন খাদী উলেন কাপোৰ নাইবা লেডাৰৰ আসন হ'ব লাগে। ধ্যানৰ ফলত শৰীৰে লাভ কৰা শক্তি আৰ্যিন হৈ পৃথিৱীত গুছি যাব নোৱাৰে।ধ্যান যেতিয়া কৰে নিজৰ মনটি লগাই ৰাখি ধ্যান কৰিব। শৰীৰত অষ্ট্ৰ চক্ৰ থাকে তাৰেই এটি চক্ৰ কপালত থাকে। তাৰ নাম হৈছে জ্ঞান নেত্ৰ বা আজ্ঞা চক্ৰ।

আমাৰ শৰীৰত ৮ টা শক্তিৰ কেন্দ্ৰ থাকে। ধ্যানৰ ফলত এই কেন্দ্ৰ কেইটাৰ শক্তি বাঢ়িবলৈ ধৰে।

১। তালুত সহস্ৰাৰ চক্ৰ- বিবেক, বুদ্ধিৰ স্থান।

২। কপালত- আজ্ঞা চক্ৰ- মনোযোগৰ স্থান।

৩। দিডি- বিশুদ্ধি চক্ৰ- কৌশল।

৪। বুকু- হৃদয় চক্ৰ- সাহস
৫। বুকুৰ তলভাগ - অনাহত চক্ৰ- শৌয্য, বীৰ্য্য
৬। নাভিত- মণিপুৰ চক্ৰ- প্ৰতিভা।
৭। ককাল - স্বাধিষ্ঠান চক্ৰ- শক্তি সামৰ্থ।
৮। লিংগ- মূলাধাৰ চক্ৰ- পৰাক্ৰম।

পাপৰ পৰিয়াল ঃ লোভ— পিতা ধৰ্মৰ পৰিয়াল

| ধৰ্মৰ পৰিয়াল | পাপৰ পৰিয়াল |
|---|---|
| জ্ঞান—পিতা | লোভ— পিতা |
| দয়া— মাক | হিংসা—মাক |
| সত্য—ভায়েক | মিছা— ভায়েক |
| সুবুদ্ধি—ভণ্টি | তৃষ্ণা— ভনীয়েক |
| সুকম—পত্নী | কুমতি— পত্নী |
| সন্তোষ— পুত্ৰ | লালচ— পুত্ৰ |
| মমতা— পুত্ৰী | মায়া— পুত্ৰী |
| ক্ষমা— মূল | খং— মূল |

ওঁ কাৰ জপ কৰোতে দীঘলকৈ শ্বাস লৈ বুকু ভৰাই লব। এই ওঁ কাৰত তিনিটা আখৰ এটা হৈ থাকে। অ-উঁ-ম। অ- ব্ৰহ্মা, উঁ- বিষ্ণু, ম- মহেশ্বৰ। এই তিনিওজন দেৱতা ওঁ ত সুমাই ওঁ হৈছে। এই শ্বাস লোৱা আৰু এৰাৰ উপৰত নিৰ্ভৰ কৰি জীৱনৰ আয়ুসৰ গড় হৈ আছে।

মানুহৰ আয়ুস- ১২০ বছৰ-মানুহে ১ মিনিটত ১৯/২০ বাৰ পৰ্যন্ত শ্বাস লয়। কাছৰ আয়ুস-৩০০ বছৰ, কাছই ১ মিনিটত শ্বাস লয় ৩/৪ বাৰ। হাতীৰ আয়ুস- ১৫০ বছৰ, হাতীয়ে ১ মিনিটত শ্বাস লয় ৫/৬ বাৰ। শগুনৰ আয়ুস- ৫০০ বছৰ, শগুণে ১ মিনিটত শ্বাস লয় ১/২ বাৰ পৰ্যন্ত। গতিকে শ্বাসটো দীঘলীয়াকৈ লব আৰু দীঘলীয়াকৈ এৰিব আয়ুসত বৃদ্ধি নহলেও নকমিব।

গতিকে শ্বাস প্ৰশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকৃতিয়ে জীৱৰ আয়ুসৰ গড় নিৰ্দ্ধাৰিণ কৰি দিছে। সেইকাৰণে আমি খুব সোনকালেই শোৱা বিছ্না এৰি সদায়েই যোগ প্ৰাণায়াম কৰি নিজক সুন্দৰ জীৱন প্ৰদান কৰাৰ লগতে সমাজকো শিকাই জীৱন ধন্যময় নকৰো কিয়?

সাৱধান ঃ এটা চিগাৰেটৰ ভিতৰত থকা ধপাঁতত ৪০০০ ৰাসায়নিক বিষাক্ত পদাৰ্থ থাকে। ইয়াৰ ভিতৰত ৩০০ বিধ ৰাসায়নিক পদাৰ্থ অতি মাৰাত্মক। গতিকে ধপাত সেৱন শৰীৰৰ বাবে ক্ষতিকাৰক। জানি শুনি ধপাত সেৱনৰ পৰা আঁতৰি থাকক।

০০০

# ভূমিকম্প আৰু উত্তৰ পূৰ্বাঞ্চল

ড° মহানন্দ বড়া
অধ্যক্ষ
মায়ং আঞ্চলিক মহাবিদ্যালয়

অসম তথা উত্তৰ-পূৰ ভাৰতৰ প্ৰধান দুৰ্যোগ হ'ল ভূমিকম্প আৰু বানপানী। ধৰণীৰ বুকু যেতিয়া কঁপি উঠে, তেতিয়াই তাক আমি ভূমিকম্প বুলি কওঁ। ভূমিকম্প হ'ল এবিধ ভয়লগা প্ৰাকৃতিক দুৰ্যোগ। প্ৰাকৃতিক দুৰ্যোগ সমূহৰ ভিতৰত ভূমিকম্প বেছি ভয় লগা এই কাৰণেই যে হঠাতে কোনেও একো গম নোপোৱাকে এই দুৰ্যোগ আহে আৰু অতি কম সময়ৰ ভিতৰতে ই বিস্তৰ ক্ষতি সাধন কৰে। সেয়েহে ভূমিকম্প সম্বন্ধে প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ মানুহৰ কৌতুহ'লৰ শেষ নাই। পুৰণি কালত যেতিয়া মানুহৰ ভূমিকম্প সম্বন্ধে জ্ঞানৰ অভাৱ আছিল তেতিয়া মানুহে ইয়াক দৈত্য দানৱৰ কাম বা ভগৱানৰ অভিশাপ বুলি ভাবিছিল। তেওঁলোকে ভাবিছিল যে কিবা কাৰণত ভগৱানৰ খং উঠিলেই ধৰণীৰ বুকু কঁপাই তুলি ভূমিকম্প সৃষ্টি কৰে।

সি যিয়েই নহওক, প্ৰাকৃতিক বা কৃত্ৰিম ভাৱে ধৰণীৰ বুকু হঠাৎ কঁপি উঠাকে আমি ভূইকঁপ বা ভূমিকম্প বুলি কওঁ। প্ৰকৃততে ভূগৰ্ভত বহুদিন ধৰি জমা হৈ থকা স্থিতি শক্তি যদি কিবা কাৰণ বশতঃ গতি শক্তিলৈ ৰূপান্তৰিত হয় তেতিয়াই বেছিভাগ ভূমিকম্পৰে সৃষ্টি হয়। ই হ'ল প্ৰাকৃতিক কাৰণত হোৱা ভূমিকম্প। কিন্তু কিছুমান ভূমিকম্প কৃত্ৰিমভাৱে সৃষ্টি হোৱা কাৰণতো হ'ব পাৰে। আমি সকলো ভূ-কম্পনকে ভূমিকম্প আখ্যা দিব নোৱাৰো। ভূমিকম্প বুলিলে সাধাৰণতে ইয়াৰ কঁপনি স্থানীয় বা অঞ্চলটোত অনুভূত হ'ব লাগিব। কেতিয়াবা এক বৃহৎ এলেকাত এই কম্পন অনুভূত হ'ব পাৰে। ডেনামাইট বিস্ফোৰণ, ৰেল-গাড়ী চলাচল, গধুৰ যান-বাহন চলালে , গধুৰ বস্তু তললৈ খহি পৰা আদিৰ বাবেও এটা স্থানীয় অঞ্চলত কঁপনি উঠিব পাৰে। এনে কঁপনিক আমি ভূমিকম্প আখ্যা দিব নোৱাৰো। এইবোৰক আমি কৃত্ৰিম ভূমিকম্পৰ শাৰীত পেলাব পাৰোঁ।

দেখা যায় যে ভূমিকম্প ভূ-পৃষ্ঠৰ ওপৰত বা ভূ-গৰ্ভৰ গভীৰ অঞ্চলত উৎপত্তি অনুযায়ী ভূমিকম্পৰ প্ৰবলতা কম বেছি হোৱা দেখা যায়। যিবোৰ ভূমিকম্পৰ প্ৰবণতা সাধাৰণতে বেছি, সেইবোৰ ভূমিকম্প ভূগৰ্ভত সৃষ্টি হোৱা দেখা যায়। ভূ-পৃষ্ঠত উৎপত্তি হোৱা ভূমিকম্পবোৰ বহিঃজনিত কাৰণত সৃষ্টি হয়। এইবোৰ ভূমিকম্পৰ লগত বিবৰ্তনিক ক্ৰিয়া (Tectomic activity) জড়িত নাথাকে। সেইবোৰ এইবোৰ ভূমিকম্পক বাহ্যিক বা অবিবৰ্তনিক(Non Tectonic) ভূমিকম্প আখ্যা দিব পাৰি। গতিকে দেখা যায় যে ভূমিকম্পৰ উৎপত্তি দুটা কাৰণত হ'ব পাৰে। ইয়াৰে এবিধ বহিঃজনিত কাৰণত আৰু আনবিধ অন্তঃজনিত কাৰণত। ইয়াৰে প্ৰথমবিধ হ'ল অবিবৰ্তনিক ভূমিকম্প আৰু দ্বিতীয় বিধ হ'ল বিবৰ্তনিক ভূমিকম্প।

অবিবৰ্তনিক ভূমিকম্প সমূহ ভূ-পৃষ্ঠত ঘটি থকা প্ৰাকৃতিক বা কৃত্ৰিম কাৰণত উৎপত্তি হ'ব পাৰে। ভূ-পৃষ্ঠত ঘটা এনে কাৰ্যবোৰ মুখ্যতঃ অনাবৃত শিলামণ্ডলত ঘটা ক্ষয়ীভৱন ভূমিস্খলন, শিলৰ বিচলন, বৃহৎ বৰফ খণ্ডৰ নিম্নগমন আদিৰ ফলত সৃষ্টি হয়। তদুপৰি আগ্নেয়গিৰিৰ উদ্‌গীৰণ, চূণশিলৰ স্তৰত ঘটা দ্ৰবণ আদিৰ ফলতো ভূমিকম্প সৃষ্টি হ'ব পাৰে।

বেছিভাগ ভূমিকম্পই ভূ পৃষ্ঠৰ তলত অৰ্থাৎ ভূ গৰ্ভত সৃষ্টি হয়। এইবোৰ ভূমিকম্পৰ প্ৰাবল্যতা সাধাৰণতে বেছি। ভূ পৃষ্ঠৰ তলত থকা শিলাস্তৰ সমূহৰ ওপৰত চাপে অবিৰাম ক্ৰিয়া

কৰি আছে। এই চাপ যদি কোনো এটা শিলাস্তৰে সহ্য কৰিব ফাঁটৰ দুয়োমুৰে থকা শিলাস্তৰ দুটুকুৰাৰ সংযোগ স্থলত বৰ বেছি প্ৰতিবল গঢ়ি উঠে আৰু স্থিতিস্থাপকতা(Elastic rebound) গুণৰ বাবে সিইঁতে আগৰ সুস্থিৰ অৱস্থালৈ ঘূৰি যাবৰ বাবে অহৰহ চেষ্টা চলাই থাকে। ফলত জোকাৰণিৰ সৃষ্টি হয় আৰু এই জোকাৰণি সমূহে ঢৌৰ আকাৰত ভূ-পৃষ্ঠৰ ওপৰত বিয়পি পৰি ভূমিকম্পৰ সৃষ্টি কৰে। এনে ধৰণৰ ভূমিকম্পক বিৱৰ্তনিক (Tectonic) ভূমিকম্প বুলি কোৱা হয় আৰু উৎপত্তিক স্থিতিস্থাপকতা মতবাদ বুলি কোৱা হয়। কুমলীয়া বাঁহৰ এচাৰি এডাল বেঁকা কৰি এৰি দিলেই পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহে। এই গুণটোকে স্থিতিস্থাপকতা বুলি কোৱা হয়। এনে ধৰণৰ কাৰ্যকাৰণৰ ফলত শিলাস্তৰৰ এটা ডোখৰ তললৈ আৰু এটা ডোখৰ ওপৰলৈ উঠি আহি চ্যুতি সৃষ্টি কৰে। এই চ্যুতিজনিত কাৰণতে বহু কেইটা ভূমিকম্পৰ সৃষ্টি হোৱা বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। অসম তথা উত্তৰ পূৰ্বাঞ্চলত কেইবাটাও এনে ধৰণৰ চ্যুতি আছে। এই চ্যুতি সমূহত চাপ জমা হৈ থাকে আৰু কেইবা বছৰৰ পাছত চাপ এৰি দিয়াৰ ফলত ভূমিকম্পৰ সৃষ্টি হয়। মেঘালয়ৰ শিলসমূহৰ তলত দুটি এনে ধৰণৰ চ্যুতি থকা বুলি বিজ্ঞানীসকলে মত পোষণ কৰিছে। ইয়াৰ বাবেই মেঘালয়ত মাজে মাজে ভূমিকম্প হোৱা দেখা যায়।

ভূমিকম্প হোৱাৰ বিভিন্ন কাৰণসমূহৰ ভিতৰত ফলক বিবৰ্তনেই (Plate tectonics) হৈছে শেহতীয়া মতবাদ। এই মতবাদৰ প্ৰৱৰ্তক হ'ল হেৰি হেছ। বিজ্ঞানী হেছে প্ৰথম অৱস্থাত এই মতবাদ আগবঢ়াই ইয়াক ভূ- কবিতা (Geography ) আখ্যা দিছিল। সি যিয়েই নহওক, এই মতবাদ অনুসৰি পৃথিৱীৰ পৃষ্ঠভাগক কিছুমান শৈল ফলকত ভাগ কৰা হৈছে। এই ফলকবোৰৰ একোখন প্ৰায় ১০০ কিলোমিটাৰ মান ডাঠ। পৃথিৱীৰ খোলাটো এই ফলক বা প্লেটেৰে গঠিত। এই প্লেটবোৰৰ কিছুমান ডাঙৰ আৰু কিছুমান সৰু। বিজ্ঞানীসকলৰ মতে পৃথিৱীত এনেধৰণৰ প্লেট সাতখন ডাঙৰ আৰু অসংখ্য সৰু সৰু প্লেট আছে। এই প্লেটবোৰ হ'ল প্ৰশান্ত মহাসাগৰীয় প্লেট, আমেৰিকান প্লেট , আফ্ৰিকান প্লেট, ইউৰেছিয়ান প্লেট, ভাৰতীয় প্লেট, এন্টাৰ্কটিকা প্লেট আৰু অষ্টেলিয়ান প্লেট আদি। অনুমান কৰা মতে আজিৰ পৰা ২৮০০-২৫০০ নিযুত বছৰ পূৰ্বে পৃথিৱীখন এক উত্তপ্ত অৱস্থাৰ কৰা চেঁচা হৈ এই ফলক বা প্লেটবোৰৰ সৃষ্টি হৈছিল।

উল্লেখনীয় যে ভূ-পৃষ্ঠৰ পৰা ভূ-কেন্দ্ৰ বিন্দুলৈ পৃথিৱীখনক প্ৰধানতঃ তিনিটা স্তৰত ভাগ কৰিব পাৰি। এই ভাগ কেইটা হৈছে ক্ৰমে খোলা (crust) , প্ৰবাৰ (mantlr) আৰু কেন্দ্ৰ বা গৰ্ভ (core)। পৃথিৱীৰ খোলাটো আকৌ দুই ভাগত ভাগ কৰিব পাৰি। এই ভাগ দুটা হৈছে দুৰ্বল অশ্মমণ্ডলৰ দ্বাৰা মহাদেশীয় অশ্মমণ্ডল আৰু সুদৃঢ় অশ্মমণ্ডলৰ পৰা দুৰ্বল অশ্মমণ্ডল। সুদৃঢ় অশ্মমণ্ডলৰ দ্বাৰা মহাদেশীয় আৰু মহাসাগৰীয় প্লেটসমূহৰ গঠন হৈছে। মহাদেশীয় আৰু মহাসাগৰীয় প্লেটসমূহ গঠন একে নহয় মহাদেশীয় প্লেটসমূহ মূলতঃ গ্ৰেনাইট শিল আৰু মহাসাগৰীয় প্লেটসমূহ বেছল্ট শিলেৰে গঠিত। এই প্লেটসমূহ চলমান অৱস্থাত আছে। ভূ-ত্বকৰ তলৰ আধাগলিত স্তৰ বা প্ৰাবাৰত প্লেটবোৰ আছে। প্লেটবোৰ চলনশীল হোৱাৰ কাৰক হ'ল পৃথিৱীৰ অভ্যন্তৰত ঘটা সংবহন সোঁত (convectional current).

চলমান অৱস্থাত থকা হেতুকে এই ফলকবোৰ এখন আনখনৰ কাষ চাপি আহি খুন্দা মাৰে, কেতিয়াবা এখন আনখনৰ পৰা আঁতৰি যায় বা কেতিয়াবা এখনৰ সৈতে আনখন ঘঁহনি খায়।এই প্ৰক্ৰিয়াসমূহ চলি থাকোতে প্ৰবল শক্তিৰ সৃষ্টি হয়। দৰাচলতে এখন ফলক আনখনৰ সৈতে খুন্দা মাৰোতে দুই ফলকৰ সীমাভূৰীয়া অঞ্চল (collision zone) ত প্ৰচণ্ড চাপ (stress) ৰ সৃষ্টি হয়। উল্লেখনীয় যে এই ফলকসমূহ বেছি ঠাই জুৰি গতি কৰিব নোৱাৰে। এই সময়ত এখন ফলক গভীৰ খাতত সোমাই যায়। এই অঞ্চলটোক ভিতৰ সোমোৱা মণ্ডল (Subduction zone) বুলি কোৱা হয়। ভূমিকম্প এই অঞ্চলত বেছিকৈ হয়। এই সময়তে শিলসমূহত চাপৰ বাবে ফাঁট বা চ্যুতিৰ সৃষ্টি হয় আৰ ফাঁটৰ যোগেদি চাপ নিৰ্গত হয়। এই চাপ নিৰ্গত হোৱা সময়ত ভূ-পৃষ্ঠত প্ৰবল জোকাৰণিৰ সৃষ্টি হয়। উল্লেখনীয় যে পৃথিৱীৰ ভূ-চুম্বকত্বৰ ক্ৰিয়াৰ বাবেই এই ফলকবোৰে ইখনৰ লগত সিখনে সংগতি ৰাখি চলাচল কৰে। এই ফলকসমূহৰ সীমাৰ সংযোগ কৰে বোকাসদৃশ মেগ্মা পদাৰ্থই।

পৃথিৱীৰ যি সাতখন মুখ্য ফলক আছে তাৰ ভিতৰত ভাৰতীয় ফলকখন অন্যতম। ইয়াৰ উত্তৰপিনে ইউৰেছিয়ান ফলকখন অৱস্থিত। এই ভাৰতীয় ফলকখনে ইউৰেছিয়ান ফলকখনৰ ফালে গতি কৰি আছে। গতি কৰাৰ ফলত ভাৰতীয় ফলকখন কিছু অংশ উত্তৰ তিব্বতলৈ আৰু পূবে ম্যায়নমাৰৰ ভিতৰলৈ সোমাই গৈ আছে। যদিও ফলক সমূহৰ সীমামূৰীয়া অঞ্চলসমূহত গতি কৰাৰ ফলত প্ৰবল চাপৰ সৃষ্টি হয়, তথাপিও

প্লেটৰ সীমাত কিছুমান নিষ্ক্ৰিয় অঞ্চলো আছে। যিহেতু এই অঞ্চলতসমূহত ভূমিকম্প সঘনাই নহয়, সেই হেতুকে এইবোৰ অঞ্চলক ভূ-কম্পন ফাঁক(seismic gap)আখ্যা দিয়া হয়। ভাৰতীয় ফলকখনৰ সীমাতো এনে ধৰণৰ ফাঁক চিমলা, উত্তৰ বিহাৰ আৰু উত্তৰ পূৰ্বাঞ্চলত আছে। উল্লেখনীয় যে যদিও এই ফাঁকবোৰ বছৰ বছৰ ধৰি নিষ্ক্ৰিয় হৈ থাকে। তথাপিও কিছু বছৰৰ মূৰে মূৰে বিবৰ্তনিক বলৰ প্ৰভাৱত সক্ৰিয় হৈ উঠে। সক্ৰিয় হৈ চাপ এৰি দিয়াৰ ফলত ভূমিকম্পৰ সৃষ্টি হয়। হিমালয় অঞ্চলৰ কিছু সংখ্যক প্ৰবল ভূমিকম্প এনে কাৰণতে হোৱা বুলি ভূ-কম্পনবিদ সকলে ঠাৱৰ কৰিছে। সি যিয়েই নহওক, ফলকবোৰৰ মাজত তিনিধৰণৰ ক্ৰিয়া কৰাৰ ফলত ভূমিকম্পৰ সৃষ্টি হোৱা দেখা যায়। প্ৰথমতে, এখন ফলক আনখনৰ পৰা আঁতৰি যায়। দ্বিতীয়তে, এখন ফলক আনখনৰ কাষ চাপি আহে বা খুন্দা মাৰে। তৃতীয়তে, দুখন ফলক যোৰ পাতি গতি কৰাৰ ফলত এখন ফলক আনখনৰ সৈতে ঘঁহনি খায়।

যেতিয়া এখন ফলক আনখনৰ পৰা আঁতৰি যায়, তেতিয়া দুখন ফলকৰ মাজত ফাঁটৰ সৃষ্টি হয়। ফাঁটবোৰৰ মাজেৰে ভূ-গৰ্ভৰ পৰা মেগ্‌মা ওলাই আহে আৰু ফলকৰ সীমাত জমা হয়। এই সীমাত অস্থিৰতা বিৰাজ কৰাৰ ফলত ভূমিকম্প হয়। এনে ধৰণৰ আঁতৰি যোৱা ফলকৰ সীমাক অপসাৰী(devergent margin) সীমা বোলা হয়। সম্প্ৰতি উপগ্ৰহৰ জৰিয়তে কৰা ভূ-স্থানিক পদ্ধতিৰ সহায়ত মহাদেশীয় ফলকৰ সীমাবোৰ চিনাক্ত কৰি পৰা হৈছে।

যেতিয়া দুখন ফলকৰ মাজত মুখামুখি সংঘৰ্ষ হয়, তেতিয়া আপেক্ষিকভাৱে বেছি ঘনত্বৰ ফলকখন কম ঘনত্বৰ ফলকৰ তললৈ সোমাই যায় আৰু ভূ-গৰ্ভত গলিবলৈ ধৰে। দুই ফলকৰ এই সীমা ধ্বংসাত্মক বা অভিসাৰী সীমা (destructive or convergent margin) বোলা হয়। দুই ফলকে খুন্দা মৰাৰ ফলত এনে অঞ্চলত প্ৰবল চাপৰ সৃষ্টি হয়। এই চাপ বছৰ বছৰ ধৰি জমা হৈ থকাৰ পাছত এটা সময়ত এই চাপৰ বৰ্হিপ্ৰকাশ ঘটিবৰ বাবে ফাটৰ সৃষ্টি হয়। চাপ বা শক্তিৰ বৰ্হিপ্ৰকাশ ঘটাৰ ফলত জোকাৰণিৰ সৃষ্টি হৈ ভূমিকম্প হয়।

দুখন ফলক একেলগে গতি কৰাৰ ফলত ঘঁহনি খায় আৰু ঘঁহনি খোৱাৰ ফলত জোকাৰণিৰ সৃষ্টি হৈ ভূমিকম্পৰ সৃষ্টি হয়। এনে ধৰণৰ দুই ফলকৰ সীমাক ট্ৰেন্সফৰ্ম চ্যুতি সীমা (transfome fault margin) বোলা হয়।

আন্তঃ ফলকৰ চাপ (Intra-plate stress) ৰ ফলতো ভূমিকম্প হ'ব পাৰে। দুখন ফলকৰ সংঘৰ্ষৰ ফলত সংঘৰ্ষ সীমাৰ পৰা মহাদেশীয় অঞ্চলৰ ভিতৰলৈ ফলকে ভাঁজ লয়। তদুপৰি ফলকৰ কোনো অংশত বিপৰীত চাপৰ বাবেও শিলসমূহৰ সাম্যতা হেৰাই যায়। এই অঞ্চল একোটা ভগ্ন অঞ্চল হৈ পৰিব পাৰে আৰু ভয়ংকৰ জোকাৰণি অনুভূত হ'ব পাৰে। এনেবোৰ কাৰণতে মহাৰাষ্ট্ৰ লাতুৰ আৰু গুজৰাটত কচ্চ অঞ্চলত ভূমিকম্প হৈছিল। গুজৰাটৰ কচ্চ অঞ্চলত সৃষ্টি হোৱা ভগ্ন উপত্যকাৰ লগতে ভালেমান অনুলোম চ্যুতি (normal fault) আৰু অনুলৌম্বিক চ্যুতি (strike fault) আছে। এই চ্যুতিবোৰ এতিয়াও সক্ৰিয় অৱস্থাত আছে। এই চ্যুতিবোৰৰ সক্ৰিয়তাৰ বাবেই এই অঞ্চলত ভূমিকম্প হয়। এনেধৰণৰ ভূমিকম্পক স্থিৰ মহাদেশীয় ভূমিকম্প(stable continental earthquake) আৰু অঞ্চলটোক স্থিৰ মহাদেশীয় অঞ্চল (SCR) বোলা হয়।

ভূমিকম্পৰ ফলত ধন-জন, সা-সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন হয়। ভূমিকম্পৰ ফলতে কোনো এডোখৰ ঠাই তললৈ বহি যাব পাৰে বা কোনো এডোখৰ ঠাই ওপৰলৈ উঠি আহিব পাৰে। অসমৰ চানডুবি বিলটো ভূমিকম্পৰ ফলতেই সৃষ্টি হোৱা বুলি কোৱা হৈছে। এই কথাৰ সত্যাসত্য নিৰূপণৰ বাবে পুৰাভূকম্পনবিদ সকলে গৱেষণা কাৰ্য চলাই আছে। ভূমিকম্পৰ ফলত নতুন ফাঁট বা চ্যুতিৰ সৃষ্টি হ'ব পাৰে। ভূমিকম্প হৈ যোৱাৰ পাছতো সৰু সৰু জোকাৰণিৰ সৃষ্টি হয়। এই জোকাৰণিবোৰে নানাধৰণৰ ক্ষতি সাধন কৰিব পাৰে। ভূমিকম্পৰ ফলত পাহাৰীয়া অঞ্চলত ভূমিস্খলন সংঘটিত হ'ব পাৰে। ১৯৫০ চনত হোৱা প্ৰবল ভূমিকম্পৰ ফলতে অৰুণাচলত ভূমিস্খলন হৈ লুইতক কিছুদিনৰ বাবে ভেটি ৰাখিছিল। বৈদ্যুতিক বিজুতি, ৰন্ধন গেছৰ চিলিণ্ডাৰ , জ্বলিত উজ্জ্বালক আদিয়ে অগ্নিকাণ্ড সংঘটিত কৰিব পাৰে। সাগৰৰ তলিত সৃষ্টি হোৱা ভূমিকম্পই ছুনামিৰ সৃষ্টি কৰিব পাৰে। ভূমিকম্পৰ ফলত বানপানীৰো সৃষ্টি হ'ব পাৰে।

মুঠতে ভূমিকম্পৰ ফলত সৃষ্টি হোৱা ভূমিস্খলন, ছুনামি, বানপানী, অগ্নিকাণ্ড আদিয়ে বহুলোকৰ প্ৰাণহানি কৰিব পাৰে।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত সঘনাই ভূমিকম্প হোৱা দেখা যায়। কাৰণ ই ভূমিকম্প বলয়ৰ ভিতৰত অৱস্থিত। এই অঞ্চলত ভূমিকম্প হোৱাৰ কাৰণ সমূহ হ'ল—

১। মিকিৰ পাহাৰকে ধৰি মেঘালয় মালভূমি, অসম আৰু দাঁতি কাষৰীয়া অঞ্চলৰ আন্তঃ ফলক (intra plate margin) সীমাত কেইবাটাও চ্যুতি বা ফাঁট আছে। ই চ্যুতি বা ফাঁটবোৰত বছৰ বছৰ ধৰি চাপ সঞ্চিত হৈ আছে। এই চাপৰ বহিঃ প্ৰকাশ

ঘটিলেই ভূমিকম্প হয়। হিমালয় অঞ্চলত থকা মূল কেন্দ্ৰীয় চ্যুতি আৰু মূল সীমা চ্যুতি দুটাও ভূমিকম্পৰ লগত জড়িত।

২। পূৱ হিমালয় ভাঁজ (East Himalayan Arc) ত ফলকৰ সংঘৰ্ষৰ পিছত পুনৰ সমতা স্থাপন কৰিবলৈ যোৱাৰ ফলত ভূমিকম্প হয়। ইয়াত থকা উৎক্ষেপন চ্যুতি দুটা হ'ল ক্ৰমে মিছ্মি আৰু লোহিত উৎক্ষেপন চ্যুতি (Thrust)।

৩। ভাৰত-বাৰ্মা (মিয়েনমাৰ) সীমামূৰীয়া অঞ্চলত ভাৰতীয় অভিসাৰী ফলকখন বাৰ্মা ফলকৰ তলেৰে অগ্ৰসৰ হোৱাৰ ফলত ভূমিকম্প হয়।

৪। এই অঞ্চলত ভূমিকম্প হোৱাৰ আন এটা কাৰণ হ'ল যে ইয়াত এটা ভূ-কম্পন ফাঁক আছে। এই ফাঁকটোত সঘনাই ভূমিকম্প নহয়। কিন্তু এই ভূমিকম্পন ফাঁকটোৱে বহু বছৰ ধৰি চাপ জমা হৈ থকাৰ ফলত এটা সময়ত সহ্য কৰিব নোৱাৰা অৱস্থা হয়। চাপ এৰি দিয়াৰ ফলতে ভূমিকম্প হয়। এই অঞ্চলত হোৱা প্ৰবল প্ৰাবল্যৰ (ৰিখটাৰ স্কেল ৮ বা বেছি) ভূমিকম্পবোৰ ভূমিকম্পন ফাঁকত হোৱা অনুমান কৰা হৈছে।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলটো এক অস্থিৰ অঞ্চল। এই অঞ্চলত প্ৰাক্‌কেম্ব্ৰিয়ান কল্পৰ অতি পুৰণি ৰূপান্তৰিত শিলৰ পৰা নৱজীৱিয় কল্পৰ তৃতীয় আৰু চতুৰ্থ যুগৰ ইউৰেছিয়ান ফলকৰ বছৰি ৫ চেন্টিমিটাৰ মান গতি কৰি আছে। গতিকে ই এটা অস্থিৰ অঞ্চল। অস্থিৰতাৰ বাবেই এই অঞ্চলৰ ন-পুৰণি শিলসমূহত ভূ-তাত্ত্বিক কালৰ পৰা আজিলৈকে কেইবাটাও ফাঁটৰ বা চ্যুতিৰ সৃষ্টি হৈছে। এই চ্যুতি সমূহৰ ভিতৰত আছে হিমালয়ৰ বৃহৎ সীমান্ত চ্যুতি (Great Boundary Fault), বেছমেণ্ট চ্যুতি (Basement Fault) , যোৰহাট চ্যুতি (Jorhat Fault), নগা চ্যুতি (Naga Thrust), ডাউকী চ্যুতি (Dauki Fault), চিদৰাং চ্যুতি (chidrang fault) আদিকে কৰি কেইবাটাও চ্যুতি। ইয়াৰে কিছুমান চ্যুতি নিষ্ক্ৰিয় আৰু কিছুমান চ্যুতি সক্ৰিয় অৱস্থাত আছে। গতিকে এইবোৰ কাৰণতে এই অঞ্চলত সঘনাই ভূমিকম্প হয়।

অসম তথা উত্তৰ পূৰ্বাঞ্চলত অতীজৰে পৰা বহুকেইটা ভূমিকম্প সংঘটিত হৈ গৈছে। প্ৰখ্যাত ইতিহাসবিদ ছাৰ এডৱাৰ্ড গেইটে তেওঁৰ "A history of Assam" কিতাপখনত অসমৰ পুৰণি ভূমিকম্পবোৰৰ বিষয়ে আলোকপাত কৰিছে। তেওঁ অসমত ১৫৪৮, ১৫৯৬, ১৬৪২, ১৬৯৬, ১৭১৪ আদিত ভূমিকম্প হোৱাৰ কথা উল্লেখ কৰিছে। তদুপৰি ১৯৬৯ চনত কাছাৰত আৰু ১৮৭৫ চনত গুৱাহাটী, ছিলং অঞ্চলতো ভূমিকম্প হৈছিল।


বিগত প্ৰায় ১০০ বছৰৰ ভিতৰত বহুতো বিধ্বংসী ভূমিকম্প সংঘটিত হোৱা উল্লেখযোগ্য ভূমিকম্পবোৰ হ'ল ১৮৯৭(>৮) ১৯১৮ (৭.৬), ১৯৩০(৭.০), ১৯৫০(>৮), ১৯৬৭(৭.৩), ১৯৮৮ (৭.৫) । ইয়াৰ ভিতৰত ১৮৯৭ আৰু ১৯৫০ চনৰ ভূমিকম্প দুটাই সৰ্বোতোকৈ প্ৰাবল্যৰ ভূমিকম্প আছিল। এই ভূমিকম্প দুটাই পৃথিৱীৰ অন্যতম বৃহৎ ভূমিকম্প বুলি পৰিগণিত হৈছে। ১৮৯৭ চনত সংঘটিত হোৱা বৰ ভুঁইকপটোৰ সম্পৰ্কত ছাৰ এডৱাৰ্ড গেইটে ' A History of Assam" কিতাপখনত এই বুলি বৰ্ণনা কৰিছে—

" The focus of this earthquake was not far from shillong, and in that neighborhood, the movements of the earth attained a magnitude and violence of which those who did not personally experience them can form no conception : to stand was impossible, the surface of the ground moved in waves like those of the sea; large trees were swayed backwards and forwards, bending almost to the ground: and huge blocks of stone were tossed up and down like peas on a drum. In the course of a few minetues on it way be, seconds all masonry buildings were overthrown. The destruction was almost as complete in Gauhati and Sylhet."

উত্তৰ পূৰ্বাঞ্চলত সৃষ্টি হোৱা ১৮৯৭ চনৰ ভূমিকম্পটোৰ উপকেন্দ্ৰ আছিল মেঘালয়। এই ভূমিকম্পটোৰ ক্ষয়-ক্ষতিৰ পৰিমাণ নামনি অসমতেই বেছি আছিল। নামনি অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু নগাঁও, মেঘালয়ৰ শ্বিলং আৰু বাংলাদেশৰ ছিলেট জিলাত প্ৰভাৱ বৰকৈ পৰিছিল। ১৮৯৭ চনৰ ১২ জুনত সংঘটিত হোৱা এই ভূমিকম্পটোৰ জোকাৰণি এক মিনিটতকৈ কম আছিল। কিন্তু এই কম সময়ৰ ভিতৰত ৩৮০৫০০ বৰ্গ কিলোমিটাৰ জুৰি বৃহৎ এলেকা এটাত বিস্তৰ ক্ষতি সাধন কৰিছিল। এই ভূমিকম্পটোৱে সেই সময়ৰ কামৰূপ জিলাত বিশেষকৈ বৰপেটা অঞ্চলৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। তদুপৰি মানাহ, বেকী, পাগলাদিয়া, চাউল খোৱা আৰু ভেলেঙী নদীৰ গতিৰ যথেষ্ট সাল-সলনি ঘটাইছিল। এই ভূমিকম্পটো মেঘালয়ত

থকা দুটা চ্যুতিৰ ভাৰসাম্যতা হেৰুওৱাৰ ফলতেই হোৱা বুলি বিশেষজ্ঞ সকলে অনুমান কৰিছে।

বিখ্টাৰ স্কেলত এই ভূমিকম্পটোৰ তীব্ৰতা আছিল ৮.৫। এই ভূমিকম্পটোত অসংখ্য লোকৰ প্ৰাণহানি হোৱাৰ লগতে ধন সম্পত্তিৰো বিস্তৰ ক্ষতি সাধন হৈছিল।



উত্তৰ পূৰ্বাঞ্চলত ভূমিকম্প সৃষ্টি কৰা কিছুমান চ্যুতি

অসমৰ বিস্তৰ ক্ষতি সাধন কৰা আন এটা ভূমিকম্প হ'ল ১৯৫০ চনত সংঘটিত হোৱা ভূমিকম্পটো। এই ভূমিকম্পটোৰ ৰিখ্টাৰ স্কেলত মান আছিল প্ৰায় ৮.৭। এই ভূমিকম্পটো আছিল ভয়ংকৰ, প্ৰচণ্ড, অভূতপূৰ্ব আৰু ভয়াবহ। বিশেষজ্ঞসকলৰ মতে পৃথিবীৰ পাঁচোটা প্ৰচণ্ডতম ভূমিকম্পৰ ভিতৰত এইটো আছিল অন্যতম। এই ভূমিকম্পটোৰ ফলতেই উজনি অসমৰ নদীসমূহৰ বিস্তৰ ক্ষতি সাধন হৈছিল। এই ভূমিকম্পটোৰ উপকেন্দ্ৰ আছিল অৰুণাচল প্ৰদেশৰ ৰীমা নামৰ ঠাই এডোখৰ। এই প্ৰলয়ংকাৰী ভূমিকম্পটোৰ ফলত উজনি অসমৰ সোঁৱৰশিৰি, দিহিং, বিদাং আদি নদীৰ গতিৰ সালসলনি ঘটিছিল। তদুপৰি অৰুণাচল প্ৰদেশৰ লোহিত অৰ্থাৎ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ভূমিস্খলন হৈ পাহাৰৰ পৰা শিল, মাটি আদি খহি আহি ব্ৰহ্মপুত্ৰ নদীৰ গতিপথ বন্ধ কৰি দিছিল। পাছত নদীৰ পৰ্যাপ্ত পৰিমাণৰ পানীয়ে ভেটা ভাঙি হিলদলে আহি উজনি তথা নামনি অসমত মহাপ্লাবনৰ সৃষ্টি কৰিছিল। কাৰণ এই ভূমিকম্পটো সংঘটিত হৈছিল ১৫ আগষ্টৰ আবেলি সময়ত, যি সময়ত ভৰ বাৰিষা আছিল। এই ভূমিকম্পটোৰ পাছতেই ব্ৰহ্মপুত্ৰৰ বুকুত গেদৰ পৰিমাণ বাঢ়ি যায় আৰু তলিখন বাম হোৱাৰ ফলত নদীখনৰ পানী কঢ়িওৱা জলবহন ক্ষমতা কমি যায় আৰু নদীৰ পানী পাৰ বাগৰি প্ৰতিবছৰে বানপানীয়ে সৃষ্টি কৰে। এই ভূমিকম্পটোৰ পাছৰে পৰা ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰে আৰু ডিব্ৰুগড় , পলাশবাৰী আদি অঞ্চলত খহনীয়াৰ সৃষ্টি কৰি বিস্তৰ ক্ষতি সাধন কৰে। উল্লেখনীয় যে ১৯৫০ চনৰ ভূমিকম্পটো ভাৰতীয় ফলকখনৰ সীমামূৰীয়া অঞ্চলত হৈছিল।

গতিকে আমি কব পাৰো যে উত্তৰ পূৰ্বাঞ্চল ভূমিকম্প প্ৰবন অঞ্চল। এই অঞ্চলত ভূমিকম্প হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। সেয়েহে আমি ভূমিকম্পলৈ ভয় নকৰি ইয়াৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতি কমোৱাৰ বাবেহে সাৱধানতা লব লাগে। তলত আমি ল'বলগীয়া সাৱধানতাসমূহ উল্লেখ কৰা হ'ল—

**ভূমিকম্পৰ পূৰ্বে ঃ**

- ঘৰ নিৰ্মাণৰ ক্ষেত্ৰত নিৰাপদ পদ্ধতি প্ৰয়োগ কৰিব লাগে।
- খাদ্য সামগ্ৰী , প্ৰাথমিক সাহায্যৰ বাবে প্ৰয়োজনীয় দৰব পাতি টৰ্চলাইট, ৰছী বেল্চা আদি সৰ্জুলি মজুত কৰি ৰাখিব লাগে।
- বিদ্যুৎ, পানী আৰু গেছ বন্ধ কৰি ৰখাৰ নিয়ম জানি থব লাগে।
- জুই নোমোৱা সামগ্ৰী ৰাখিব পাৰিলে ভাল।
- First Aid ৰ সজুঁলিখিনি ৰাখিব লাগে।

**ভূমিকম্পৰ সময়ত ঃ**

- ধৈৰ্য ধৰি সাহসেৰে থাকিব লাগে। ঘৰৰ ভিতৰত থাকিলে টেবুল, বিচনা আদিৰ তলত আশ্ৰয় ল'ব লাগে। জধে মধে ঘৰৰ বাহিৰ ওলাব নালাগে।
- আইনা আৰু আইনাযুক্ত বস্তু আদি ওচৰত ৰাখিব নেলাগে।
- ঘৰৰ বাহিৰত থাকিলে জোকাৰণি শেষ নোহোৱা পৰ্যন্ত একে ঠাইতে থাকিব লাগে।
- ঘৰৰ কাষেদি যাব নেলাগে, বিদ্যুৎ প্ৰবাহযুক্ত তাঁৰৰ ওচৰলৈ যাব নালাগে।
- কোনো ধৰণৰ জুইৰ ব্যৱহাৰ কৰি নেলাগে।
- বহু তলাৰ ঘৰত থাকিলে দৌৰ মাৰি ওলাবলৈ চেষ্টা কৰিব নেলাগে। লিফ্টত উঠিব নালাগে।
- জন সমাগমৰ মাজত থাকিলে দৌৰা দৌৰি কৰিব নালাগে।
- মুকলি ঠাইত আশ্ৰয় ল'ব লাগে। চলন্ত গাড়ীত থাকিলে গাড়ীৰ ভিতৰতে থাকিব লাগে।

- পশ্চাৎ কম্পনৰ প্ৰতি সজাগ হ'ব লাগে।

ভূমিকম্পৰ পাছত ঃ

- নিৰাপদ অনুভৱ নকৰিলে ঘৰৰ ভিতৰত নুসুমাই ঘৰৰ বাহিৰত থাকিব লাগে।
- বিদ্যুৎ, গেছৰ লাইন পৰীক্ষা কৰিহে ব্যৱহাৰ কৰিব লাগে।
- জুইৰ পৰা সাৱধান হ'ব লাগে।
- টেলিফোন ব্যৱহাৰ কৰিব নালাগে।
- বিদ্যুৎ প্ৰবাহত বিজুতি ঘটিলে ঘাই চুইচ বন্ধ কৰিব লাগে।
- ঘৰ-বাৰী ভাগি পাৰিলেও অস্থিৰ হ'ব নেলাগে।
- ঠাই চাবৰ বাবে ওলাই যাব নেলাগে। ইত্যাদি।

-০-০-০-

## মহৎ লোকৰ বাণী

" যুদ্ধত এবাৰ ভুল সিদ্ধান্ত লোৱা আৰু পত্নীগৰাকীক বাছি লোৱাত ভুল কৰা, একেই কথা। দুয়োটা ভুলেই মানুহৰ জীৱনলৈ অন্ধকাৰ নমাই আনিব পাৰে।"

- মিডলটন

"ৰাজনীতিয়ে মানুহৰ মন আৰু সমাজক ডোখৰ-ডোখৰ কৰি পেলায়, তাক জোৰা লগাব পাৰে কেৱল সংস্কৃতিয়ে।"

- ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণ

# বিশ্বায়নৰ সময়ত কুটিৰ শিল্প

ৰবিন কুমাৰ কলিতা
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ

বৰ্তমান বিশ্বায়নৰ যুগ। বিশ্বায়নে অসম তথা ভাৰতবৰ্ষক গ্ৰাস কৰিছে। ভাৰতবৰ্ষত যোৱা শতিকাৰ শেষৰ দশকটোত আৰম্ভ হোৱা বিশ্বায়নৰ কু- ফলবোৰ লাহে লাহে পৰিস্ফুট হৈ পৰিছে। সম্প্ৰতি দেশে অৰ্থনৈতিক সংকটৰ মাজেৰে দিন অতিবাহিত কৰিছে। মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সৰ্ব নিম্ন হৈছে। নিবনুৱা সমস্যাই ভয়াবহ ৰূপ- ধাৰণ কৰিছে। এনে পৰিস্থিতিত কুটিৰ শিল্পৰ জৰিয়তে স্ব-নিৰ্ভৰশীলতাৰ বাহিৰে অন্য উপায় নাই। দেশৰ ৰাজহুৱা খণ্ডৰ পৰিসৰ হ্ৰাস আৰু কৰ্পৰেট গোষ্ঠীৰ প্ৰাধান্যতা মাজত কুটিৰ শিল্পৰ প্ৰাধান্যতা কোনো পধ্যে নুই কৰিব নোৱাৰি।

পৰম্পৰাগত কুটিৰ শিল্প -তাতশাল, মাটিৰ পাত্ৰ নিৰ্মাণ, বাঁহবেতৰ কাম আদিয়ে থলুৱা সংস্কৃতিৰ বিকাশ ঘটোৱাৰ লগতে কৰ্ম সংস্থাপনৰো অধিক সুবিধা দিয়ে। বৃহৎ উদ্যোগবোৰত মূলধনৰ প্ৰয়োগ অনুপাতে কৰ্ম সংস্থাপনৰ সুবিধা তেনেই নগণ্য। নামমাত্ৰ মূলধনৰে কুটিৰ শিল্প স্থাপনৰ জৰিয়তে কৰ্মসংস্থাপনৰ অধিক সুবিধা পাব পাৰি। শুৱালকুছিৰ পাট-মুগা, হাজোৰ কাঁহ-পিতলৰ বাচন বোকাখাটৰ পেৰাৰ সুনাম আছে। শুৱালকুছিৰ পাট মুগাৰ শিল্প পৰম্পৰাগত। ঘৰতে অৱস্থিত এই শিল্প বংশানুক্ৰমিক ভাৱে চলি আহিছে।

অসমৰ ঘৰে ঘৰে তাঁতশালৰ ব্যৱস্থা আছিল। বৰ্ত্তমান ই বিলুপ্তিৰ পথত। তাত ব'ব নজনা মহিলাৰ সংখ্যা তেনেই নগন্য আছিল। এটা সময়ত ই পৰিয়ালৰ বাবে আৰ্থিক সকাহ আছিল। মহিলা সকলে আজৰি পৰত তাত বৈ অৰ্থ সংগ্ৰহ কৰিছিল। লাহে লাহে বজাৰ অৰ্থনীতিৰ গ্ৰাসত ই বিলুপ্তিৰ পথত। তাতশালত বৈ উলিওৱা বস্ত্ৰৰ সমাদৰ কিন্তু এতিয়াও নাইকিয়া হৈ যোৱা নাই। শ্ৰমৰ মজুৰি বৃদ্ধি আৰু কেঁচা সামগ্ৰীৰ দৰ বৃদ্ধি হোৱা স্বাভাৱিক। দৰ বাঢ়িলে চাহিদা হ্ৰাস হোৱা সাধাৰণ কথা। কিন্তু ইয়াত উৎপাদিত সামগ্ৰীৰ সমাদৰ হ্ৰাস হোৱা নাই। সেয়েহে নতুন প্ৰজন্মই তাঁতশালত গুৰুত্ব দি সংস্কৃতি জীয়াই ৰখাৰ লগতে স্ব-নিৰ্ভৰশীলতা অৰ্জন কৰিব পাৰে।

এটা সময়ত পলাশবাৰী এৰী কাপোৰৰ বাবে বিখ্যাত আছিল। এতিয়া হেনো নাম গোন্ধেই নাই। গাঁওবোৰত পলু পুহি এৰী কাপোৰ বোৱাৰ পৰম্পৰা প্ৰচলিত আছিল। এতিয়া হেনো এৰা গছ চিনিকে নোপোৱা লোকৰ সংখ্যা সৰহ হ'ব ধৰিছে। কাঁহ-পিতলৰ দাম বৃদ্ধিৰ বাবে হাজো, সৰ্থেবাৰী আদি ঠাইত এইবিধ শিল্পৰ উন্নতি বাধা গ্ৰস্ত হৈছে।

অসমৰ প্ৰায়বোৰ ঠাইতে কুঁহিয়াৰৰ পৰা গুড় প্ৰস্তুত কৰা প্ৰথা চলি আহিছে। বৰ্তমান কুঁহিয়াৰ উৎপাদনৰ হাৰ হ্ৰাস হোৱা হেতুকে এই শিল্পবিধৰ উন্নতিও বাধাগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে।

বাঁহৰ সামগ্ৰীৰ চাহিদা আছে যদিও এই শিল্পও নিম্নগামী হৈ আহিছে।

আটাইবোৰ কুটিৰ শিল্পৰে সুকীয়া সুকীয়া স্থান আছে। কমকৈ হ'লেও পৰম্পৰাগত এই শিল্পবোৰত উৎপাদিত সামগ্ৰীবোৰৰ চাহিদাও আছে। কেৱল লাগে সু-পৰিকল্পনা আৰু

আধুনিকীকৰণ, ইয়াৰ বাবে প্ৰয়োজন দক্ষতা বা নিপুনতা। পৰম্পৰাগত শিল্পবোৰত দক্ষতা সংযোজনে ইয়াক পুনৰ উজ্জীৱিত যে কৰিব তাৰ অকণো সন্দেহ নাই। এই শিল্পবোৰত মনোনিবেশ কৰি আনকি কৃষক সকলেও আনুসংগিক বা উপৰঞ্চি আয় পাব পাৰে।

. এটা জাতি জীয়াই থাকে সংস্কৃতিৰ ওপৰত। বিশ্বায়নৰ গ্ৰাসত যদি জাতিয়ে নিজৰ সংস্কৃতি হেৰুৱাই , জাতি জীয়াই থাকিব কেনেকৈ। সেয়েহে হেৰাই যাব ধৰা কুটিৰ শিল্পবোৰত মনোনিবেশৰ জৰিয়তেজাতিটোয়ে জাতি হিচাপে জীয়াই থকাৰ লগতে স্ব নিৰ্ভৰশীলতা অৰ্জন কৰি দেশৰ ঘৰুৱা উৎপাদনত অৰিহণা যোগাব পাৰে।

শিক্ষাৰ্থীসকল এই ক্ষেত্ৰত আগ্ৰহী হোৱাৰ প্ৰয়োজন আছে। আনুষ্ঠানিক শিক্ষাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দি অহা প্ৰশিক্ষণবোৰত অংশ গ্ৰহণৰ জৰিয়তে এই শিল্পবিধৰ বিকাশত অৰিহণা যোগাব পাৰে। তেওঁলোকে আজৰি সময়ত এই শিল্পৰ লগত জড়িত হ'ব পাৰে কিয়নো কুটিৰ শিল্পবোৰ পৰিয়াল কেন্দ্ৰিক। পৰিয়াল কেন্দ্ৰিক হোৱা বাবে যিকোনো সময়তে ইয়াত যোগদান কৰিব পাৰে। শিক্ষা সমাপ্তিৰ পিছত কুটিৰ শিল্পত সম্পূৰ্ণকৈ অংশ গ্ৰহণ কৰিব পাৰে।

বৰ্তমান সময়ত চৰকাৰে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰত বিনিয়োগ হ্ৰাস কৰিছে। এই উদ্যোগবোৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ হ'ব ধৰিছে। ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰত কৰ্মসংস্থাপনৰ পৰিমাণ কম। ইতিমধ্যে দেশৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়িয়ে আছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কুটিৰ শিল্পত মনোনিবেশ নকৰি উপায় নাই। জাতিটোৱেও বৃহৎ শিল্পত উৎপাদিত , বিদেশত উৎপাদিত সামগ্ৰী ব্যৱহাৰৰ পৰিৱৰ্তে কুটিৰ শিল্পত উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰা উচিত। তেনে কৰিলে কুটিৰ শিল্পত নিয়োজিত লোকসকলে নিয়োজিত হ'বলৈ প্ৰেৰণা পাব।

-০-০-০-

# সাম্প্ৰতিক মুদ্ৰাস্ফীতি আৰু দেশৰ জনসাধাৰণ

লীনা কুমাৰী বৰা
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ

মুদ্ৰাস্ফীতিয়ে একেৰাহে হোৱা দাম বৃদ্ধিকে বুজায়। সাম্প্ৰতি দ্ৰব্য সামগ্ৰীৰ খুচুৰা দৰ বৃদ্ধি হৈ ৭.৫৯ % পাইছে। দ্ৰব্যৰ মূল্যবৃদ্ধি অনুপাতে যদিহে মজুৰি বৃদ্ধি নহয় তেন্তে প্ৰকৃত আয় হ্ৰাস হয় আৰু শ্ৰমিকৰ অৱস্থা পুতৌ লগা হয়। নতুন নতুন পৰিয়াল দৰিদ্ৰতাত সোমাই পৰে। কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া অৰ্থনৈতিক পৰিসংখ্যাই দেখুৱাইছে যে শাক-পাচলিকে ধৰি নিত্যব্যৱহাৰ্য সকলো সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সম্প্ৰতি অভিলেখ ৰচনা কৰিছে। অকল খুচুৰা মূল্যবৃদ্ধি সৰ্বাধিক ৭.৫৯ শতাংশ বৃদ্ধিয়ে নহয়, ঔদ্যোগিক উৎপাদনৰ হাৰো ০.৩ শতাংশ পৰ্যন্ত হ্ৰাস পায়। কেন্দ্ৰীয় পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ দপ্তৰে প্ৰকাশ কৰা তথ্যমতে বিগত সময়ছোৱাত খাদ্যৰ পৰা যোগাযোগ, উদ্যোগলৈকে সকলো খণ্ডতে মূল্যবৃদ্ধি দ্ৰুত প্ৰৱণতা স্পষ্ট হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্যমতে দেশজুৰি শাক-পাচলিৰ মূল্য ৫০% পৰ্যন্ত বৃদ্ধি পোৱাৰ বিপৰীতে খাদ্য আৰু অন্যান্য নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য ১১.৮% পৰ্যন্ত উৰ্দ্ধমুখী হৈছে। একেদৰে গাখীৰ, দাইল, মাংসৰ দামো বিগত দিনবোৰত দ্ৰুত উৰ্দ্ধমুখী হৈ আহিছে। পৰিবহণ আৰু যোগাযোগ মাধ্যমৰ সামগ্ৰীৰ দৰ বৃদ্ধি ৬.০৮% হৈছে গৈ। মুদ্ৰাস্ফীতি অব্যাহত উৰ্দ্ধমুখী ধাৰাই স্পষ্ট কৰিছে মন্দাৱস্থা ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী। এতিয়াও ফলপ্ৰসূ হোৱা নাই। কিয়নো মূল্যবৃদ্ধি অকল ৰন্ধন গেছ বা অন্যান্য নিত্যব্যৱহাৰ্য সামগ্ৰীতে নহয়, বস্ত্ৰ, চেণ্ডেল, জোতালৈকে মূল্যবৃদ্ধি উৰ্দ্ধমুখী ধাৰা অনিয়ন্ত্ৰিত হৈ আছে। জোতা-চেণ্ডেলৰ মূল্যবৃদ্ধি ১.৯১% পৰ্যন্ত হৈছেগৈ। কেন্দ্ৰীয় চৰকাৰৰ তথ্যমতে খাদ্য দ্ৰব্যৰ মূল্যবৃদ্ধি সৰ্বাধিক হৈছে চহৰাঞ্চলত ১৪.৭৭% । গ্ৰাম্য এলেকাত খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ১৩.০২% শাক -পাচলিত পঞ্চাশ শতাংশ মূল্যবৃদ্ধি ঘটিছে। বিগত বৰ্ষত পিয়াঁজৰ মূল্যবৃদ্ধি ২৪৭% আছিল। আলুৰ মূল্যবৃদ্ধি ৬২.৯৭%। একেদৰে হোৱা মূল্যবৃদ্ধিৰ বাবে দেশৰ জনসাধাৰণে একেখিনি সামগ্ৰীৰ বাবে আগতকৈ অধিক আয় ব্যয় কৰিবলগীয়া হৈছে। ফলত দৰকাৰী সামগ্ৰীৰ কিছু কমাই ক্ৰয় কৰিলগীয়া হৈছে অথবা সঞ্চয় হ্ৰাস কৰিলগীয়া হৈছে।

ঠিক সেইদৰে পাইকাৰী মূল্যৰ মুদ্ৰাস্ফীতিৰ হাৰ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। বৰ্তমান পাইকাৰী মূল্যৰ মুদ্ৰাস্ফীতি ৩.১০ % বৃদ্ধি হৈছে। যোৱা বছৰবোৰৰ তুলনাত বৰ্তমান পাইকাৰী মূল্যৰ মুদ্ৰাস্ফীতিৰ হাৰ যথেষ্ট বেছি।

মুদ্ৰাস্ফীতি বিভিন্ন কাৰণত হ'ব পাৰে। দেশত প্ৰচলিত মুদ্ৰাৰ যোগন বৃদ্ধি, চাহিদা অনুপাতে দ্ৰব্যৰ যোগান বৃদ্ধি নোপোৱা, উৎপাদিত সামগ্ৰীৰ মজুত কৰণ, মজুৰি বৃদ্ধি, কেঁচা সামগ্ৰীৰ দৰ ইত্যাদি। যি কি কাৰণতে নহওঁক কিয় মুদ্ৰাস্ফীতিয়ে যে জনসাধাৰণক কঙাল কৰিব এই কথাত দ্বি মত নাই। মুদ্ৰাস্ফীতি কোনো কাৰণতে আদৰণীয় হ'ব নোৱাৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিয়ে সমাজৰ দুখীয়া শ্ৰেণীৰ লোকক মাধমাৰ সোধাইছে। সমাজৰ দুখীয়া লোকসকল দুখীয়া হৈ গৈ আছে। মুদ্ৰাস্ফীতিয়ে চৰকাৰী চাকৰিয়ালকো ক্ষতিগ্ৰস্ত কৰিছে। কেৱল মাত্ৰ বেপাৰী শ্ৰেণীহে অধিক লাভৱান হোৱা দেখা যায়।

মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পাৰি। উৎপাদন বৃদ্ধি, মুদ্ৰাৰ যোগান (কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংকসমূহে সৃষ্টি কৰা) নিয়ন্ত্ৰণ, উৎপাদিত সামগ্ৰীৰ সুষম বিতৰণ আৰু মজুতকাৰীক জৰিমণা বিহা আদি ব্যৱস্থাৰ দ্বাৰা। যিকোনো ব্যৱস্থাৰে নহওক কিয় বা আটাইবোৰৰ সংমিশ্ৰনৰে হলেও মুদ্ৰাস্ফীতিৰ নিয়ন্ত্ৰণ আৱশ্যম্ভৱী।

-০-০-০-

# শ্ৰীশ্ৰী শংকৰদেৱৰ জীৱন দৰ্শনত প্ৰতিফলিত হোৱা শিক্ষা নৈতিক , অৰ্থনৈতিক মানৱতা আৰু পৰিৱেশ সচেতনতাৰ দিশ

কবিতা মেধি
মুৰব্বী অধ্যাপিকা
শিক্ষা বিভাগ

**অৱতৰণিকা ঃ** দৰ্শন আৰু শিক্ষাৰ মাজত অংগাগী সম্বন্ধ। জীৱন জগতক বিশ্লেষণ কৰি তাৰ মূল্য নিৰূপণ কৰা আৰু পৰম সত্বাক উপলব্ধি কৰাৰ চেষ্টাই হ'ল দৰ্শন। দৰ্শনৰ প্ৰভাৱ সকলোতে বিৰাজমান। ধৰ্ম সাহিত্য, শিক্ষা , ৰাজনীতি , অৰ্থনীতি, সমাজনীতি আদি সকলোতে দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়। জীৱন সম্বন্ধে আমাৰ দৰ্শন আৰু চিন্তাধাৰাক শিক্ষাৰ দ্বাৰা কাৰ্যত পৰিণত কৰা হয়। সেয়ে বিশ্বৰ শ্ৰেষ্ঠ দাৰ্শনিক সকল একো একোজন শিক্ষাবিদ। ভাৰতীয় দৰ্শন এক গভীৰ জীৱনবোধৰ দৰ্শন। নৱ বৈষ্ণৱ ধৰ্ম অসম তথা অসমীয়া জাতীয় জীৱনৰ গুৰি ধৰোতা মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱ এজন অতি উচ্চ ভাবাপন্ন মহান দাৰ্শনিক। তেঁওৰ বিশাল সৃষ্টিৰাজিৰ মাজেদি এজন মহান দাৰ্শনিক। তেওঁ বিশাল সৃষ্টিৰাজি আৰু অতুলনীয় কৰ্মৰাজিৰ মাজেদি এজন মহান দাৰ্শনিকৰ মহান চিন্তা-চৰ্চা মতাদৰ্শ আৰু সত্যানুসন্ধান পথ প্ৰকট হৈ উঠিছে। যি সময়ত অসমত ৰাজনৈতিক , অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক অস্থিৰতাই ছানি ধৰিছিল, সেই সময়ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ জৰিয়তে জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোকে একতাৰ দোলেৰে বান্ধি এটা সুস্থিৰ পৰিৱেশ স্থাপন কৰিবলৈ সক্ষম হৈছিল। ভাষা, সাহিত্য, সংস্কৃতিক মাধ্যক হিচাপে লৈ সমাজৰ উন্নয়নৰ প্ৰতিটো দিশতে নৱজাগৰণৰ সৃষ্টি কৰিছিল। শংকৰদেৱৰ বহুমূখী প্ৰতিভাৰ বিষয়ে এই ক্ষুদ্ৰ পত্ৰখনিত প্ৰকাশ কৰা সম্ভৱ নহয়। তেখেতৰ জীৱন দৰ্শনৰ প্ৰভাৱ প্ৰতিফলিত হোৱা শিক্ষাৰ নৈতিক , অৰ্থনৈতিক মানৱতাবাদ আৰু পৰিৱেশ সচেতনতাৰ দিশৰ বিষয়ে বিশ্লেষণাত্মক পদ্ধতৰে অধ্যয়ন কৰাই এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য।

বৈষ্ণৱ দৰ্শন আৰু নৈতিক শিক্ষা ঃ

শিক্ষাৰ লগত মনুষ্যত্বৰ সম্পৰ্ক নিবিড়। মানুহৰ সৰ্ব্বোত্মিক বিকাশৰ পথ হৈছে শিক্ষা। শিক্ষাৰ যোগেদি মানুহে মুক্ত চিন্তা, মুক্ত বুদ্ধিৰ তথা নিজকে প্ৰকাশৰ সৰ্ব্বোত্মিক সুযোগ লাভ কৰি মনুষ্যত্বৰ চৰ্চাৰ পথ সুগম তথা সুন্দৰ কৰি তুলিব পাৰে। শিক্ষা আৰু নৈতিকতা এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। নৈতিকতা অবিহনে মানুহৰ প্ৰমূল্যক স্থাপন আৰু নিৰূপণত শংকৰদেৱেও বিশ্বব্ৰহ্মাণ্ড নৈতিক ভিত্তিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে যে ভাল কাম কৰাজনে ভাল ফল আৰু দুষ্ট আৰু পাপ কৰোতাজনে বেয়া ফল ভোগ কৰিবলগীয়া হয়। শংকৰদেৱৰ নৈতিক দৰ্শনত ভগৱান হৈছে পৰম শ্ৰেয়। এই পৰমশ্ৰেয় লাভৰ এক মাত্ৰ উপায় নিষ্কাম কৰ্ম। নিষ্কাম কৰ্মহে ব্যক্তি আৰু সমাজ কল্যানৰ মূল চাবি-কাঠি । শংকৰদেৱৰ নৈতিক আদৰ্শমতে জীৱনৰ একোটা নিৰ্দিষ্ট লক্ষ্য বা উদ্দেশ্য থকাটো বাঞ্চনীয়। জীৱনটোক লক্ষ্যহীন ভাৱে ভাগ্যৰ ওপৰত এৰি দি হাত সাবতি থাকিলে লক্ষ্যত উপনীত হ'ব নোৱাৰি। একান্তমনে কৰ্মত নিমগ্ন হৈ শৃংখলিত পথেৰেহে পৰম সত্যৰ সন্ধান পাব পাৰি। অন্যথা পথভ্ৰষ্ট হৈ জীৱনত দুখ কষ্টৰ সন্মুখীন হ'ব লগা হয়।

শংকৰদেৱৰ নৈতিক ধৰ্ম আন এটা প্ৰধান আদৰ্শ হৈছে অহিংসা। এটা জাতি গঢ় লৈ উঠি বিকাশৰ পথত পৰিহাৰ কৰি পৃথিৱীৰ জাতিসমূহৰ মাজত শান্তি ঐক্য আৰু বুজাপৰাৰ ভাব গঢ় দি তোলাটো শিক্ষাৰ প্ৰধান লক্ষ্য। বৰ্তমান সমাজত দেখা দি হিংসা, বিদ্বেষ,হত্যা, লুণ্ঠন, গোষ্ঠীগত, ধৰ্মগত সংঘৰ্ষৰ পথ পৰিহাৰ কৰাৰ ক্ষেত্ৰত শংকৰদেৱৰ অহিংসা বাণী সকলোৰে বাবে অনুকৰণীয়। শংকৰদেৱৰ অহিংসা বাণীয়ে অকল মানুহক হিংসা নকৰাৰ কথাকে বুজোৱা নাই। সকলো জীৱ ভগৱানৰে অংশ, গতিকে সকলো জীৱই পবিত্ৰ, কোনো প্ৰাণীক হিংসা কৰিব নালাগে। সেয়েহে তেওঁৰ মতে পূজা উপাসনাৰ আদি ধৰ্মৰ নামত পশুবধ বা বলিদান কৰাটো গৰ্হিত কাম। সেয়ে অহিংসা সকলোৰে জীৱনৰ আদৰ্শ হোৱা উচিত।

# মাতৃভাষাৰ মাধ্যম আৰু ভাষাৰ সংকট

দিপ্তী শৰ্মা
চতুৰ্থ যান্মাসিক

সাম্প্ৰতিক সময়ত আমাৰ সমাজ সংস্কৃতি আৰু শিক্ষা ব্যৱস্থাত দেখা দিয়া বিভিন্ন সমস্যা আৰু সংকটৰ ভিতৰত মাতৃভাষা অৰ্থাৎ অসমীয়া ভাষাৰ সংকট বিশেষভাৱে পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হ'ল বিশ্বায়নৰ যুগত পাশ্চাত্য সংস্কৃতিয়ে আমাৰ শিক্ষা ভাষা-সংস্কৃতি এনেদৰে গ্ৰাহ কৰি পেলাইছে যে চাল-চলন, কথা বতৰা জীৱন শৈলী সকলোতে ইয়াৰ ভয়াবহ প্ৰভাব পৰিছে। ফলত অসমীয়া ভাষা-সংস্কৃতিৰ লগতে অস্তিত্বৰ সংকটেও দেখা দিছে।

অসমীয়া ভাষাৰ সংকট সাম্প্ৰতিক সময়তেই নহয় বৃটিছৰ শাসন কলতো হৈছিল। অসম দেশ বৃটিছ শাসনৰ অধীনলৈ যোৱাৰ পিছত এটা দশকৰ ভিতৰত ১৮৩৬ খ্ৰীষ্টাব্দত অসমৰ পঢ়াশালিৰ পৰা অসমীয়া ভাষা উচ্ছেদ কৰি বঙলা ভাষাৰ প্ৰচলন ঘটোৱা হৈছিল। যি সময়ত অসমৰ বিদ্যালয়, কৰ্যালয়, আদালতৰ পৰা অসমীয়া ভাশে নিৰ্বাসীতা হোৱাৰ ফলত অসমৰ বঙলা ভাষাৰ জয়যাত্ৰা চলিছিল যি সময়ত অপ্ৰতিৰোধী মাতৃভাষাৰ উদ্ধাৰ আৰু উৎকৰ্ষ সাধনৰ প্ৰতি অসমীয়া ভাষাই হেৰুৱাই পেলোৱা ন্যায্যতা উদ্ধাৰৰ বাবে তিনিজন ভাষাপ্ৰেমী বিশিষ্ট লোকৰ আবিৰ্ভাৱ হৈছিল। সেই তিনিজন হ'ল— আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুনাভিৰাম বৰুৱা। এই বিশিষ্ট লোক কেইজনেই আধুনিক অসমীয়া ভাষা সাহিত্যৰ ভেটি স্থাপন কৰিলে।

অসমীয়া সাহিত্য আৰু যুগ চিন্তাৰ নৱজাগৃতীৰ পথিকসলে অৰুণোদয় যুগত দুৰ্যেগিৰ মাজতো অসীম সাহস আৰু কষ্টৰে অসমীয়া ভাষাৰ যি পথ প্ৰশস্ত কৰিলে, জোনাকী যুগত সেই ৰুক্ষ পথলৈ নামি আহিল এক উচ্চল প্ৰাণৰ ঢল। এই যুগৰ ধাৰা বোৱাই আনিছিল দেশহিতৈষী, ভাষা প্ৰেমী তিনিজন মহান ব্যক্তিয়ে। তেওঁলোক হ'ল— চন্দ্ৰ কুমাৰ আগৰবালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। এই সকলৰ ত্যাগ আৰু অশেষ চেষ্টাৰ ফলতেই অসমীয়া ভাষা সাহিত্যই এক স্থায়ী ৰূপ লাভ কৰে।

বৰ্তমানৰ অসমীয়া ভাষা সংকটৰ প্ৰধান কাৰণ হ'ল— বিশ্বায়ন যুগত অৰ্থাৎ কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ যুগত শিক্ষাৰ ব্যাপক প্ৰসাৰতা, প্ৰতিযোগিতা আৰু অত্যাধুনিক শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ যোগাযোগৰ একমাত্ৰ মাধ্যম হ'ল ইংৰাজী ভাষা। সেয়েহে গাঁও, নগৰ, চহৰ সকলোতে ৰঘুমলাৰ দৰে বাঢ়ি অহা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰে অভিভাৱক, ছাত্ৰ-ছাত্ৰীক কিছু পৰিমানে আকৰ্ষিত কৰাটো সঁচা যদিও ইয়াৰ বিশেষ সফল লাভ কৰিব পৰা নাই যেন অনুমান হয়। তদুপৰি উচ্চ শিক্ষা লাভৰ কাৰনে বাহিৰলৈ যাবৰ বাবে ইংৰাজী ভাষা জানিবলৈ ইংৰাজী মাধ্যম হোৱাটো উচিত নহয়। অতি আনন্দৰ কথা যে এনে এক সন্ধিক্ষণত ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰক প্ৰত্যাহ্বান জনাই বিভিন্ন বিদ্যালয়ৰ শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ শিশুসকলৰ শিক্ষা আৰু প্ৰতি বছৰেই হাইস্কুল শিক্ষান্ত কৰীক্ষাত অভূতপূৰ্ব ফলাফলেৰে অসমবাসীক গৌৰাবান্বিত কৰি তুলিছে। এই লানি বিদ্যালয়ৰ মাধ্যম অসমীয়া হলেও ইংৰাজী বিষয়টোৰ ওপৰতো গুৰুত্ব আৰোপ কৰে, যাৰ ফলত এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পঢ়িও যে ইংৰাজী ভালদৰে শিকিব পাৰি তাকে প্ৰমাণ কৰিছে। তদুপৰি শিশু শিক্ষা সমিতি,অসমৰ উদ্যোক্তা, বিষয়ববীয়া, শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে অসমীয়া মাধ্যমৰ বিদ্যালয় আৰু অসমীয়া ভাষা প্ৰচাৰৰ বাবে মাতৃভাষাৰ গৌৰৱ প্ৰচাৰ অভিযানেৰে এক অভূতপূৰ্ব আন্দোলন গঢ়ি তুলিবৰ মানসেৰে গাৱে-ভূঞে, নগৰে চহৰে সকলোতে আলোচনা চক্ৰ, ধৰ্মশালা, সভা সমিতি পাতি সকলোতে সজাগ কৰি তুলিবলৈ আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে। এয়া সঁচাকৈয়ে প্ৰশংসনীয় বিষয়। আমাৰ দৃঢ় বিশ্বাস শিশু সমিতি, অসমৰ ঐকান্তিক প্ৰচেষ্টাৰ লগতে অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সম্পূৰ্ণ সহযোগ আৰু প্ৰেৰণাৰ বাবে ভাৰতীয় সংস্কৃতিৰ আধাৰত শিক্ষা দান কৰা সমগ্ৰ অসমতে বিয়পি থকা বিদ্যালয়সমূহ অসমৰ সকলো বিদ্যালয়বে আদৰ্শ হৈ থাকিব।

# ক্ৰমবৰ্দ্ধমান শিক্ষাব্যৱস্থা

দিলীপ শইকীয়া
জ্যেষ্ঠ কাৰ্যালয় সহায়ক

মানৱ সভ্যতাৰ প্ৰগতি আৰু সংস্কৃতিৰ বিকাশ ঘাইকৈ শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষাই মানুহৰ অন্তৰ্নিহিত গুণসমূহ বহিঃ প্ৰকাশ ঘটায় সমাজত থকা সংকীৰ্ণতা আতৰ কৰি গণতান্ত্ৰিক মূল্যবোধেৰে সমাজৰ এজন দায়িত্বশীল ব্যক্তি হিচাপে গঢ়ি তোলাত সহায় কৰে। সেয়ে মায়ং তন্ত্ৰ-মন্ত্ৰৰ দেশ হিচাপে পৰিচিত হ'লেও সু-শিক্ষাৰ প্ৰসাৰতাৰ বাবে নৱপ্ৰজন্মৰ মাজত মন্ত্ৰৰ ব্যৱহাৰিক প্ৰয়োগ নাইকিয়া হ'বলৈ ধৰিছে। বৰ্ত্তমান বৃত্তিমুখী আৰু প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত মায়ং কোনো গুণে কম নহয়।

**মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ ঃ**

পূৰ্বৰে পৰা চলি অহা Entrance পৰীক্ষা নামটো বাতিল কৰি 1912 চনত দশম শ্ৰেণীৰ অন্তত হ'বলগা পৰীক্ষাটোৰ নাম Matric পৰীক্ষা নামে নামকৰণ কৰা হয়। মায়ং অঞ্চলৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম অৱস্থাত গুৱাহাটী কেন্দ্ৰত মেট্ৰিক পৰীক্ষা দিবলৈ যাবলগা হৈছিল। যাতায়াতৰ অসুবিধাৰ উপৰিও আৰ্থিক দৈন্যতাৰ বাবে বহু ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটীলৈ গৈ পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। পৰীক্ষাত অৱতীৰ্ণ হোৱাসকলেও আশানুৰূপভাৱে উত্তীৰ্ণ হ'ব পৰা নাছিল। তাৰ ভিতৰত হাড়ুগৰ পাৰত বসবাস কৰা (বৰ্তমান পবিতৰা অভয়াৰণ্যৰ অন্তৰ্গত) দেববাহাদুৰ ছেত্ৰী নামৰ এজন নেপালী সম্প্ৰদায়ৰ ছাত্ৰই প্ৰথম মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ মায়ং অঞ্চলৰ শিক্ষা জগতখনলৈ এক গৌৰৱ কঢ়িয়াই আনিছিল। তেখেতে অধ্যয়ন কৰা শিক্ষানুষ্ঠানখনৰ নাম সংগ্ৰহ কৰিব পৰা নগ'ল।

**ডক্টৰেট ডিগ্ৰী ঃ**

অবিভক্ত নগাঁও জিলাৰ মায়ং মৌজাৰ অন্তৰ্গত দৈপড়া মিছামাৰি সত্ৰত ১৯২৩ চনৰ ১৫ নৱেম্বৰ তাৰিখে জন্ম গ্ৰহণ কৰা ব্যাকৰণবিধ, আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিশিষ্ট ভাষাবিদ ড° গোলোক চন্দ্ৰ গোস্বামী এটা সৰ্বপৰিচিত নাম। স্থানীয়ভাৱে তেওঁক "গদাগোঁসাই" বুলি মাতিছিল। তেখেতে ১৯৪৪ চনত বহা হাইস্কুলৰ পৰা চাৰিটা বিষয়ত লেটাৰ নম্বৰ সহ মেট্ৰিক পাছ কৰি কটন মহাবিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্ত্তি কৰে। মেধাবী গোস্বামীদেৱে ইণ্টাৰমিডিয়েট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৯৪৮ চনত কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত কামৰূপ একাডেমীত কিছুদিন শিক্ষকতা কৰিছিল যদিও অসম চৰকাৰ পৃষ্ঠপোষকতাত বুনিয়াদী শিক্ষাৰ স্নাতকোত্তৰ প্ৰশিক্ষণৰ বাবে জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়লৈ নিৰ্বাচন কৰে। ১৯৫০ চনত এই বিষয়ত সুখ্যাতিৰে ডিগ্ৰী লাভ কৰে আৰু পুনৰ ১৯৫৪ চনত গৌহাটী বিশ্ব বিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীত এম.এ. পাছ কৰে। ১৯৫৪ চনৰ ১৫ জুলাই তাৰিখে গৌহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে নিযুক্তি লৈ চৰকাৰী চাকৰি জীৱন আৰম্ভ কৰে।

আমেৰিকাৰ কেলিফোৰ্নিয়া বিশ্ব বিদ্যালয়ত ড০ গোস্বামী দেৱে ভাষাতত্ত্বৰ ওপৰত গৱেষণামূলক অধ্যয়ন আৰু শিক্ষাদান কৰাৰ উপৰিও ১৯৫৬ চনত এন. আৰ্চাৰৰ অধীনত মিছিগান বিশ্ববিদ্যালয়ত ভাষাবিজ্ঞানৰ গৱেষক হিচাপে সেৱা আগবঢ়াইছিল। " আচামিছ্ ইট্‌ছ ফৰমেচন এণ্ড ডেভলপ্‌মেণ্ট" নামৰ ড০ বাণীকান্ত কান্ত কাকতিৰ গৱেষণা পত্ৰৰ আধাৰত প্ৰকাশিত " ষ্টাক্‌চাৰ অৱ আচামিছ্" গৱেষণা পত্ৰৰ বাবে গুৱাহাটী বিশ্ব বিদ্যালয়ে ১৯৬৭ চনত ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।

**বি এ / বি কম ডিগ্ৰী ঃ**

মায়ং অঞ্চলৰ এজন জনপ্ৰিয় নেতা ৰসধৰ ডেকাৰ পুত্ৰ শ্ৰীধৰ ডেকাই প্ৰথম ১৯৬৪ চনত স্নাতক মহলাৰ কলা শাখাত ফাইনেল পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষা জগতখনলৈ এক নতুন বাতাবৰণ কঢ়িয়াই আনিছিল। সমসাময়িকভাৱে লোনমাটি গাঁৱৰ মহেন্দ্ৰ চন্দ্ৰ বৰা ডাণ্ডৱীয়াও (হিৰণ্য বৰাৰ খুড়া) স্নাতক বাণিজ্য শাখাত ডিগ্ৰী লাভ কৰি শিক্ষা ক্ষেত্ৰখনত আলোড়নৰ সৃষ্টি কৰিছিল।

এম কম ডিগ্ৰী ঃ

মহেন্দ্ৰ চন্দ্ৰ বৰা লোনমাটি গাঁৱৰ এজন বাসিন্দা আছিল। কৰ্মসূত্ৰে এখেতে গুৱাহাটীত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। এইজন স্বনামধন্য ব্যক্তিয়ে ১৯৬৬ চনত প্ৰথম বাণিজ্য শাখাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি মায়ং অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছিল।

৫) বিজ্ঞান শাখাৰ স্নাতক আৰু অভিযন্তা ঃ

১৯৪২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে ৰজামায়ং ৰজাচকীত জন্মগ্ৰহণ কৰা যাদৱ চন্দ্ৰ গগৈ মায়ং অঞ্চলৰ এক গৌৰৱৰ পাত্ৰ। ১৯৫৬ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গগৈদেৱে ১৯৬১ চনত বিজ্ঞান শাখাৰ স্নাতক ডিগ্ৰী লাভ কৰি ২০-০৭-১৯৬৭ চনত Superintendent Engineer হিচাপে নিযুক্তি পাইছিল। তেখেতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে ২৯-০২-২০০১ চনত।

৬) প্ৰাথমিক বিদ্যালয়ঃ

বৰ্তমান হাতীমূৰীয়া গাঁৱৰ মাজত থকা উঁহ পুখুৰীপাৰত (মায়ং উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ দাঁতিত) ১৯০৪ চনত মায়ং অঞ্চলৰ প্ৰথমখন বিদ্যালয় 'মায়ং নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়' নামে এখন শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল। এই শিক্ষানুষ্ঠানখনিৰ প্ৰথম প্ৰধান শিক্ষক আছিল হৰিচন্দ্ৰ গগৈ। এই প্ৰাথমিক বিদ্যালয়খনৰ লগতে এখন এম ই স্কুল স্থাপন কৰিছিল যদিও কিছু কাৰিকৰী বিজুতিৰ বাবে বিদ্যালয়খনৰ পাঠদান বেছিদিন টিকি থাকিব নোৱাৰিলেপৰৱৰ্তী সময়ত এই ঠাইটুকুৰা কিছু ভিতৰোৱা হোৱা বাবে অথবা দাঁতিকাষৰীয়া ঠাই বিচাৰি মায়ং তিনিআলিৰ ওচৰলৈ স্থানান্তৰিত কৰি স্থায়ীভাৱে নিৰ্মাণ কৰি লয়। এই বিদ্যালয়খনতে মায়ং অঞ্চলৰ পুৰুধা ব্যক্তিসকলৰ শিক্ষাৰ জীৱন আৰম্ভ হৈছিল। মায়ং তিনিআলিৰ ওচৰত স্থায়ীভাৱে স্থাপন হোৱা এই বুনিয়াদী প্ৰাথমিক বিদ্যালয়খন বৰ্তমান ১৪৪ নং মায়ং প্ৰাথমিক বিদ্যালয় নামেৰে পৰিচিত। এই বিদ্যালয়খন মায়ং অঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহৰ প্ৰাণকেন্দ্ৰ। বৰ্তমান সময়লৈ এই বিদ্যালয়খনৰ পৰা ১০০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰাৰ বিপৰীতে শ্ৰীগোপাল চন্দ্ৰ নাথ আৰু শ্ৰীমিহিৰ হাজৰিকাদেৱে কৃতী শিক্ষকৰ বঁটা পাবলৈ সক্ষম হৈছে। ২০০৬ চনতে দায়িত্ব বহন কৰা প্ৰধান শিক্ষক মাননীয় মিহিৰ হাজৰিকাৰ তত্বাৱধানত বৰ্তমান সময়লৈকে তিনিজন শিক্ষক আৰু দুগৰাকী শিক্ষয়িত্ৰীয়ে শিক্ষাদান কৰি আছে। 2007 চনতে এইখন বিদ্যালয়ে মৰিগাঁও জিলাৰ ভিতৰতে একমাত্ৰ আদৰ্শ বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে।

মধ্য ইংৰাজী বিদ্যালয় ঃ

হাতীমূৰীয়া উঁহ পুখুৰীপাৰত প্ৰাথমিক বিদ্যালয়খনৰ লগতে স্থাপন হোৱা এম ই স্কুলখনৰ প্ৰধান শিক্ষক আছিল পুৰণিগুদামৰ নাৰায়ণ চন্দ্ৰ বৰদলৈ মহোদয়। সেই বিদ্যালয়খন ছাত্ৰ-ছাত্ৰীৰ অভাৱত লাহে লাহে ভাঙোনমুখী হোৱাত পুনৰ ১৯৩৭-৩৮ চনত এম ই স্কুল স্থাপনৰ যো-জা চলে। এই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আছিল মাননীয় হৰিচন্দ্ৰ গগৈ। আৰ্থিক অনাটনৰ বাবে এই বিদ্যালয়খন কেইবাবাৰো অস্থিৰ হৈ পৰে যদিও অৱশেষত বাৰুকটা অঞ্চলৰ এজন শিক্ষানুৰাগী ব্যক্তি সঞ্জয় ডেকাক প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰি পূৰ্ণাংগৰূপত শিক্ষাদানকাৰ্য আৰম্ভ কৰে। এই বিদ্যালয়খন পৰিচালনাৰ বাবে সভাপতি হিচাপে নেতৃত্ব বহন কৰিছিল স্বাধীনতা সংগ্ৰামী হলধৰ ভূঞাদেৱে।

উচ্চ ইংৰাজী বিদ্যালয় ঃ

উন্নয়নশীল দেশ হিচাপে সামাজিক আৰু অৰ্থনৈতিক দিশত পৰিবৰ্তনৰ লগে লগে মায়ং অঞ্চলতো শৈক্ষিক ক্ষেত্ৰখনত আমূল পৰিবৰ্তন ঘটিল। দিনক দিনে শিক্ষাৰ প্ৰতি থকা অনুৰাগ বৃদ্ধি পাবলৈ ধৰিলে। দূৰ-দূৰণিলৈ গৈ শিক্ষা গ্ৰহণ কৰিব নোৱাৰা কৃষকৰ ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ উচ্চশিক্ষা গ্ৰহণৰ সুবিধা দিব পাৰি তাৰ ওপৰত চিন্তাচৰ্চা চলিল। বুদ্ধিমান হিতৈষীসকলৰ প্ৰচেষ্টাত হাইস্কুল স্থাপনৰ যো-জা চলিল। প্ৰথমে মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত অষ্টম শ্ৰেণীৰ পাঠদান আৰম্ভ কৰিবলৈ ল'লে ১৯৬০ চনত। শিক্ষক হিচাপে নিযুক্তি দিলে হাতীমূৰীয়া গাঁৱৰ সোমেশ্বৰ মেধি মহোদয়ক। কেইটামান মাহ যোৱাৰ পিছত মাননীয় সোমেশ্বৰ মেধি মহোদয়ে IA আৰু BA পঢ়িবলৈ গুৱাহাটীলৈ যাবলগা হোৱাত শিক্ষক পদটিৰ পৰা ইস্তফা দিলে আৰু উক্ত পদটিত কাজলীচকীৰ দণ্ড শইকীয়াক নিযুক্তি দিয়ে। লগে লগে বিজ্ঞাপনৰ জৰিয়তে শিক্ষক হিচাপে নিযুক্তি প্ৰদান কৰা হ'ল তৰুণ ঠাকুৰীয়া, কালিচৰণ পাটৰ, আদিত্য গগৈকে ধৰি আৰু আন কেইজনমান শিক্ষকক। এনে সময়তে দণ্ড শইকীয়া মহোদয়েও ব্যক্তিগত কাৰণত শিক্ষক পদ ইস্তফা দিয়াত মাননীয় তৰুণ ঠাকুৰীয়াক প্ৰধান শিক্ষক হিচাপে স্বীকৃতি প্ৰদান কৰিলে। বিদ্যালয়খন পৰিচালনাৰ বাবে

এখনি সমিতি গঠন কৰি সভাপতি হিচাপে ৰঘুবৰ নাথ আৰু সম্পাদক হিচাপে ৰতিকান্ত শইকীয়াক দায়িত্ব অৰ্পণ কৰিলে। এই বিদ্যালয়খনে ১৯৭৮ চনত চৰকাৰী অনুমোদন লাভ কৰে।

**মহাবিদ্যালয় ঃ**

উচ্চ শিক্ষাৰ ক্ষেত্ৰত অতিকে পিছপৰা মায়ং অঞ্চলত এখনি উচ্চ শিক্ষাৰ অনুষ্ঠান মহাবিদ্যালয় স্থাপন কৰাৰ উদ্দেশ্যে মায়ং, পকৰীয়া, বোকনি আৰু মনহা মৌজাৰ পৰিসীমা সামৰি ১৯৮৩ চনত এখন সাধাৰণ সভা আহ্বান কৰাৰ দায়িত্ব বহন কৰিছিল ৰসধৰ ডেকা, হংসৰাম শইকীয়া, ৰঘুবৰ নাথ, মোহনবংশী সৰকাৰ, দিপন চন্দ্ৰ নাথ, প্ৰফুল্ল কুমাৰ ভূঞা আদিকে ধৰি কেইজনমান উদ্যোগী ব্যক্তিয়ে। প্ৰতিকূল বতৰৰ বাবে সেই সভাখনত পৰ্যাপ্ত প্ৰতিনিধি উপস্থিত থাকিব নোৱৰাত পুনৰ ২৮-১-১৯৮৪ চনত আন এখন ৰাজহুৱা সভা আহ্বান কৰিছিল। উক্ত তাৰিখত সকলোকেইটা মৌজাৰ প্ৰতিনিধি উপস্থিত থকাহেতু আনুষ্ঠানিকভাৱে সভা আৰম্ভ কৰা হৈছিল। এই সভাখনত সভাপতিৰ আসন অলংকৃত কৰিছিল সমাজসেৱক অনুষ্ঠানপ্ৰেমী ব্যক্তি হৰিচন্দ্ৰ বৰাদেৱে। সভাত উপস্থিত সদস্যসকলৰ সৰ্বসন্মতিক্ৰমে মায়ঙত মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু 'মায়ং আঞ্চলিক মহাবিদ্যালয়' নামেৰে নামকৰণ কৰা হয়। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যাৱতীয় কামকাজসমূহ পৰিচালনা কৰিবলৈ সভাপতি হিচাপে মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহোদয় আৰু সম্পাদক হিচাপে প্ৰফুল্ল কুমাৰ ভূঞা আৰু সহঃ সম্পাদক হিচাপে দিপন চন্দ্ৰ নাথ মহোদয়ক দায়িত্ব অৰ্পণ কৰি এখন তদৰ্থ সমিতি গঠন কৰা হৈছিল।

সমিতিখনে মহাবিদ্যালয়ৰ পাঠদানকাৰ্য আৰম্ভ নকৰাকৈ আগতীয়া ভূমি আবণ্টন নোপোৱাত আৰু তদানীন্তন ৰাজ্যিক শিক্ষা মন্ত্ৰী মাননীয় মুকুট শৰ্মাদেৱে প্ৰথম পৰ্যায়ত মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ পদোন্নতি দিয়াৰ প্ৰতিশ্ৰুতিমৰ্মে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া কিছু বছৰলৈ স্থগিত ৰাখিবলগা হয়। ঘোষণা অনুযায়ী মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খনউচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ পদোন্নতি হ'ল আৰু পুনৰ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে ৰাইজে টঙালী বান্ধিলে। তদৰ্থ সমিতিৰ উদ্যোগত ১০-৫-১৯৯২ চনত সাধাৰণ সভা আহ্বান কৰি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সিদ্ধান্ত গ্ৰহণ কৰি ১৯৯২ চনৰ ১৩ আগষ্ট তাৰিখে ৫১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত পাঠদান কাৰ্যসূচী আৰম্ভ কৰা হয়। এই পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সেই সময়ৰ মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় নৰেন্দ্ৰ নাথ কেওট মহাশয়ে। প্ৰথমে মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ হৈছিল মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এটি কোঠাত। মহাবিদ্যালয়খন পৰিচালনাৰ বাবে মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাননীয় দিমাচৰণ বড়ো দেৱক সভাপতি, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কালিচৰণ পাটৰ দেৱক কাৰ্যকৰী সভাপতি, দিপন চন্দ্ৰ নাথক সাধাৰণ সম্পাদক আৰু প্ৰফুল্ল কুমাৰ ভূঞা দেৱক সহকাৰী সম্পাদক হিচাপে লৈ ৪৪ জনীয়া পৰিচালনা সমিতি এখন গঠন কৰা হয়। মহাবিদ্যালয়খনৰ বাহ্যিক-আভ্যন্তৰীণ আৰু শৈক্ষিক বাতাৱৰণ অক্ষুণ্ণ ৰাখিবলৈ অনুষ্ঠানটিৰ অধ্যক্ষ হিচাপে ফণীভূষণ নাথ দেৱক ১৯৯২ চনৰ জুলাই মাহত নিযুক্তি প্ৰদান কৰা হৈছিল।

মায়ং অঞ্চলত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী তাকৰীয়া হোৱা বাবে কেৱল স্নাতক মহলাৰ কলা শাখাৰ পাঠ্যক্ৰমেৰে ১৯৯৪ চনৰ ৩১ মে' তাৰিখৰ পৰা নিজা ভূমিত পাঠদান আৰু পাঠ গ্ৰহণ প্ৰক্ৰিয়া চলি আছে।

**ৰাজহুৱা খণ্ডৰ মাধ্যমিক বিদ্যালয় ঃ**

দেশত প্ৰতিযোগিতামূলক শিক্ষা আৰু ডিজিটেলাইচন শিক্ষাৰ প্ৰসাৰতাৰ লগে লগে মায়ং অঞ্চলতো চুকে-কোণে নৱপ্ৰজন্মৰ বিকাশ সাধনৰ উদ্দেশ্যে আৰু অভিভাৱকসকলৰ আকুল আহ্বানত 2001 চনত গঢ় লৈ উঠিছিল 'শংকৰদেৱ শিশু নিকেতন' নামৰ এটি চালুকীয়া শিক্ষানুষ্ঠান। এই বিদ্যালয়খনৰ নীতি-আদৰ্শ অন্য বিদ্যালয়সমূহতকৈ পৃথক। আধ্যাত্মিক আৰু দেহতত্ত্বৰ যি জ্ঞান, সঁচাকৈয়ে প্ৰশংসনীয়। ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা ঈশ্বৰ প্ৰেমৰ ধাৰণা আৰু শাৰীৰিক ব্যায়ামৰ প্ৰথা সন্তোষজনক। এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি সোণাপুৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য্য মহোদয়ৰ পৃষ্ঠপোষকতাত ২০০১ চনতে শ্ৰীদুৰ্জন হাজৰিকা মহোদয়ক প্ৰধান আচাৰ্য্য হিচাপে দায়িত্ব অৰ্পণ কৰি মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এটি গৃহত বিদ্যালয়ৰ পাঠদান কাৰ্যসূচী আৰম্ভ কৰাহয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে মাননীয় শ্ৰীযুত সোমেশ্বৰ মেধি, সম্পাদক হিচাপে শ্ৰীযুত তিলক হাজৰিকা মহোদয়ক দায়িত্ব দিয়া হৈছিল। প্ৰথম অৱস্থাত অংকুৰ, মুকুল আৰু প্ৰথম শ্ৰেণীৰ শুভাৰম্ভ কৰা হয়। তিনিওটা শ্ৰেণী মিলি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৬ জন। আচাৰ্য্য-আচাৰ্য্যাৰ সংখ্যা আছিল ৪ গৰাকী। বিদ্যালয়খনি প্ৰতিষ্ঠাৰ

ক্ষেত্ৰত যাৱতীয় কাম-কাজ পৰিচালনাৰ অৰ্থে শ্ৰীযুত লোকেন্দ্ৰ হাজৰিকাই ১৭ হেজাৰ টকা, শ্ৰীযুত ৰাজেন শইকীয়াই ৫ হেজাৰ টকা, শ্ৰীযুত নৱ কুমাৰ শইকীয়াই ৫ হেজাৰ টকা আৰু লক্ষ্মণ শইকীয়াই×ÃÃ 3 হেজাৰ টকা সহায়ক হিচাপে আগবঢ়ায়। পৰৱৰ্তীকালত শ্ৰীযুত লোকেন্দ্ৰ হাজৰিকাই উক্ত ধনখিনি বিদ্যালয়খনৰ উন্নতিৰ হকে অনুদান হিচাপে আগবঢ়োৱাৰ বিপৰীতে বাকীকেইজনক ধনৰাশি উভতাই দিয়া হয়। দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই অহাত অভিভাৱক সকলৰো সহায়-সহযোগিতা বৃদ্ধি পাবলৈ ধৰিলে। কিছু বছৰৰ পিছত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰাত পৰিচালনা সমিতি আৰু মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সিদ্ধান্তমৰ্মে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ দাতিত নিকেতনখনৰ স্থায়ী গৃহ নিৰ্মাণ কৰা হ'ল।

পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছিল যদিও সেই অনুসৰি শিক্ষকৰ অভাৱত সপ্তম শ্ৰেণীলৈকেহে পাঠদান কৰিবলৈ সক্ষম হৈছিল। অনিচ্ছাকৃতভাৱে সপ্তম শ্ৰেণীৰ পৰা বিদায় লৈ বিভিন্ন চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীসকলৰ নিকেতনত গঢ় লোৱা অভ্যাস আৰু নিয়মানুবৰ্তিতা হেৰাই যোৱা নাছিল। ফলস্বৰূপে প্ৰবেশিকা পৰীক্ষাত মায়ং কেন্দ্ৰৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ ভিতৰত সৰহসংখ্যকেই নিকেতনৰ ছাত্ৰ-ছাত্ৰী। আমি সগৌৰৱে প্ৰকাশ কৰিব পাৰো যে ২০১২ চনত অসমৰ ভিতৰত চতুৰ্থ স্থান দখল কৰা ছাত্ৰী প্ৰিয়ংকা মেধি নিকেতনৰ ছাত্ৰী। অসম মেডিকেল কলেজ, ডিব্ৰুগড়ত অধ্যয়নৰত শ্ৰীপৰাগ হাজৰিকা নিকেতনৰ ছাত্ৰ। তাৰোপৰি বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ জীৱন গঢ়ি অঞ্চলটোৰ লগতে অনুষ্ঠানটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

প্ৰতিষ্ঠাপক প্ৰধান আচাৰ্য্য শ্ৰীযুত দুৰ্ধন হাজৰিকাদেৱে ২০১৫ চনত স্বইচ্ছাই এই পদ ইস্তফা দিয়াত মাননীয় ধনঞ্জয় বৰদলৈ নামৰ শিক্ষাগুৰু এজনক এই আসন অলংকৃত কৰা হয়। তেখেতে দায়িত্বভাৰ লোৱাৰ পিছত আৰু অসম শিশু শিক্ষা সমিতিৰ নিৰ্দেশানুসৰি নৱম আৰু দশম শ্ৰেণীৰ পাঠদানৰ চেষ্টা অটুট ৰখা হয়। অৱশেষত ২০১৬ চনত বহু আলোচনা-পৰ্যালোচনাৰ অন্তত নৱম শ্ৰেণীৰ পাঠদান ১১ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা হয়। ভঙা-ছিঙা বেৰ, ওখোৰা-মোখোৰা মজিয়া য'ত ডেস্ক-বেঞ্চযোৰো সমানে বহুৱাই ল'ব নোৱাৰি তেনে পৰিস্থিতিকো আওকাণ কৰি অভিভাৱকসকলে ঈশ্বৰৰ ওপৰত ভৰষা ৰাখি নিজ সন্তানক শিক্ষাগুৰুসকলৰ ওচৰত গতাই দিলে। হাইস্কুলৰ পাঠ্যক্ৰম তথা প্ৰবেশিকা পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব পৰা অভিজ্ঞ শিক্ষক নাথাকিলেও অভিভাৱকসকলে মন ভাঙি দিয়া নাছিল। প্ৰত্যেকজন অভিভাৱকে বহু কষ্ট, ত্যাগ আৰু দায়িত্ববোধ স্বীকাৰ কৰি সাজু হ'ল ২০১৮ চনত অনুষ্ঠিত হ'বলগা প্ৰবেশিকা পৰীক্ষালৈ। এই দলটোৱে হ'ব নতুনকৈ গঢ় লৈ উঠা শিক্ষানুষ্ঠানখনৰ ভৱিষ্যত। বিদ্যালয়খনৰ হৈ প্ৰথম যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হ'ব। সকলোৰে মনত উৎকণ্ঠা, আশাৰ হতাশা। সময়মতে পৰীক্ষা আৰম্ভ হ'ল, ফলাফলো ঘোষণা কৰিলে। শিল পৰা কপৌৰ দৰে সকলো নিথৰ দিলে। আশা আছিল দহটা স্থানৰ ভিতৰত আমাৰ নিকেতনৰ পৰা এজনৰ নাম থাকিব। কিন্তু বিধাতাই নিদিলে। যিহেতু কৰ্মৰ ফল আমাৰ হাতত নাই সেয়ে দুখ কৰিও লাভ নাই। তথাপিতো ১২ জন পৰীক্ষাৰ্থীৰ ভিতৰত দুজন অনুত্তীৰ্ণ, ছয়জন প্ৰথম বিভাগত, তিনিজন দ্বিতীয় বিভাগত, এজন তৃতীয় বিভাগত, এজনে ষ্টাৰ নম্বৰ আৰু দুজনে ডিষ্টিংচন নম্বৰসহ উত্তীৰ্ণ হয়। এই দুজনৰ ভিতৰত শ্ৰীঅমৰজ্যোতি শইকীয়াই ৯৫.৫ শতাংশ আৰু শ্ৰীমৃদুল নাথে ৯২.৮ শতাংশ নম্বৰ লৈ অঞ্চলটোৰ লগতে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

**ব্যক্তিগত খণ্ডৰ বিদ্যালয় ঃ**

দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে অঞ্চলটোৰ শৈক্ষিক দিশ উন্নীতকৰণৰ উদ্দেশ্যে আন এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয় 'জ্ঞানপীঠ জাতীয় বিদ্যালয়' নামেৰে ২০০৯ চনত প্ৰতিষ্ঠা কৰা হয়। এই বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সভাপতি হিচাপে দায়িত্ব বহন কৰিছিল ঔগুৰি নিবাসী শ্ৰীযুত হৰেন শইকীয়াদেৱে। পৰিচালনা সমিতিৰ সম্পাদক হিচাপে উমেশ শইকীয়া মহোদয়ে দায়িত্বভাৰ গ্ৰহণ কৰি অংকুৰ, প্ৰাক্‌প্ৰাথমিক, প্ৰথম, দ্বিতীয় আৰু পঞ্চম শ্ৰেণীৰ পাঠদানেৰে কালশিলাপাৰ গাঁৱৰ নৱকুমাৰ বিষয়াৰ বাসগৃহৰ কোঠালিত শুভাৰম্ভ কৰে। প্ৰথম অৱস্থাত এইখন বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৫৬ জন, শিক্ষকৰ সংখ্যা আছিল ৬ জন। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পোৱাত শইকীয়াদেৱৰ নিজা দখলৰ ভূমিত বিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণ কৰি লয়। বৰ্তমান মাননীয় হৰেন শইকীয়াদেৱৰ বাৰ্ধক্যজনিত কাৰণত অধ্যক্ষৰ আসন ত্যাগ কৰাৰ পিছত শ্ৰীমতী কৰবী বৰা শইকীয়াক অধ্যক্ষা হিচাপে নিয়োগ কৰিছে। বিদ্যালয়খনে পৰ্যায়ক্ৰমে শ্ৰেণীৰ সংখ্যা বৃদ্ধি কৰি ২০১৮ বৰ্ষত দশম শ্ৰেণীৰ পাঠদান আৰম্ভ কৰি ২০১৯ চনত অনুষ্ঠিত হ'বলগীয়া প্ৰবেশিকা পৰীক্ষালৈ শিক্ষাৰ্থীসকলক সাজু কৰি তুলিছে। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো এই বিদ্যালয়ৰ হৈ প্ৰথম পদক্ষেপত প্ৰবেশিকা পৰীক্ষা দিবলৈ আগবাঢ়ি অহা শিক্ষাৰ্থীসকলে উৎকৃষ্ট মানৰ স্থান দখল কৰি অঞ্চলটোৰ লগতে অনুষ্ঠানটিলৈ গৌৰৱ কঢ়িয়াই আনক।

**ইংৰাজী মাধ্যমৰ বিদ্যালয় ঃ**

অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত শৈক্ষিক দিশত সমানে ফেৰ মাৰিব পৰাকৈ আৰু শিক্ষাৰ্থীসকলৰ বাহ্যিক জ্ঞান প্ৰসাৰৰ উদ্দেশ্যে ২০১৬ চনত প্ৰতিষ্ঠা কৰা হৈছিল 'মিনাৰ্ভা একাডেমি' নামৰ এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়। মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ

পশ্চিম দিশৰ সন্মুখভাগত গঢ় লৈ উঠা এই বিদ্যালয়খনৰ প্ৰথম অৱস্থাত প্ৰাক্‌প্ৰাথমিকৰ পৰা আৰম্ভ কৰি তৃতীয় শ্ৰেণীলৈ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৪৫ জন। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে আসন অলংকৃত কৰা ড° উৎপল নাথ আৰু সম্পাদক হিচাপে নৱজ্যোতি নাথৰ নেতৃত্বত বিদ্যালয়ৰ শৈক্ষিক দিশৰ মানদণ্ড অটুট ৰাখিবলৈ অধ্যক্ষ হিচাপে দায়িত্ব মূৰ পাতি লয় স্বনামধন্য মায়ং অঞ্চলৰ ঘৰুৱা শিক্ষক হিচাপে খ্যাতি অৰ্জন কৰা মাননীয় শ্ৰীযুত পুলেং ৰাহাং মহোদয়ে। ৬ জন অভিজ্ঞ শিক্ষকৰ সমাহাৰ ঘটা এই বিদ্যালয়খনৰ গতিপথত আৰু কণ কণ শিশুসকলৰ উত্তৰণত আমি সহায়-সহযোগিতা আগবঢ়োৱাটো কাম্য।

এইখিনিতে এটা আমাৰ নিজস্ব মনোভাৱ প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰিলোঁ। অসমৰ শিক্ষা জগতখনত বিশেষকৈ মায়ং অঞ্চলৰ শিক্ষাৰ পথাৰখনত এক অশুভ শক্তিয়ে গা কৰি উঠাৰ সন্দেহ কৰা হৈছে। কোনো মূল্যৰ বিনিময়ত শিক্ষাগত অৰ্হতা অৰ্জন কৰি শিক্ষাৰ প্ৰকৃত লক্ষ্য, উদ্দেশ্য আৰু মূল্যবোধক জলাঞ্জলি দি সমাজখনক কলুষিত কৰাৰ পৰা বিৰত থাকক। নিজৰসন্তানক বিপদৰ মুখলৈ ঠেলি দি নিজে আত্মসন্তুষ্টি লাভৰ পৰা বিৰত থাকি এখন সুস্থ-সবল সমাজ গঢ়াত সকলোৱে হাত উজান দিয়ক।

**মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ ঃ**

১৯৬০ চনতে মায়ঙত উচ্চ ইংৰাজী বিদ্যালয় স্থাপন হৈছিল যদিও দশম শ্ৰেণীৰ শেষান্ত পৰীক্ষা গুৱাহাটী কেন্দ্ৰত জাগীভকত গাঁও উচ্চ ইংৰাজী বিদ্যালয়ত দিব লাগিছিল। ১৯৬৪ চনত উচ্চ মাধ্যমিক বিদ্যালয়ৰ হৈ কাজলিচকীৰ কীৰ্ত্তি শইকীয়াই প্ৰথম মেট্ৰিক পৰীক্ষাত উৰ্ত্তীণ হয়। ১৯৬৬ চনত গুৱাহাটী কেন্দ্ৰ সলনি কৰি মৰিগাঁৱলৈ স্থানান্তৰিত কৰা হয়। আৰু প্ৰায় ৭০ দশকত জাগী-ভকতগাঁও হাইস্কুলত মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ স্থাপন হয়। ২ বছৰ পিছত জাগী-ভকতগাওঁ হাইস্কুললৈ যাব লগা হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ দুখ-কষ্টৰ প্ৰতি লক্ষ্য ৰাখি সেই সময়ৰ জাগীভকত গাঁও হাইস্কুলৰ প্ৰধান শিক্ষক কৃষ্ণ বৰা মহোদয়ৰ সহায়-সহযোগিতা আৰু সুদিহা-পৰামৰ্শমতে মায়ং অঞ্চলৰ দিপন চন্দ্ৰ নাথ, হিৰণ্য বৰা, চিত্ৰকান্ত ডেকা আৰু প্ৰধান শিক্ষক কালিচৰণ পাটৰ মহোদয়ৰ অশেষ প্ৰচেষ্টাৰ ফলত ১৯৮৭ চনত মায়ং উচ্চ ইংৰাজী বিদ্যালয় চৌহদতে মেট্ৰিক পৰীক্ষা কেন্দ্ৰ পৰিচালনাৰ বাবে চৰকাৰীভাৱে অনুমতি লাভ কৰে।

**প্ৰৱেশিকা পৰীক্ষাত স্থান দখল ঃ**

১৯৮৭ চনৰ পৰাই মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে মায়ং অঞ্চলৰ পৰা স্থান দখল কৰিবলৈ সক্ষম হোৱা নাছিল। সৌভাগ্যক্ৰমে বহু কষ্ট আৰু সাধনাৰ ফলত ২০১২ চনত বৰদিয়াৰ লোকপ্ৰিয় জি এন বি হাইস্কুলৰ ছাত্ৰী তথা শিলডুবি গাঁৱৰ নিবাসী কুমুদ চন্দ্ৰ মেধি আৰু ৰেণুপ্ৰভা লস্কৰ মেধিৰ সুযোগ্য কন্যা প্ৰিয়ংকা মেধিয়ে অসমৰ ভিতৰত ৯৪ শতাংশ নম্বৰ লাভ কৰি চতুৰ্থ স্থান দখল কৰিবলৈ সক্ষম হয়।

**উচ্চতৰ মাধ্যমিক পৰীক্ষা কেন্দ্ৰৰ শিখৰত ঃ**

যাতায়ত, শৈক্ষিক আৰু আৰ্থিকভাৱে পিছপৰা মায়ং অঞ্চলত দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চ শিক্ষাৰ সুবিধাৰ্থে ২০০৩ চনত মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ অনুমোদন পোৱা যায়। তেতিয়াৰে পৰা চূড়ান্ত পৰীক্ষাত কেন্দ্ৰৰ হৈ শিখৰত স্থান পোৱা পৰীক্ষাৰ্থীৰ নাম তালিকা এনেধৰণৰ ঃ

| চন | নাম | শতাংশ |
|---|---|---|
| ২০০৩ | অনুপম কোঁৱৰ | ৬৬.৪ |
| ২০০৪ | প্ৰদীপ মণ্ডল | ৭৩.৬ |
| ২০০৫ | অজয় শংকৰ নাথ | ৪৬.৪ |
| ২০০৬ | নাৰায়ন মেধি | ৭০.৮ |
| ২০০৭ | গৌতম মণ্ডল | ৬৩.৬ |
| ২০০৮ | ৰতন চৰকাৰ | ৭৮.৮ |
| ২০০৯ | কুশল দাস | ৭৫ |
| ২০১০ | (তথ্য পোৱা নগ'ল) | |
| ২০১১ | নিৰঞ্জন শইকীয়া | ৭৮ |
| ২০১২ | সুনীতা ডেকা | ৬৮.৬ |
| ২০১৩ | ছাদ্দাম হুচেইন | ৮২ |
| ২০১৪ | আবেদ আলী | ৮৪.৬ |
| ২০১৫ | ডেইজী ডেকা | ৮৪.৮ |
| ২০১৬ | প্ৰকাশ মণ্ডল | ৭৯.৬ |
| ২০১৭ | বুবুমনি মেধি | ৮০.২ |

# অভিব্যক্তি স্বাধীনতা (আজাদী) নাম ও গুণ্ডাগিৰি

ড° গুনেশ্বৰ ডেকা
মুৰব্বী অধ্যাপক
ৰাজনৈতিক বিজ্ঞান বিভাগ

মুক্ত অভিব্যক্তি বা কথা কোৱাৰ মুক্ত স্বাধীনতা হৈছে বিশ্বৰ এটি সৰ্বাধিক জনপ্ৰিয় লিখিত মৌলিক অধিকাৰ। ভাৰতত মুক্ত কথা কোৱা আৰু প্ৰকাশ কৰা স্বাধীনতাকে সংবিধানৰ অনুচ্ছেদ 19 (1) (a) ত সংৰক্ষিত কৰা হৈছে। সেয়ে, অনুচ্ছেদ 19 (1) (a) হৈছে এটি গুৰুত্বপূৰ্ণ মৌলিক অধিকাৰ।

সংবিধানৰ প্ৰথম সংশোধনীঃ- বিশ্বৰ লোকৰ আৰু ভাৰতীয় লোকৰ বক্তব্য বা প্ৰকাশৰ স্বাধীনতাৰ গুৰুত্ব বুজি কোৱা হৈছিল যে ধৰ্ম আৰু প্ৰকাশৰ ওপৰত চৰকাৰে কোনো ধৰণৰ আইন নিৰ্মাণ নকৰিব। শান্তিপূৰ্ণ সমাৰেশ আৰু চৰকাৰলৈ দুখ নিবাময়ৰ আবেদন কোনো কালে বন্ধ নকৰিব। এনে কৰিলে চৰকাৰ আৰু জনসাধাৰণৰ মাজত সংবেদন শীলতা সমাপ্ত হৈ যাব। তেতিয়া চৰকাৰে একনায়কত্ববাদৰ ফালে গতি কৰিব। যিটোনেকি কাৰোৰে কাম্য নহয়।

মুক্ত প্ৰকাশ আৰু কথা কোৱাৰ স্বাধীনতা মানে কি? এই দুয়োটা অধিকাৰে হৈছে প্ৰাকৃতিক তথা জন্মগত অধিকাৰ। এটি শিশুৱে মাতৃগৰ্ভত থাকোতেই এই অধিকাৰ পায়। নিজৰ পিতৃ-মাতৃৰ মুক্ত কথা কোৱা আৰু প্ৰকাশৰ জৰিয়তে এটি শিশুৱে তাক গ্ৰহণ কৰে। এই অধিকাৰ ইমানেই তাৎপৰ্যপূৰ্ণ যে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ চনদত আৰু ভাৰতৰ সংবিধানৰ ১৯ নং অনুচ্ছেদত মৌলিক অধিকাৰ হিচাপে সংৰক্ষিত কৰা হৈছে। অৰ্থাৎ সাধাৰণ অৱস্থাত এই অধিকাৰক কোনো ব্যক্তি বা চৰকাৰে বাধা দিব নোৱাৰে।

অনুচ্ছেদ 19 (1) (a) কৈছে যে ভাৰতৰ সকলো নাগৰিকৰে মুক্ত কথা কোৱা আৰু প্ৰকাশ কৰাৰ অধিকাৰ আছে। প্ৰত্যেকজন ব্যক্তিয়ে স্বাধীনভাৱে নজৰ দৃষ্টিভংগী ৰাখিব পাৰে; নিজ ৰ বিশ্বাস আৰু চিন্তন প্ৰকাশ কৰিব পাৰে কোনো ধৰণৰ ভয় নোহোৱাকৈ। মুক্ত প্ৰকাশৰ মাধ্যম এনেধৰণৰ লিখনি, মুদ্ৰণ, ছবি, অভিনয়, গীত পৰিবেশন বা যি কোনো মানৱ যোগাযোগৰ মাধ্যমৰ জৰিয়তে।

তাৰোপৰি অনুচ্ছেদ (19) (1) (a) কৈছে যে ভাৰতৰ লোকে —

(ক) শান্তিপূৰ্ণ সমাৰেশ হ'ব পাৰে। কিন্তু কোনোধৰণৰ অস্ত্ৰ-সস্ত্ৰ থাকিব নোৱাৰে।

(খ) শান্তিমুলক সংস্থা আৰু সংঘ সংগঠন।

(গ) ভাৰতৰ সীমান্তৰ ভিতৰত মুক্ত-ভ্ৰমন।

(ঘ) ভাৰতৰ যিকোনো অংশত থকা আৰু বসবাস কৰা।

(ঙ) যিকোনো ব্যৱসায়, কৰ্মসংস্থান আৰু বেপাৰ বাণিজ্য কৰাৰ অধিকাৰ আছে।

১৯ নং অনুচ্ছেদৰ স্বাধীনতা অধিকাৰৰ লগতে ভাৰতৰ সংবিধানত থকা মৌলিক অধিকাৰ সমূহ এনেধৰণৰ —

(১) সমতাৰ অধিকাৰ

(২) স্বাধীনতাৰ অধিকাৰ

(৩) শোষণৰ বিৰোদ্ধে অধিকাৰ

(৪) ধৰ্মীয় অধিকাৰ

(৫)সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ

(৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।

ইয়াৰে ভিতৰত সংবিধানৰ ৩২ আৰু ২২৬ নং অনুচ্ছেদ অনুসৰি নাগৰিকে মৌলিক অধিকাৰ ৰক্ষাৰ কাৰণে আদালতৰ ওচৰ চাপিব পাৰে। কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰী কোনো কৰ্মৰ ফলত নাগৰিক অধিকাৰ ব্যাহত হ'লে উচ্চতম ন্যায়ালয়ত তেনে কাৰ্যৰ বিৰুদ্ধে গোচৰ দিব পাৰি।

পৃথিৱীত সমস্ত মানৱজাতিক সামৰি যিমানবিলাক অধিকাৰ প্ৰয়োজন সেই সমস্তবিলাক অধিকাৰ ভাৰতৰ সংবিধানে নাগৰিকক দিছে। তথাপি ভাৰতীয় কিছু লোকক আৰু অধিক আজাদি বা স্বাধীনতা লাগে। সেই স্বাধীনতা মানে কি? অতিৰিক্ত স্বাধীনতা বিচৰা আগতে আমাৰো দায়িত্ব আছে যে আমি দেশ আৰু মানুহৰ কাৰণে কিমানখিনি বৰঙনি আগবঢ়াইছো। আমাৰ কৰ্তব্যৰ সম্পৰ্কে সংবিধানে ১১ টা কৰ্তব্য দাঙি ধৰিছে। সেই কেইটাৰ ভিতৰত —

(১) সংবিধান মানি চলা আৰু জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি শ্ৰদ্ধা প্ৰদান কৰা।

(২) দেশৰ স্বাধীনতা অন্দোলনক অনুপ্ৰাণিত কৰা, মহান আদৰ্শ সমূহ পোষণ আৰু অনুসৰণ কৰা।

(৩) ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষা কৰা।

(৪) দেশখন ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই দেশৰ সেৱা আগবঢ়োৱা।

এই চাৰিটা কৰ্তব্যক প্ৰধান বুলি ধৰি লোৱা হৈছে। এই কৰ্তব্যসমূহে ১৯৭৬ চনৰ ১৮ ডিচেম্বৰ তাৰিখে সাংবিধানিক আইনৰ মৰ্যাদা লাভ কৰে।

ওপৰত উল্লেখ কৰা ইমানবিলাক স্বাধীনতা আৰু অধিকাৰ পোৱাৰ পিছতো আমাক আকৌ স্বাধীনতা লাগে তাৰমানে এখন ৰাষ্ট্ৰয় যিমান পাৰে সিমান স্বাধীনতা দিয়ক যাতে "কেঁকোৰাৰ পোৱালি" মাকৰ দৰে যাতে ভাৰত নামৰ ৰাষ্ট্ৰখন নিশেষ হৈ যায়। কিয়নো মৌলিক কৰ্তব্যসমূহ যদিও সন্নিবিষ্ট কৰা হৈছে এইবিলাক আদালতৰ দ্বাৰা বিচাৰাধীন নহয়। ভাৰতৰ সংবিধান নামনো বুলি ক'লেও তেনে ব্যক্তিৰ বিৰুদ্ধে আদালতে কোনো শাস্তি বিধান কৰিব নোৱাৰে। এই কৰ্তব্যসমূহ আদৰ্শগতভাৱে প্ৰয়োজন হৈ আছে।

বৰ্তমানৰ ভাৰতীয় কিছু লোকৰ আৰু সম্প্ৰদায়ৰ আধিক স্বাধীনতাৰ দাবী কৰা অৰ্থ হৈছে নিয়ম ভংগ বা সাংবিধানিক আইনৰ নিয়ম ভংগ কৰাৰ স্বাধীনতা। এখন বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ; বিশ্বৰ সৰ্ববৃহৎ যাৰ সংবিধান তাৰেই নাম ভাৰত ৰাষ্ট্ৰ। আৰু এখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰ; ইয়াৰ পৰা স্বাধীনতা বিচৰা মানে দেশক খণ্ড কৰা আৰু ঐক্য, সংহতি বিন্যস্ত কৰা। এই বিপদজনক দেশ বিৰোধী বিচ্ছিন্নতা ভাবধাৰাৰ উৎস সমূহ ক'ৰপৰা উদ্ভৱ হৈছে?

**সংবিধানৰ অধিকাৰ সম্পৰ্কে (.....)ঃ-** আমি NRC ৰ ........ হিচাপে কাম কৰি গম পালো যে বহু ঠাইৰ বহুলোক বিশেষকৈ মহিলা লোকে সংবিধানৰ অধিকাৰৰ কথা বাদেই নিজৰ দেশৰ নাম নাজানে। এইটো আমাৰ দুৰ্ভাগ্য। অৰ্থাৎ দেশৰ নাগৰিকক দেশৰ পৰিচয় আৰু সংবিধানৰ অধিকাৰৰ অভিজ্ঞতা বা সজাগতা প্ৰচাৰ কৰাটো বহুতো প্ৰয়োজন আছে।

**স্বাধীন কাশ্মীৰঃ-** আমি সকলোৱে জানো যে জম্মু আৰু কাশ্মীৰ ভাৰতৰ অভিন্ন অংগ। কিন্তু ভাৰতৰ এচাম লোক আৰু যুৱকে '(free Kashmir) বক (—) কৰি প্ৰতিবাদ কৰে। ভাৰতীয় সেনাৰ ওপৰত শিল বৰষে। তেওঁলোকে ভাৰতৰ সংবিধানক নামানে।

আংশিক ৰাজনৈতিক দ'লঃ- ভাৰতৰ কিছুমান এনেধৰণৰ বিচ্ছিন্নতাবাদী ৰাজনৈতিক দ'ল আছে, যিবিলাকে ভাৰত ৰাষ্ট্ৰ খনক অস্থিৰ কৰিব বিচাৰে। ভাৰত ৰাষ্ট্ৰ অস্থিৰ হ'লে বিদেশৰ আদৰ্শ আৰু ৰাজনৈতিক ব্যৱস্থা বাহাল কৰাত সুবিধাজনক হ'ব।

**প্ৰচাৰ মাধ্যমঃ-** প্ৰচাৰ মাধ্যম হৈছে নিৰপেক্ষ, কিন্তু ৰাষ্ট্ৰবাদী হোৱাটো অৱশ্যক। কিন্তু দেখা যায় প্ৰচাৰ মাধ্যম অধিক নিৰপেক্ষ হ'বলৈ গৈ দেশক সংকটত পেলোৱাৰ দেখা যায়। সৰু-সৰু সাম্প্ৰদায়িক দলৰ নেতাৰ বক্তব্যক প্ৰচাৰ কৰি সেই সম্প্ৰদায় লোকৰ মনোবল বঢ়োৱা দেখা যায়।

**বুদ্ধিজীৱী লোকৰ ভূমিকাঃ-** আদৰ্শ, চিন্তন আৰু বুদ্ধিদীপ্ত লিখনী আৰু পন্থ সদায় ৰাষ্ট্ৰৰ সুৰক্ষাৰ হেতু আৰু মানুহৰ কল্যানৰ হকে হোৱাটো উচিত। কিন্তু বহু বুদ্ধিজীৱী লোক ৰাজনৈতিক দলৰ ক্ষুদ্ৰ (—) বিপথে চলোৱা দেখা যায়।

**ৰাজনৈতিক দ'লঃ-** অধিক সংখ্যক ৰাজনৈতিক দলৰ লক্ষ আৰু উদ্দেশ্য হৈছে দেশ আৰু ৰাজ্যৰ ক্ষমতা দখল। ৰাষ্ট্ৰৰ উন্নয়ন আৰু বিভিন্ন লোকৰ মাজত সংহতি সাধন তেওঁলোকৰ কাম্য নহয়। উদাহৰণস্বৰূপে বিশেষ সম্প্ৰদায় লোকক লৈ ৰাজনৈতিক দ'ল গঠন কৰাটো ৰাষ্ট্ৰৰ সুৰক্ষাৰ কাৰণে বিপদজনক। সেইকাৰণে বিশেষ সাংবিধানিক প্ৰয়োজন হ'লে তেনেধৰণৰ ৰাজনৈতিক দ'ল গঠন কৰাত বাধা দিয়াটো অতিকৈ প্ৰয়োজন।

**বিদেশী এজেন্সিঃ-** ভাৰতীয় লোকে স্বাধীনতা

পোৱাৰ ৯২ বছৰ হ'লেও ভাৰতৰ পৰা কিছু লোকৰ গোলামি চৰিত্ৰ আতৰ হোৱা নাই। এই লোক বা এই শক্তি সমূহে মাটি, পানী, অন্ন আৰু বাসস্থান গ্ৰহণ কৰি ভাৰত ৰাষ্ট্ৰক খণ্ড-খণ্ড কৰিবলৈ বিদেশী ৰাষ্ট্ৰক বাৰ্ত্তা প্ৰেৰণ কৰে।

এনেবোৰ কাৰণত কোৱা হৈছে যে ভাৰতীয় নাগৰিকৰ অধিকাৰ সমূহ নিৰংকুশ নহয়। চূড়ান্ত বা নিৰংকুশ স্বাধীনতাই নাগৰিকৰ মাজতেই সংঘই কঢ়িয়াই আনিব। বিচাৰ কৰিবলৈ কোনো আদালতৰ প্ৰয়োজন নাথাকিব। আমাৰ সংবিধানৰ মৌলিক অধিকাৰ সমূহৰ তাৎপৰ্য আৰু আইনৰ বৈধতাৰ অনুসৰি কিছুমান যুক্তিপূৰ্ণ বাধা ইয়াৰ ওপৰত লগাব পাৰি। বিভিন্ন ধৰণৰ মোকদ্দমাত দিয়া (—) আৰু সংবিধান বিশেষজ্ঞ সকলে এই কথা মানি লৈছে। যুক্তিপূৰ্ণ বিষয়সমূহ হৈছে এনেধৰণৰ। যদিও কোনো লোকে স্বাধীনতা অধিকাৰ প্ৰয়োগ কৰোতে সীমা চেৰাই যায় তেন্তে তেনেক্ষেত্ৰত চৰকাৰী আইনী ব্যৱস্থাই বিহিত শাস্তি দিব পাৰে। সেই সীমাবদ্ধতা সমূহ হৈছে—

(১) কোনো ভাৰতীয় নাগৰিকে আন এজন নাগৰিকক কুৎসা বা দুৰ্নামজনক বক্তব্য দিব নোৱাৰিব।

(২) মিছা অপবাদ বা গ্লানি কৰিব নোৱাৰিব।

(৩) অধিক গুৰুত্ব কথাটো হৈছে যে, কোনো নাগৰিকে ভাৰতৰ বিৰুদ্ধে দেশদ্ৰোহ বা ৰাষ্ট্ৰদ্ৰোহ আচৰণ, কাৰ্য কৰিব নোৱাৰিব।

(৪) কাৰুৰে বিৰুদ্ধে (—) বক্তব্য ৰাখিব নোৱাৰে।

(৫) অপভাষা বা অপশব্দ নিষিদ্ধ কৰা হৈছে।

(৬) কোনো শিশুৰ হৈ নিৰ্লজ্জতা বা অশ্লীলতা আচৰণ নিষিদ্ধ কৰা হৈছে।

(৭) বেশ্যাৰ সুলভ বা নিজাল কথাৰ বৰ্ণনা কৰিব নোৱাৰে।

(৮) অতি মূৰ্খতা আইন বিৰোধী।

(৯) আইনবিহীন কাৰ্য কৰিব নোৱাৰে।

(১০) অবৈধ আচৰণ দেখুৱাত বাধা।

(১১) কোনো নাগৰিকে আন নাগৰিকক জীৱন মৃত্যু ভাবুকি আইন বিৰুদ্ধ।

(১২) বাণিজ্য ফাঁকি দিব নোৱাৰে।

(১৩) ব্যক্তিগত বৌদ্ধিক সম্পত্তিত হাত দিব নোৱাৰে।

(১৪) কোনো ভাৰতীয় নাগৰিকে আন এজন নাগৰিকৰ মান সন্মান বিনষ্ট কৰিব নোৱাৰে।

এনেদৰে দেখা গ'ল ওপৰত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত চৰকাৰী প্ৰশাসনে এজন নাগৰিকৰ মৌলিক অধিকাৰৰ ক্ষেত্ৰত যুক্তিপূৰ্ণ বাধা নিষেধ আৰোপ কৰিব পাৰে। আটাইকেইটা বিষয়ৰ ভিতৰত দেশদ্ৰোহ বা ৰাষ্ট্ৰদ্ৰোহ অতি ভয়ানক আৰু বিপদজনক আচৰণ। এনে আচৰণ কোনোৱে নিবিচাৰে। আনকি পৃথিৱীৰ কোনো দেশৰ সংবিধানে এনে অধিকাৰ প্ৰদান নকৰে যিয়ে ৰাষ্ট্ৰদ্ৰোহ কৰিব পাৰে। বাকী বিষয়সমূহো অতিকৈ স্পৰ্শকাতৰ। আমি কাৰোৱে অধিকাৰ আৰু স্বতন্ত্ৰতাৰ ওপৰত হাত দিব নাপায়। তেতিয়াই সমাজৰ সংঘাত আহে। সেয়ে, সকলোৱে মিলিজুলি সংবিধান আৰু ৰাষ্ট্ৰক সন্মান জনায় ব্যক্তিত্ব বিকাশত আগুৱাই যোৱা উচিত। আমি সকলোৱে মনত ৰাখিব লাগিব ৰাষ্ট্ৰ থাকিলেহে স্বধীনতা থাকিব। ৰাষ্ট্ৰ অস্থিৰ হ'লে বা পৰাধীন হ'লে আমাৰ গোলামি জীৱন পুনৰ আৰম্ভ হ'ব। সেইটো কোনেও নিবিচাৰে। ভাৰত এখন মানৱতাবাদী ৰাষ্ট্ৰ। ইয়াত কেৱল স্বধীনতা আছে এনে নহয়। ভাৰতত আছে এজন প্ৰকৃত মানৱ হোৱাৰ শিক্ষা। এই শিক্ষা বৰ্তি থাকিলে বিশ্বত শান্তি বিৰাজমান হ'ব। কাৰণ আমাৰ সভ্যতা আৰু সংস্কৃতিয়ে কৈছে যে গোটেই বিশ্বখন আমাৰ অপোন পৰিয়ালৰ নিচিনা। আমি সকলোৱে বিশ্বৰ নাগৰিক। সেয়ে, ভাৰত ৰাষ্ট্ৰক মজবুত কৰি ৰখোৱাটো আমাৰ সকলোৱে পৰম কৰ্তব্য।

***

# শূন্যতা ডট কম্

ড° বৃষ্টি কলিতা

' ইউ ৱো নট টু লীড লাইক দিছ্ লাইফ ' অকস্মাতে অবিনাশৰ মুখেৰে ওলাই আহিল।

প্ৰাপ্তি মৌন। যেন এটা শব্দও তাইৰ কাণত বাজি উঠা নাই।

'ৰিয়েলি য়্যাৰ' - অবিনাশে আকৌ মুখ খুলিলে।

'এইছে এক স্মাইল মে ইতনে দৰ্দ কেইছে চুপা লেতে হো তুম?'

এসাগৰ মৌনতা । যেন মন্ত্ৰমুগ্ধ হৈ কেৱল মোবাইল ফোনৰ সিটো মূৰৰ পৰা ভাঁহি অহা শব্দৰ খলকনিবোৰ সামৰি ল'বৰ চেষ্টা কৰিছে। কেনেকৈ বুজাব তাই অবিনাশক? কেনেকৈ?? কিমান শক্তিশালী আৰু চহকী হ'লে সকলোৰে অলক্ষিতে এখন মুখা সাজি মেৰিয়াই ঘুৰি ফুৰিব পাৰি সেই কথা অবিনাশক বুজাই ক'ব পৰা হ'লে ঙ্গ কলিজাৰ চাৰিচুক সামৰি উতলি থকা আগ্নেয়গিৰিৰ অসহনীয় বিলাপ কেনেকৈ ৰুধিব পাৰি সেই দৃশ্যপট অবিনাশক দেখুৱাব পৰাহেতেনঙ্গঙ্গ

এৰাঙ্গ এই 'হ'লে' 'হেতেন' শব্দবোৰ বৰ ভয়ানক হৈ ধৰা দিয়েহি কেতিয়াবা । কেতিয়াবা এই শব্দবোৰ সমাধিষ্ঠ কৰিবলৈ বৰ মন যায় প্ৰাপ্তিৰ। এফালৰ পৰা সকলোবোৰ টানি-আজুৰি ছিঙি পেলাবলৈ ভীষণ মন যায়। কিন্তু নহয়গৈ। একোৱেই কৰা নহয়গৈ। সকলো বৃথা আস্ফালন হৈ ৰয়। মাথো মোবাইল ফোনত ডায়েল হয় এক বিশেষ নম্বৰ ঃ ঋত, প্লিজ চ্যে চামথিং না '......

ঋত । অবিনাশৰ মৰমতে মতা নাম। অবিনাশেই এদিন কৈছিল প্ৰাপ্তিক মৰমতে এটা নাম দিবলৈ। তাইও বহুত ভাবি-গুণি তাক দুটা নাম দিছিল । দুয়োটাৰ মাজৰ পৰা ঋত নামটো সি নিজেই পছন্দ কৰি লৈছিল।

সেইদিনা সি আবেগতে প্ৰাপ্তিক কৈছিল .....

'ঋত উইল অলৱেজ ৰিমেইন অন্‌লি ফৰ ইউ প্ৰাপ্তি ....'

তাইৰ দুচকু সেমেকি উঠিছিল। এনেকৈয়ো ক'ব পাৰিনে অচিনা অজানা এজনক? ক'ব পাৰিনে সকলো থকাৰ পাছতো সীমাৰ জেওৰা ভাঙি এনেকৈ? পাৰিনে ক'ব ? পাৰিনে??

প্ৰাপ্তিৰ দুচকুৰে তৰপে তৰপে বাগৰে কপাহ কোমল হৃদয়ৰ অযুত বিননি......

অহৌবলীয়া মনটো হাহাকাৰ কৰি উঠে কিবা এটা বিচাৰি। কি বিচাৰি সেয়া তাই নিজেও নাজানে।

স্বাভাৱিক হৈও যেন সকলো অস্বাভাৱিক হৈ উঠে।

কিবা এক অজানা শিহৰণে শৰীৰটো এফালৰ পৰা আঁচুৰি যায়।

প্ৰাপ্তি নিতাল মাৰে।

মনক বুজনি দিয়ে।

গতিশীল জীৱনৰ মিশ্ৰিত কোলাহলবোৰ নৈঃশব্দৰ কোলাত এৰি দিবলৈ চেষ্টা কৰে।

এৰাঙ্গ আবতৰীয়া বতাহজাক উশাহৰ সৈতে সামৰি প্ৰাপ্তিৰ যাত্ৰা আৰম্ভ হয় এটা শেষ নোহোৱা বাটেৰে।

বিষাদৰ জুপুৰীটো হতাশা-যন্ত্ৰণাৰে আৰু বেছি মজবুত কৰিবলৈকে যেন প্ৰাপ্তিয়ে আকোঁৱালি লৈছিল অবিনাশৰ অৱস্থিতিক। ধূলিয়ৰি পথটো এৰি বিশ্ববিদ্যালয়খনৰ প্ৰৱেশ-পথৰ বাওহাতৰ কেঁকুৰিটো ঘুৰোতেই মুখামুখি হৈছিল অবিনাশৰ সৈতে। দহদিনীয়া কৰ্মশালাখনলৈ অংশগ্ৰহণৰ বাবে যোৱা প্ৰাপ্তিৰ সৈতে উপযাচিয়ে চিনাকী হৈছিল অবিনাশে।

'গুড মৰ্ণিং মেডাম'

'সুপ্ৰভাত' নিজৰ ভাষাটোৰ প্ৰতি অত্যাধিক প্ৰীতি হেতু প্ৰাপ্তিয়ে অসমীয়াতে প্ৰতিসম্ভাষণ জনাইছিল।

'ইউ আৰ ফ্ৰম হুইচ্ কলেজ?'

'দিখৌমুখ'- সম্পূৰ্ণ পৰিচয় নিদিয়াকৈ মাথো এটা শব্দৰে নিজৰ কলেজখনৰ কথা কৈছিল তাই । বেচ চিনা পৰিচয় নহ'লৈ প্ৰাপ্তিয়ে সহজে কাৰোৰে সৈতে মত বিনিময় নকৰে।

'ইওৰ ন্যাম্ প্লিজ' - যেন লানি নিছিগা প্ৰশ্নৰ ধাৰ অব্যাহত ।

'প্ৰাপ্তি' - অনিচ্ছাকৃত অথচ ভদ্ৰতাৰ খাতিৰতে প্ৰাপ্তিয়ে নিজৰ পৰিচয় দিছিল। কিয়নো নিয়মানুবৰ্তিতাৰ খাতিৰতে কৰ্মশালাত অংশগ্ৰহণ কৰা সকলোৰে পৰস্পৰৰ স'তে পৰিচিত হোৱাটো এক প্ৰকাৰ বাধ্যতামূলক। সেইসুত্ৰেই প্ৰাপ্তিয়ে যথাসম্ভৱ সৌজন্যতাৰে দুই-এটা সংক্ষিপ্ত শব্দৰে নিজৰ চিনাকী দিয়াৰ বাদে অন্য বাৰ্তা বিনিময়ৰ পৰা বিৰত আছিল।

'মাইচেল্‌ফ অবিনাশ, অবিনাশ চক্ৰৱৰ্তী, ফ্ৰম উৰিষ্যা'

অবিনাশ ঙ্গ ক্ষন্তেকীয়া অথচ আকস্মিক পৰিচয়ৰ এই বাৰ্তালাপে প্ৰাপ্তিৰ মগজুত কোনো আলোড়ন সৃষ্টি কৰিব পৰা নাছিল যদিও নামটোৱে যেন হৃদয়তন্ত্ৰীত এক মিঠা আবেশ সিচি গ'ল। এই নামটোৰ সৈতে এক বুজাব নোৱাৰা আকুলতা জড়িত হৈ আছে। যি আকুলতাৰ কোনো নাম নাই। তাই নিজেও নাজানে। কাকো বুজাবও নোৱাৰে।

আকৌ এবাৰ ছন্দায়িত গতিৰে যেন কোনোবাই প্ৰাপ্তিৰ কাণৰ কাষত সুহুৰিয়াইছে। সঁচাকৈ । সঁচাকৈ যেন বুকুৰ চৰাইপোৱালিজাকে কিৰিলি পাৰি উঠিছে।

প্ৰাপ্তিৰ কঁপনি উঠে।

বুকুৰ ভিতৰত একেলগে বাজি উঠে ডবা-শংখ-তালৰ দ্যোতনা.......

ঢপলিয়াই যায় ভিতৰলৈ। বিৰিঙি উঠা ঘামৰ টোপালবোৰ সযতনে মচি নিজৰ আসনত বহেগৈ।

ক্ৰমাৎ সহজ হ'বলৈ চেষ্টা কৰে দূৰ-দূৰণিৰ পৰা কৰ্মশালাৰ বাবে অহা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ সৈতে। দিনটোৰ ছঘণ্টা সময়ত এবাৰো অবিনাশৰ ফালে কেৰাহিকৈও নাচালে তাই। বুকুত শুই থকা সৰিয়হৰঙী সপোনটো সাৰ পাই উঠাৰ ভয়ত সৰহভাগ সময় নোটবুক আৰু কলমটো লৈয়েই ব্যস্ত থাকিল। কিন্তু কিমানলৈ এই আত্মগোপন?

দ্বিতীয় দিনা কৰ্মশালালৈ যাবলৈ সাজু হওঁতেই মোবাইল ফোনৰ স্ক্ৰীণত জিলিকি উঠিল এটা বাৰ্তা -

'ইওৰ ডি পি ইজ্ চো নাইচ, ৰিয়্যালি ইউ আৰ টু বিউটিফুল.....'

নম্বৰটো চালে। অচিনাকী। মেছেজৰ তলতে প্ৰেৰকৰ নাম ঃ অবিনাশ ......

বুকুখন বাজি উঠিল ধক্‌কৈ। আকৌ উঠিল একেই সুৰৰ গুণগুণনি। খপজপকৈ মোবাইলটো বেগত সামৰি ল'লে তাই। কোনো প্ৰয়োজন নাই উত্তৰ দিয়াৰ। কিহৰ খাতিৰত উত্তৰ দিব তাই? কিয়েইবা হয় সি? মাটি খান্দি নিজেই বোকাত ভৰি থ'ব নোৱাৰে তাই।

এবাৰ ভাবিছিল সুধিব নেকি তাক তাইৰ সৌন্দৰ্যৰ গুণগান কৰিবলৈ সিনো কোন? নুসুধিলে। কিবা এটা ক'ব খুজিও কোঁচ খাই অহা জিভাখনৰ মূলতেই যে 'অবিনাশ' নামটি সেয়া বুজিবলৈ তাইৰ বেছি সময় নালাগে।

নিজকে যিমান পাৰে সিমান সযতনে চম্ভালিবলৈ চেষ্টা কৰে প্ৰাপ্তিয়ে। তামবৰণীয়া অসুখ এটাই শৰীৰটো, মনটো এফালৰ পৰা কোঁচ খুৱাই আনে। তথাপি সন্মুখলৈ চাবলৈ লয়। সকলোৰে স'তে কৰ্মশালাৰ চেছনবোৰত মন দিবলৈ চেষ্টা কৰে। কিন্তু নহয়গৈ। দুচকু কেৱল ঘড়ীৰ কাঁটা কেইডালতহে ৰয়গৈ। কিমান সময় আৰু? কিমান সময়??

আঃঙ্গ উশাহবোৰো যেন থমকি ৰয়ঙ্গঙ্গ

সকলোৰে মাজত থাকিও প্ৰাপ্তি এখন নিৰ্জন পৃথিৱীৰ বাসিন্দা হৈ পৰে। নোৱাৰে তাই এনেকৈ। মুঠেই নোৱাৰে। ক'ব নোৱাৰাকৈ সেয়ে ছাগে অবিনাশৰ নম্বৰত গুচি গ'ল ঃ 'থ্যাংক ইউ...'

সেয়াই আৰম্ভণি। অংকুৰিত হ'ল এটা বীজৰ। কি বীজ নাজানে তাই। কিন্তু উপলব্ধি কৰিলে। বুকুৰ কোণত। ক'ব নোৱাৰাকৈয়ে প্ৰাপ্তিৰ ভিতৰৰ পৰা আৰু এজনী প্ৰাপ্তিৰ জন্ম হ'ল। সেইজনী প্ৰাপ্তিয়েই ধীৰে ধীৰে বগুৱা বাই গৈ থাকিল। অবিনাশৰ পিনে। হয়.... গৈ থাকিল।

ইতিমধ্যে চতুৰ্থটো দিনৰ সফল সমাপ্তি ঘটিছিল। প্ৰাপ্তিৰ হেৰোৱা দুচকু কিবা এটা ঘুৰাই পোৱাৰ আশাত উজলি উঠে। দুচকু জাপ খাই আহে। অনুজ্জল প্ৰাপ্তিজনী আকৌ এবাৰ পোহৰৰ আৱেশেৰে জিলিকি উঠে।

এৰাঙ্গ প্ৰাপ্তিৰ জুচকুত সোণ জিলিকে। এয়া যে অবিনাশ আহিছে। তাইৰ নিচেই ওচৰতে আছে অবিনাশ। তাৰ শকত-আবত নোদোকা আঙুলিকেইটাৰে প্ৰাপ্তিৰ নোটবুকত লিখি দিয়ে ঃ

'ইউ ক্যান নট ইৰেজ ইউৰশ্যাল্‌ফ আউট ফ্ৰম মি।'

হয় .... হয় । তাই নোৱাৰে। আৰুনো কেইদিন? গুচি যাবগৈ এহাজাৰ কি.মি. দূৰলৈ। উফৰি পৰিব এই আৱাহনী ক'ৰবাত।

হেইইইই........আঁৰ চকুৰে তাইক লক্ষ্য কৰি থকা অবিনাশে মাত দিলে।

'কাহা খো গয়ে হো তুম?'

প্ৰাপ্তিয়ে মূৰ দাঙি চালে ।

এৰাতো... ক'ত হেৰাই গৈছিল তাই ? তাই যেন গমেই পোৱা নাছিল অবিনাশ তাইৰ নিচেই ওচৰতে আছে। কি উত্তৰ দিব তাই অবিনাশক? ক'ব পাৰিবনে যন্ত্ৰণাৰ চুবুৰিটোত একুৰা জুই জ্বলিব খুজিছে বুলি? পাৰিবনে?

'নো, নো। আই এম থিংকিং এবাউট এছাইনমেণ্ট....'

মিছা মাতিলে তাই । ক'ব নোৱাৰিলে তাই অবিনাশ গুচি গ'লৈগৈ কি হ'ব তাইৰ? নোৱাৰিলে ক'ব। নোৱাৰিলে ক'ব টনটনাই উক দি উঠিব খোজা বুকুৰ বিষটোৰ কথা।

'ইতনা ভী মত চোচো য়্যাৰ। চলো মে বনা দুংগা তুমহাৰা এছাইনমেণ্ট । হেপী না ? অব তো স্মাইল কৰো....'

মৃদু এটি হাঁহি খেলি গ'ল প্ৰাপ্তিৰ দুই ওঁঠৰ মাজত।

গাম্ভীৰ্যৰ পোছাকযোৰ যেন লাহে লাহে খহি পৰিবলৈ ধৰিছে। কেৱল অবিনাশৰ বাবে। হয়, অবিনাশৰ মাত-কথাই তাইৰ বুকুৰ খহনীয়া ভেটিবলৈ চেষ্টা কৰে। উবুৰি খাই পৰে তাই। কেৱল দিনটোৰ সময়কণেই নে? নহয়, নহয়। চৌবিশ ঘণ্টাইও যেন সিহঁতক উশাহ দিব নোৱাৰে ভালকৈ। প্ৰাপ্তিৰ মনৰ সুৰুঙাৰে যেন এই প্ৰথমবাৰলৈ কোনোবা সোমাইছে। দুচকু জাপ খায়। অনুভৱ কৰে সেই শব্দ। আঃ কি মাদকতা। কি আৱাহন

লুকাই আছে তাতঙ্গ প্ৰতিটো শব্দই এটোপা মৌ-জোল হৈ বুকুখন ৰসাল কৰি তোলে।

সময় যিমান বেগেৰে গতি কৰিবলৈ লয়, সেই একে বেগেৰেই প্ৰাপ্তিৰ ভিতৰখনো অস্থিৰ হৈ পৰে। তৃপ্তিবোৰ কিহবাই যেন গিলি পেলাব খোজে। এই যেন গভীৰ নৈৰ পানীত ডুব যাব সুখবোৰ.....

প্ৰাপ্তিৰ এছাইনমেণ্ট, প্ৰকল্প সকলোবোৰ যতন আৰু আদৰেৰে অবিনাশে সাজু কৰি তাইৰ হাতত তুলি দিয়ে। তাই আলোড়িত হয়।

মৃত্যুৰ দুৱাৰদলি গচকি অহা প্ৰাপ্তিয়ে নিজৰ অজানিতে আগুৱাই গ'ল যিমানখিনিলৈ আগুৱাব পাৰি। বিশ্বকৰ্মাৰ নিপুণ হাতৰ পৰশে গঢ় দিয়া শৰীৰটো প্ৰায়বোৰ ৰঙেৰেই আলফুলে সজাই তোলে প্ৰতিদিনে। অবিনাশে লক্ষ্য কৰে। তাৰ চকু থৰ হয় কেৱল নীলা ৰংটোত।

'ব্লু কুইন'......অবিনাশে মুখত হাঁহি এটা লৈ কয়।

'ৱাট আৰ ইউ চেয়িং.....'

প্ৰাপ্তিৰ অপ্ৰস্তুত হৈ পৰা পুৰঠ মুখখন দেখি অবিনাশৰ হাঁহি উঠে। মাদকতাভৰা সেই সময়ে অবিনাশকো উত্ৰাৱল কৰি তোলে। ক'ৰ পৰা ক'লৈ এই যাত্ৰা অবিনাশে নিজেও নাজানে। আৰু মাথো তিনিটা দিনহে বাকী ৰৈছেগৈ। টি ব্ৰেক, লাঞ্চ ব্ৰেক সকলোতে দুয়ো দুয়োকে এৰি দিছে। বিলীন হৈছে উভয়ে উভয়ৰ মাজত।

এখুজি দুখুজিকৈ আগুৱাই গৈছে প্ৰাপ্তিও। এটা জীয়ন হেঁপাহ বুকুত বান্ধি। সকলোৰে তীক্ষ্ণ চকুৰ আঁৰ লৈ অবিনাশ আৰু প্ৰাপ্তিৰ থৌকি-বাথৌ মনৰ ব্যস্ততা বাঢ়ে। ছেছন চলি থকাৰ মাজতে সিহঁত চাটিঙত ব্যস্ত হৈ পৰে। শব্দৰ তৰংগবোৰ এটা মোবাইলৰ পৰা আনটো মোবাইললৈ জপিয়াই যায়। কি আচৰিতঙ্গ ওচৰা ওচৰিকৈ বহি থকাৰ পাছতো স্নেহৰ অপাৰ ঢৌবোৰ এনেকৈয়ো বাগৰিব লাগেনে?

প্ৰাপ্তিৰ চৌপাশে এহাজাৰ সূৰ্যমুখী ফুলি উঠে।

চিএৰি চিএৰি ক'ব মন যায় ......

ৰৈ যা ......ৰৈ যা এই সময়......

সময় নৰ'ল। প্ৰাপ্তিৰ লিহিৰি আঙুলিৰ সমষ্টিৰে কৰা আকুল প্ৰাৰ্থনাক আওকাণ কৰি সময়ে লহিয়ালে। অতি সহজভাবেই তাইৰ অবাধ্য দুচকুৰে টোপটোপকৈ জলতৰংগ বাগৰি আহিল। সেই জলধাৰাই তাইক মহটিয়াই লৈ গ'ল ক'ৰবালৈ। সাংঘাটিক এক যন্ত্ৰণাৰ পৃথিৱীলৈ।

সেই দিনটো কৰ্মশালাৰ শেষৰ দিন। আগনিশাৰে পৰা প্ৰাপ্তিৰ বুকুৰ ভিতৰত বিষাদৰ টুকুৰা-টুকুৰ চিত্ৰই যেন অহৰহ অগা-দেৱা কৰিব লাগিছে। দাড়িম্ব নোবাৰা চকুৰ টোপালবোৰে তাইক যেন বাৰে বাৰে বাট আগচি ধৰিছে। অথচ ৰাতিপুৱালেই তাই কাবোবাৰ বাবে বিদায়ৰ বাঁহী এটি বজাবলৈ নিজক সাজু কৰি তুলিব লাগিব। বুজা-নুবুজাকৈয়ে গঢ়ি উঠা অনুভৱৰ কঁপনি এটা প্ৰকাশ কৰিবলৈ তাই অথবা অবিনাশ কোনো এজনেই আগবাঢ়ি নাহিল। অথচ দুয়োৱে জানে, বুজে সেই অনুভৱৰ অন্য নাম বিঙ্গঙ্গঙ্গ

বুকুত আগ্নেয়গিৰিৰ অসহনীয় বিলাপ সামৰি সুতৰি তাই আহিল কৰ্মশালালৈ। কোঠাত সোমাইয়ে লক্ষ্য কৰিলে অবিনাশৰ উপস্থিতি। নাই ....অবিনাশ নাই। মনটো কেনেবা লাগিল। আজি শেষৰ দিনাখনো সি এনেখন কৰিব লাগেনে? তাইতকৈ আগতেই আহি অন্ততঃ অবিনাশে সিহঁতৰ আচুতীয়া ঠাইকণ অধিকাৰ কৰি ল'ব নালাগিছিলনে? কথাবোৰ ভাবি থাকোতে কেতিয়ানো অবিনাশে আহি তাইক মাতিলেহি তাই গমেই নাপালে। অবিনাশৰ লগে লগে তাইৰো খোজে ছন্দ ল'লে।

'ইতনা দেৰ লগা দিয়া তুমনে .....কিয়ো?'

'নহী তো'.....অবিনাশে বুজিছিল এয়া যে কেৱল অভিমান। কিন্তু সি নিৰ্বিকাৰ। জাপ খাই থকা বুকুৰ

গলিৰে প্ৰাপ্তিক সুমুৱাই ল'বও নোৱাৰে....অথচ যাওঁ বুলি ক'লেই বিদায় জনাবও নোৱাৰে। কোনটো কৰিব সি? কোনটো? সকলো জানি বুজিও, হয়তোবা নজনাৰ ভাও জুৰিয়ে সি আজি গুচি যাবগৈ। হয়তোবা হিমচেঁচা কলিজাটোৱে বাৰে বাৰে প্ৰাপ্তিৰ উম বিচাৰি তাক জপটিয়াই ধৰিব.....হয়তোবা তাইৰ লগতো একেটাই হ'ব। কিন্তু কোনেও নাজানিব পিয়াহত ছটফটাই থকা আকংক্ষাৰ অবাধ্য বতাহজাকৰ কথা.....

'হেইইই........হয়েৰ আৰ ইউ..?'

'প্ৰাপ্তিঙ্গঙ্গঙ্গ' অবিনাশৰ তন্ময় দুচকুৱে কিবা এটা ক'ব খুজিও পৰা নাই।

'কুচ্ কেহনা চাহতে হো?' প্ৰাপ্তিয়ে জানিও সুধিলে। অথচ তাই জানে যেনি তেনি বাগৰি আহিব খোজা উন্মাদনাৰ কথা.....

নাই..অবিনাশে ক'ব নোৱাৰে। ইমানদিনে সযত্নে উশাহত উজাই লৈ ফুৰা সেই সুগন্ধিৰ কথা সি নকয় প্ৰাপ্তিক। লৈ যাব নিচালগা সেই সুবাস বুকুত বান্ধি য'ৰ পৰা আহিছিল ত'লৈকে।

জীৱনৰ আটাইতকৈ মধুৰতম সময়খিনি সি পেৰাত ভৰাই সামৰি ৰাখিব। কাকো উমান পাব নিদিয়ে। আনকি পলিকো। যাৰ সৈতে জীৱনৰ বাকী বসন্ত একেলগে কটোৱাৰ প্ৰতীজ্ঞা কৰি ৰাখিছে সি। সকলোৰে অজানিতে অবিনাশে সজাই ৰাখিব অনিন্দ্যসুন্দৰ সেই ভাবৰাশিৰ সমষ্টি।

'প্লিজ গিভ মি ইওৰ নোটবুক....'

'নোটবুক? ' অবিনাশে প্ৰাপ্তিৰ ফালে চাই সুধিলে।

'ইয়েছ চাৰ.'...প্ৰাপ্তিয়ে ৰসিকতা কৰি যেন জোৰকৈয়ে হাহিব বিচাৰিছে। কাৰো সৈতে ভগাই ল'ব নোৱাৰা যাতনাবোৰে তাইক যে হাঁহিবলৈও বাধা দিছে সেয়া অবিনাশে বেছ বুজিছে।

সি নোটবুকখন আগবঢ়াই দিলে তাইলৈ.....য'ত তাই লিখিলে...

'এটি তপত সন্ধ্যা

তোমাৰ নামত কটাব পৰা হ'লে ভালেই আছিল....

সীমাৰ পৰিধি ভাঙি দেখুৱালোহেতেন

কিমান হাবিয়াস থাকিলে

অতিক্ৰম কৰিব পাৰি

শৃংখলাৰ সুউচ্চ মজবুত দেৱাল....'

'কিয়া লিখ ৰহে হো য়্যাৰ....'অবিনাশে একো নুবুজিলে....'প্লিজ ট্ৰেন্সলেট দ্যা লাইন....'

'নো..'জব মেৰী য়্যাদ আয়েগা তব না য়ে লাইন পঢ় লেনা তুম..' প্ৰাপ্তিয়ে অবিনাশৰ ফালে নোচোৱাকৈয়ে ক'লে।

'মুঝে তো কুচ সমঝমে নহী আয়েগা....'

'ৱহী তো..... হমাৰী ৰিস্তা ভী এইচা হী হ্যায় না....' প্ৰাপ্তিয়ে যেন কিবা বুজাব বিচাৰিছে অবিনাশক। তাইৰ চৌপাশে হকে বিহকে ঘূৰি ফুৰা হুমুনিয়াহবোৰ চেপি খুন্দি তাই বুজাব বিচাৰিছে আচলতে সৰাপাতবোৰৰ মাজতো লুকাই থাকে এক বিচিত্ৰ আংগিকময় পটভূমি।

অবিনাশে কি বুজিলে তাই নাজানে। আৰু বেছি বুজাবৰ চেষ্টাও তাই নকৰিলে। সময়েও তাইক ইতিকিং কৰিবলৈ লৈছিল। কিয়নো ঘড়ীৰ কাঁটাই সংকেত দিছিল দহদিনীয়া এই সংযোগৰ ইতি পৰিবলৈ আৰু মাথো দুঘণ্টা বাকী আছেগৈ।

আঃঙ্গ এই যে সময়....আৰু ভাবিবলৈ অপাৰগ হৈ উঠে তাই। কেৱল বুকুৰ মাজত ৰিণি ৰিণি বাজি উঠে অসহায়বোধৰ জেলুকনি লগা সুৰ এটি।

এৰি দিয়া নাই তাই অকণো। দুহাত মেলি স্পৰ্শ কৰিব খোজে অবিনাশৰ নোদোকা আঙুলিকেইটা। আকৌ বৈ যায়। বুকুৰে বৈ যায় কষ্টকৰ সিৰসিৰণি এটা। তথাপি তাই অবিনাশৰ বাবে জী থাকিব খোজে আৰু কিছু পৰ.......

অস্থিৰতাবোৰ বাঢ়ি অহাৰ ক্ষণতে চাৰ্টিফিকেটবোৰ বিতৰণ কৰা হৈছিল। অবিনাশ আৰু তাই একে গ্ৰেড লাভ কৰিছিল। তাইতকৈ বেছি আস্বস্ত হৈছিল অবিনাশ। তাইৰ বাবে অবিনাশৰ চিন্তাৰ অদ্ভুত মায়া তাইৰ তেতিয়াহে চকুত পৰিছিল। আকৌ এবাৰ মোহাচ্ছন্ন হৈছিল তাই। অবিনাশৰ মাজত থকা সন্মোহিনী শক্তিক তাই জুখিব বিচাৰিছিল। কিন্তু সংকুচিত তাই.....

ইতিমধ্যে বিদায় পৰ্বৰ আৰম্ভণি হৈছিল। সকলোৱে ব্যস্ত হৈ পৰিছিল বন্ধুত্বৰ এনাজৰীৰ বান্ধোনক সচিত্ৰ ৰূপেৰে স্থায়ী কৰাৰ বাবে। অবিনাশ আৰু প্ৰাপ্তি অনাহকত ইফালে সিফালে ঘুৰি ফুৰিছিল। ৰাশি ৰাশি কজলা ডাৱৰৰ মাজত যেন দুইটা বুৰ গৈ আছিল। মুখেৰে মাত নোলায়। অথচ চকুৰে মুখে অজস্ৰ শব্দৰ মেটমৰা সম্ভাৰ কঢ়িয়াই দুয়ো কোঠাৰ ভিতৰতে পায়চাৰি কৰি ঘুৰি ফুৰিছে। এ.চি. ৰ শীতল বতাহজাকেও সিহঁতক সুচল উশাহ অকণ যেন দিবলৈ অক্ষম হৈছে।

ইতিমধ্যে এজন এজনকৈ সকলোৱে ঘৰমুৱা হ'বলৈ আৰম্ভ কৰিছিল। ভাল লগা, বেয়া লগা আটাইবোৰ স্মৃতি সামৰি দ্বিধাবিভক্ত মন এটা লৈ প্ৰাপ্তিয়েও বেগটো কান্ধত লৈছিল। দুৱাৰমুখৰ পৰা কোনেও নুশুনাকৈ অবিনাশক কাণে কাণে কৈ গ'ল - 'ঋত, আই উইল কাম টু ষ্টেচন.....উইল মিট ইউ দিয়াৰ....'

'অ' কে...'

লৰালৰিকৈ তাই ঘৰলৈ বুলি গাড়ী লৈ ওলাই আহিল। নেদেখা হৈ পৰা দূৰত্বলৈকে তাই চাই আহিল অবিনাশৰ নিমাখিত চকুহাল। হৃদয়ৰ পৰা হৰহৰাই ঢল ভাঙি বৈ আহিল বিশৃংখল অশ্ৰুজল। বন্ধ হোৱাৰ যেন কোনো লক্ষণেই নাই ।

ঘৰ পায়েই লৰালৰিকৈ কাপোৰসাজ সলাবলৈ লওঁতেই দুৱাৰৰ এটা চুকত লাগি সোঁহাতৰ আঙুলিটোৰ নখটো আধালৈকে এৰাই গ'ল। তেজৰ বন্যাই তাইৰ হাতখন ধুৱাই নিলে। তথাপি তাই নৰ'ল। আঙুলিটো ভালকৈ বান্ধিবৰ বাবেও তাইৰ হয়তো সময় নাছিল। কেনেবাকৈ পলম হ'লেই যে তাইৰ হৃদয়ৰ এফাল গুচি যাবগৈ। ধূসৰ ধূমায়িত হৈ ৰ'ব তাইৰ মনৰ আকাশ। বেগতে কপাহ অকণ লৈ তাই আকৌ লৰ দিলে। লক্ষ্য মা'থো ষ্টেচন।

তাইৰ প্ৰিয় দোকানখনৰ পৰা ভাললগা মিঠাই কেইটামান লৈ তাই অবিনাশৰ ওচৰ পালেগৈ। অবিনাশ তাইৰ বাবে বৈ আছিল। যেন তাৰ হেঁপাহৰ প্ৰাণময়ীক আতোল-তোলকৈ আদৰি নিব। অবিনাশে তাইক ষ্টেশ্যনৰ ভিতৰলৈ লৈ যাব বিচাৰিলে। তাইৰ কিন্তু মন নগ'ল সেই মনোমোহা সময়খিনি আন কাৰোবাৰ উপস্থিতিৰে অসুন্দৰ কৰি তুলিবলৈ। তাতকৈ তাই নিৰ্জন ঠাই এটুকুৰাকে পোৱা হ'লে নিভাঁজ আকুলতাবোৰ সামৰি ৰাখিবৰ বাবেঙ্গ

'ঋত চলো না ৱহা চলতে হ্যে...তুমহে কুচ খিলাতে হ্যে...'সন্মুখৰ এ.চি ৰেষ্টুৰেণ্টখনৰ ফালে চাই তাই অবিনাশক ক'লে।

'অ' কে...এজ ইউ উইছ্ ....'

দুয়ো সোমাই গ'ল। একো খাবলৈ নহয়। অথচ অবিনাশে তাৰ প্ৰিয় ডিচ্ ৰ অৰ্ডাৰ দিলেই।

অবিনাশ তেনেই শান্ত সমাহিত হৈ আছে। অথচ প্ৰাপ্তিৰ ভিতৰখন গুজৰি গুমৰি আছে। যেন নকৈ গথা দেৱালখনৰ ইটাবোৰ টুকুৰা টুকুৰকৈ খহিবলৈ লৈছে। কিছু নীৰৱ ক্ষণ....তাৰ পাছ মুহূৰ্ততে প্ৰাপ্তিৰ দুই ওঠেৰে হো-হোৱাই নামি আহিল তাইৰ একালৰ জীৱনসংগী 'অবিনাশ'ৰ অদ্ভুত চৰিত্ৰৰ অসুন্দৰ পোছাকযোৰৰ অবৰ্ণনীয় মৰ্মগাঁথা। যিয়ে নেকি তাইৰ জীৱনটো এফালৰ পৰা খুন্দি-থেতালি তাইক ভগ্নপ্ৰায় ৰূপত এৰি থৈ গৈছিল। সেই তেতিয়াৰে পৰা আজিলৈকে এক দূৰন্ত সাহসৰ প্ৰতীক হৈ প্ৰতিটো খোজতে খুন্দা-খুন্দলি খাই তাই নিজক লৈ এক সুকীয়া পৰিবেশৰ জন্ম দিবলৈ

চেষ্টা কৰি আহিছে। বিষাদঘন ছায়াবোৰ আঁতৰাই জীৱনৰ পাগলদিয়াক সামৰি-সুতৰি লোৱাৰ কথাবোৰ তাই যিমান পাৰে অবিনাশ ওৰফে ঋতক ক'বলৈ চেষ্টা কৰিলে। সেয়ে হয়তো নকৈ ওপজা এই মধুময় অনুভৱৰ টোপোলাটো সযতনে ৰাখিবৰ বাবেই তাই অবিনাশক 'ঋত'ৰ মাজতহে বিচাৰিবৰ চেষ্টা কৰিছিল।

একেলগে ইমানবোৰ কথা কৈ তাই দীঘলকৈ নিঃশ্বাস এটা এৰিলে। যেন খহাই পেলালে জীৱনৰ সকলো গোপনতা অবিনাশৰ ওচৰত। অবিনাশ ওচৰ চাপি আহিল। হয়তোবা সেই নিঃশ্বাসক কাহিনীৰ সামৰণি বুলিয়েই ভাবি ল'লে সি।

অবিনাশে তাইক জোৰকৈ অকনমান খুৱাবৰ বাবে চেষ্টা কৰিলে। তাই খাব পৰা নাই। মূৰ তুলি চাব পৰা নাই একোৱে। হৃদয়খন যেন তেজৰ নৈ হৈ বৈ আহিছে। অবিনাশে মাথো মূৰ জোকাৰিছে। যেন সেই ইংগিততেই লুকাই আছে যাতনা লাঘৱ কৰাৰ গভীৰ অৰ্থ।

বাৰে বাৰে প্ৰাপ্তিৰ মনত এটা কথাই খুন্দিয়াই আছে। কিহবাৰ তাড়নাত একো নভবাকৈয়ে আকোৱালি লোৱা অবিনাশ যাবগৈ। এৰাঙ্গ যাবলগীয়াজনটো যাবই। তেন্তে কিহৰ বাবে এই আস্ফালন? জীৱন যাতনাৰ বাবেই যে। আনৰ বাবে নহ'লেও অন্ততঃ তাইৰ বাবে।

ইতিমধ্যে ঘোষণাই কাণত টুকুৰিয়াইছিল। বেছি সময় নাই। সকলোকে প্লেটফৰ্মত ৰ'বলৈ কোৱা হৈছে। অবিনাশে তাইৰ ফালে চালে । তাইও চালে। কম্পন....সমগ্ৰ দেহত কম্পন......এবাৰ ভাবিছিল কৈ দিব নেকি....ক'ব নেকি তাক হৃদয়দ্বাৰ মেলি দিয়াৰ কথা...

নক'লে। একোৱেই নক'লে তাই। কেৱল আটি আটি বান্ধি ল'লে হেৰাই যাব ধৰা অচিনাকী সুৰটি। কঁপনি বাঢ়ি গৈ আছে। অবিনাশ সাজু হৈছে তাইক এৰিবৰ বাবে। বুকুৰ গহ্বৰত সকলেবোৰ সামৰি-সুমুৰাই তাইও নিজক ক্ৰমাৎ সাজু কৰি তুলিছে বিদায় ক্ষণৰ বাবে। অবিনাশ তাইৰ গাতে গা লগাই খোজকাঢ়ি গৈ আছে। মমত্বৰ উমেৰে চুই চাব খুজিও তাই পৰা নাই এবাৰলৈ তাৰ হাতখন চুই চাব। নোৱাৰিলে অবিনাশ কেৱল তাইৰ বুলি ক'ব। নোৱাৰিলে......

একান্তমনে তাই ৰেলখনলৈ চাই ৰৈছে। অবিনাশে বয় বস্তুবোৰ সামৰি ৰেলখনৰ দুৱাৰত ভেজা দি ৰৈ আছে।। চপচপীয়া দুচকুৰে তাই সাজু হৈছে শেষ মূহূৰ্তটোৰ বাবে। ৰেলৰ দীঘলীয়া উকিটো দুয়োৰে কাণত পৰিছে।

'প্লিজ দু নট ক্ৰাই....উই উইল মিট এগেইন এট দিচ্ চেম প্লেচ....এগেইন...আই প্ৰ'মিজ ইউ প্ৰাপ্তি.'

হয়তো এটি সান্তনা। হয়তো প্ৰতিশ্ৰুতি......

ৰেলখন চলিবলৈ আৰম্ভ কৰিছিল। লাহে লাহে......তাৰ পাছত জোৰেৰে....আৰু জোৰেৰে.......

প্ৰাপ্তিৰ বুকুৰ মাজৰ ক'ব নোৱাৰা আটাইবোৰ আকুলতা চাচি চুচি লৈ অবিনাশ গৈ থাকিল হাতখন জোকাৰি জোকাৰি.........

......................



# ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ পুৰুষ ড° এছ আৰ ৰংগনাথন

শ্ৰী চন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰিক

যি গৰাকী (—) জীৱনজোৰা সাধনা আৰু কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতত ভাৰতৰ গ্ৰন্থাগাৰ বা পুথিভঁৰাল বিজ্ঞানে (Library Science) বিকাশ আৰু প্ৰসাৰতা লাভ কৰি আন্ধি কেৱল ভাৰততে নহয় সমগ্ৰ বিশ্বতে এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছিল সেই গৰাকী আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ব্যক্তি হ'ল ড° শিয়ালী ৰামামৃত ৰংগনাথন। ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° এছ আৰ ৰংগনাথনৰ জন্ম হৈছিল ১৮৯২ চনৰ ১২ আগষ্টত তামিলনাডুৰ টানজুৰ জিলাৰ শিয়ালী গাঁৱৰ এটি অতি দুখীয়া দৈৱজতব্ৰহ্মণ পৰিয়ালত। মাত্ৰ ৬ বছৰ বয়সতে পিতৃহাৰা হোৱা ৰংগনাথনে প্ৰাথমিক শিক্ষা আৰম্ভ কৰে নিজ গাঁও শিয়ালীৰ প্ৰাথমিক বিদ্যালয়ত। তেখেতে ১৯০৯ চনত মুদালিয়া হিন্দু হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি ১৯১১ চনত মাদ্ৰাছ খ্ৰীষ্টিয়ান কলেজৰ পৰা প্ৰথম বিভাগত ইন্টাৰ মেডিয়েট পাছ কৰি ১৯১৩ চনত প্ৰথম বিভাগত স্নাতক ডিগ্ৰী আৰু ১৯১৬ চনত মাদ্ৰাছ বিশ্ববিদ্যালয়ৰ পৰা অংকশাস্ত্ৰত প্ৰথম বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি মাদ্ৰাজৰ বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষকতাৰে নিজত কৰ্ম জীৱনৰ আৰম্ভ কৰে।

ইংৰাজ চৰকাৰে ড° ৰংগনাথন মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অংকশাস্ত্ৰৰ অধ্যাপকৰ পৰা প্ৰথম গৰাকী গ্ৰন্থাগাৰিক হিচাপে মাদ্ৰাজ বিশ্ববিদ্যালয়ত নিযুক্তি দিয়ে। বিশ্ববিদ্যালয় কতৃপক্ষই তেওঁক গ্ৰন্থাগাৰ বিজ্ঞানৰ ওপৰত অধ্যয়নৰ বাবে ইংলেণ্ডলৈ পঠায় আৰু ৯ মাহ ধৰি তেখেতে গ্ৰন্থাগাৰ বিজ্ঞানৰ ওপৰত গভীৰ অধ্যয়ন কৰি ভাৰতলৈ আহি মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক কৰ্মত মনোনিবেষ কৰে।

১৯৩১ চনত তেখেতে "Five Law of Library Science" নামৰ এখন অমুল্য গ্ৰন্থ ৰচনা কৰি ভাৰতত গ্ৰন্থাগাৰ বিজ্ঞানক এক নতুন (যাত্ৰা) প্ৰদান কৰে। ৰংগনাথনে Colon Classification Library Catalogue আৰু Classifide Catalogue Code আদি গ্ৰন্থৰ জৰিয়তে বিশ্বৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ বিকাশৰ ক্ষেত্ৰত নৱজাগৰণৰ সৃষ্টি কৰি এক বৈপ্লাৱিক প্ৰিৱৰ্তন আনে।

পুথিভঁৰালৰ প্ৰতি পঢ়ুৱৈ সমাজক অধিক আকৰ্ষন কৰাৰ উদ্দেশ্য ৰংগনাথনে গ্ৰন্থাগাৰত Open Sheef Access System পদ্ধতি আৰম্ভ কৰে। গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ স্বৰূপ এই গৰাকী

ব্যক্তিৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ ওপৰত থকা অসীম প্ৰতিভাৰ প্ৰতি আকৰ্ষিত হৈ ১৯৪৫ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাৰ্চাৰ্য্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে ৰংগনাথনক বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত যোগদান কৰিবৰ বাবে আমন্ত্ৰণ জনায়। ৰাধাকৃষ্ণনৰ অনুৰোধ মৰ্মে ৰংগনাথনে দুবছৰৰ চুক্তিত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰ বিজ্ঞানৰ মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। ১৯৪৭ চনত ৰংগনাথনে দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে আৰু তেখেতৰ প্ৰচেষ্টাৰ ফলতে দিল্লী বিশ্ববিদ্যালয়ত সেই সময়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু গৱেষনা কৰা সুবিধা আৰম্ভ হয়। ভাৰতবৰ্ষত গ্ৰন্থাগাৰ আইন প্ৰণয়নৰ ক্ষেত্ৰতো ড° ৰংগনাথনৰ অবদান অতুলীয়। ১৯৩০ চনত তেখেতে Model Library Act ৰ খচৰা প্ৰস্তুত কতে। তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, মনিপুৰ, মিজোৰাম, মহাৰাষ্ট্ৰ আদি ৰাজ্যত যি 'গ্ৰন্থাগাৰিক সেৱাবিধি' আইনৰ ব্যবস্থা আছে তাৰ বাটকটীয়া হ'ল ড° ৰংগনাথন। ১৯৫২ চনত UNESCO ৰ সহযোগত ৰংগনাথনে Indian National Scientific Documentation Centre পৰতিষ্ঠা কৰি ভাৰতত গ্ৰন্থাগাৰ বিজ্ঞানলৈ অনবদ্য বৰঙনি আগবঢ়াই থৈ গৈছে। ১৯৫৭ চনত ভাৰত চৰকাৰে ড° এছ আৰ ৰংগনাথনক পদ্মশ্ৰী উপাধিৰে সন্মানিত কৰাৰ লগতে National Research Professor ৰূপে স্বীকৃতি প্ৰদান কৰে। তদুপৰি ড° ৰংগনাথন ক্ৰমে ১৯৩৫ চনত 'কাওচাহিব' উপাধি, ১৯৪৮ চনত দিল্লী বিশ্ববিদ্যালয় আৰু ১৯৬৪ চনত পিটচ্‌বাৰ্গ বিশ্ববিদ্যালয়ে সন্মানীয় 'ডি-লিট' উপাধি প্ৰদান কৰে।

১৯৭২ চনৰ ২৭ ছেপ্টেম্বৰত মহান প্ৰতিভাৰ এই গৰাকী ব্যক্তিৰ ৮০ বছৰ বয়সত বাংগালোৰত দেহাৱসান ঘটে। জীৱনকালত ড° ৰংগনাথনে ৫০ খন মৌলিক গ্ৰন্থ আৰু ৫০০ খন মৌলিক গৱেষণা পত্ৰৰ উপৰিও ভালেমান আলোচনা চক্ৰত অংশগ্ৰহন কৰি তেখেতৰ অমূল্য উপদেশেৰে গ্ৰন্থাগাৰ বিজ্ঞানলৈ অভূতপূৰ্ব বৰঙনি আগবঢ়াই গৈছে। ড° ৰংগনাথনে একক প্ৰচেষ্টাৰে জ্ঞানৰ ভাণ্ডাৰস্বৰূপ গ্ৰন্থাগাৰৰ উন্নতিৰ কল্পে জীৱনটো উৰ্চগা কৰাৰ স্বীকৃতি স্বৰূপে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° ভি ভি গিৰিয়ে ড° ৰংগনাথনক ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃৰ আখ্যা দিছিল।

এই গৰাকী কঠোৰ পৰিশ্ৰমী প্ৰভাৱশালী তথা ব্যক্তিৰ প্ৰতি সন্মান জনাই ভাৰতৰ সকলো প্ৰান্ততে প্ৰতিবছৰে ড° শিয়ালী ৰামামৃত ৰংগনাথনৰ জন্মদিন ১২ আগষ্টৰ দিনতো 'গ্ৰন্থাগাৰিক দিৱস' সিচাপে পালন কৰা হয়।

-o-o-o-

# মায়ং-পবিতৰা

## উত্তৰ-পূব পৰ্যটনৰ এক অনিৰ্বচনীয় ক্ষেত্ৰ

ড° উৎপল নাথ
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ
মায়ং আঞ্চলিক মহাবিদ্যালয়

মানুহ ধাপলি মেলিছে আদিম অনুভূতিৰ অন্বেষণত। প্ৰকৃতিৰ অন্তহীন ৰহস্যই, বুৰঞ্জীযুগৰ মৃৎশিল্প-শৈল ভাস্কৰ্যই, ভিন্ন-ভিন সভ্যতাৰ ভিন-ভিন সাংস্কৃতিক বৈশিষ্টই সময়ৰ সোঁতে সোঁতে মানুহৰ মন মগজুত চিন্তাৰ ঢে.ৰাৰ তুলি আহিছে। নজনাক জনাৰ, নেদেখাক দেখাৰ হাবিয়াসে, অতীত অন্বেষণৰ দুৰন্ত হেঁপাহে মানুহক লৈ ফুৰিছে পৰ্বতে-কন্দৰে, গুহাই-গহ্বৰে, বিশ্বৰ এটা প্ৰান্তৰ পৰা বহুযোজন নিলগৰ অন্য এক সীমান্তলৈ। অনন্দৰ বাবেই হঁওক কিম্বা জ্ঞান অৰ্জনৰ বাবেই হঁওক মানুহে এঠাইৰ পৰা আন এঠাইলৈ কৰা এই ভ্ৰমণৰেই অন্য নাম পৰ্যটন। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে অনন্ত কালৰে পৰা চলি অহা এই ভ্ৰমণ বা পৰ্যটনৰ গুৰুত্বও আগতকৈ ভালেখিনি বাঢ়ি গ'ল। অবিস্কাৰ হ'বলৈ ধৰিলে পৰ্যটনৰ নতুন নতুন ধাৰণা, নতুন নতুন ক্ষেত্ৰ।

আজিৰ যুগ, যান্ত্ৰিক যুগ। এই যান্ত্ৰিক যুগৰ প্ৰাত্যহিক তুচ্ছ জীৱনধাৰালৈ এই পৰ্যটনৰ মাদকতাই আনি দিব পাৰে কোনো দিনে পাহৰিব নোৱাৰা বিচিত্ৰ অভিজ্ঞতাৰ এক অনবদ্য অনুভূতি। জ্ঞান আৰু অনন্দৰ এক নৱতম উপলব্ধি। সেয়ে এখন্তেক আহৰি পালেই মানুহ ধাপলি মেলিব খোজে অৰণ্যৰ ৰহস্য ভেদিবলৈ, নৃত্যৰতা নদী-উপনদীৰ বুকুত খেলিবলৈ, নিৰলে-নিভৃতে উপভোগ কৰিবলৈ কোনোবা যুগৰ প্ৰত্নতাত্ত্বিক ৰহস্য নাইবা তীৰ্থ দৰ্শনেৰে উপলব্ধি কৰিবলৈ গভীৰ আত্মিক প্ৰশান্তি। এনে ভিন ভিন ৰুচিৰ ভিন ভিন পৰ্যটকক সন্তুষ্ট কৰিব পৰাকৈয়ে পৰ্যটনৰ আটাইখিনি সমলৰে ভৰপূৰ উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটীৰ পৰা মাথোঁ দুকুৰি কিঃ মিঃ নিলগত মৰিগাওঁ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত যাদুৰ দেশ মায়ং।

মায়ং বেজ-বেজালিৰ দেশ, মায়ং পঞ্চদেৱতাৰ দেশ। মায়ং বাৰগণ দেৱতাৰ দেশ। মায়ং বিঘ্নহন্তা গণপতিৰ দেশ। মায়ং কেঁচাইখাইটি, মা ভগৱতীৰ দেশ। মায়ং শত তীৰ্থৰ দেশ। মায়ং ৰজা, ৰাজবিষয়াৰ দেশ। নৈ, বিল, জলাশয়, সৰু সৰু পাহাৰ-টিলাৰ সমাহাৰেৰে প্ৰকৃতিয়ে নিজ হাতে সৃষ্টি কৰা এখন সেউজীয়া অৰণ্যৰ দেশ আৰু নানা জাতি-জনগোষ্ঠী মিলি একতাৰে গঢ়ি তোলা এখন সমন্বয়ৰ দেশ, সংস্কৃতিৰ দেশ। মুখে মুখে মানুহবোৰে আজিও কয় যে মায়ঙলৈ আহিলে হেনো মানুহবোৰ ভেড়া হয়। ভেড়া নহৈ পাৰেনে? প্ৰকৃতিৰ যি প্ৰতুল ঐশ্বৰ্য, যি মোহনীয় সৌন্দৰ্য, সংস্কৃতিৰ যি বৰ্ণিল আকৰ্ষণ, শত শত দেৱ-দেৱীৰ যি অৰ্চন-বন্দন, গাঁওবাসীৰ যি আদিম সৰলতা, যি অকৃতিম আতিথেয়তা- অতিথি মুগ্ধ নহৈ পাৰেনে? ভেড়া নহৈ থাকি পাৰেনে? মায়ং- এই নামটোতেই হয়তো লুকাই আছে এক দুৰন্ত মায়া; যাৰ বাবেই হয়তো মায়ঙৰ বিষয়ে জানিবলৈ মানুহৰ আগ্ৰহৰ সীমা নাই। মায়ং খন এবাৰ ওচৰৰ পৰা চাবলৈ মানুহৰ উৎকণ্ঠাৰ অন্ত নাই। যাদু বিখ্যাত এই মায়ং অঞ্চলটোৰ মাজ বুকুতে আছে আকৌ এশিঙিয়া গড়ঁৰ ঘনত্বৰ দিশত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত থকা অভয়াৰণ্য পবিতৰা। মুঠ কথাত বন্য পৰ্যটনৰ পৰা প্ৰত্নতাত্ত্বিক পৰ্যটনলৈ, সাংস্কৃতিক পৰ্যটনৰ পৰা তীৰ্থ পৰ্যটনলৈ, গ্ৰাম্য পৰ্যটনৰ পৰা নদী পৰ্যটনলৈ, দুঃসাহসিক পৰ্যটনৰ পৰা পৰিৱেশানুকুল পৰ্যটনলৈ, ঐতিহ্য কিম্বা ইতিহাস পৰ্যটনৰ পৰা প্ৰাকৃতিক পৰ্যটনলৈ- পৰ্যটনৰ আটাইবোৰ সমলেৰে পৰিবেষ্টিত এই মায়ং-পবিতৰা অঞ্চল।

### বন্যপৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং/পবিতৰা...

পৰ্যটকসকলৰ অধিকাংশই অনুভৱ কৰে প্ৰকৃতিৰ প্ৰতি, অৰণ্যৰ প্ৰতি নিৰন্তৰ আকৰ্ষণ। যন্ত্ৰ যুগৰ যান্ত্ৰিক মানসিকতাই কোনো কাৰণতে শেষ কৰিব পৰা নাই বন্যবিশ্বৰ প্ৰতি থকা মানুহৰ এই আমোঘ আকৰ্ষণ। জংঘলে জংঘলে ঘুৰি, ভয়ে ভয়ে বন্যজন্তুৰ মাজত এখন্তেক কটাই মানুহে হয়তো অনুভৱ কৰিব খুজে আদিম মানৱ সভ্যতাৰ আদিমতম উপলব্ধি।

অৰণ্যৰ ৰহস্য ভেদি ভালপোৱা, প্ৰকৃতিৰ নয়নাভিৰাম দৃশ্য দেখি মুগ্ধ হোৱা এইসকল পৰ্যটকক মায়ং- পবিতৰাই দিব পাৰে অনিৰ্বচনীয় অভিজ্ঞতা, কিয়নো শিলৰ ফাঁকে ফাঁকে থৌকি-বাথৌ নৃত্যৰে জৰ্ জৰ্কৈ নামি অহা নিজৰা, সৰু সৰু জলাশয়, সৰু সৰু পাহাৰকলৈ মায়ংখনি জংঘলেৰে আবৰা। আকৌ মায়ঙৰ মাজ মজিয়াতে আছে বিশ্ব বিখ্যাত এশিঙীয়া গড়ঁৰ বাসস্থান অভয়াৰণ্য পবিতৰা। এশিঙীয়া গড়ঁৰ ঘনত্বৰ দিশত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত আছে এই অৰণ্যভূমি। শেহতীয়া সমীক্ষা মতে, পবিতৰাত গড়ঁৰ সংখ্যা ১০০ টাতকৈও অধিক। মায়ঙলৈ আহি হাতীৰ পিঠিত উঠি পবিতৰাৰ বুকুৰ মাজলৈ গৈ গোটেই পৃথিৱীৰ বা.েই আপুৰুগীয়া এই ঐতিহাসিক বন্য জন্তু বিধৰ চলন-ফুৰণ নিচেই কাষৰ পৰা উপভোগ কৰাৰ মাদকতাখিনি সঁচাকৈ অনন্য, স্মৰণীয় আৰু ৰোমাঞ্চকৰ।

বন্যপক্ষীৰ ৰাজ্য হিচাপেও পবিতৰাই দেশ-বিদেশৰ পৰ্যটকক

সদায়ে হাত বাউলী মাতি আহিছে। দৈকলা, হালখেদা, হাড়গিলা, মাছৰোকা, আজান, শামুকখোলা, ভেলা, কনুৱা, চাঁকৈ-চকুৱা, আমৰলিয়া, মইনা, হাইঠা, দিনকণা, ফনীকতৰা, কামচৰাই, বটাচৰাই, পাটখিয়া, হেতুলুকা ইত্যাদি ইত্যাদি কৰি প্ৰায় তিনি শতাধিক জলচৰ-স্থলচৰ প্ৰজাতিৰ সহস্ৰাধিক বনৰীয়া পক্ষীৰ কলৰৱে বন্যপৰ্যটনৰ ক্ষেত্ৰত মায়ং- পবিতৰাক দান কৰিছে এক অনন্য মাত্ৰা। সমীক্ষা মতে, জলচৰ পক্ষীৰ সংখ্যাৰ ক্ষেত্ৰত পক্ষী অভয়াৰণ্য দীপৰ বিলৰ পাছৰ স্থানতে আছে পবিতৰা। গড় হিচাপত প্ৰতি বছৰে প্ৰায় ২০,০০০ ৰ ওচৰা ওচৰি জলচৰ পক্ষীৰ সমাগম হয় এই পবিতৰাত। গঁড়, চৰাইৰ ওপৰিও পবিতৰাত বোকাবে লুতুৰি-পুতুৰি বনৰীয়া গাহৰি, বনৰীয়া ম'হৰ উন্মুক্ত বিচৰণ চালে চকুৰোৱা।

মন কৰিবলগীয়া কথাটো হ'ল এই পবিতৰাখন স্থানীয় মায়ঙীয়া ৰাইজৰ দীৰ্ঘদিনীয়া দাবী, নেৰা-নেপেৰা প্ৰচেষ্টাত গঢ়ি উঠা এখন অভয়াৰণ্য। অন্য কথাত পবিতৰা হৈছে স্থানীয় ৰাইজে নিৰ্মাণ কৰা এখন অভয়াৰণ্য য'ত একাংশ ৰাইজে নিজৰ ম্যাদী মাটি পৰ্যন্ত অভয়াৰণ্যখনৰ বাবে এৰি দিছিল। কিংবদন্তি মতে, মায়ং ৰাজ্যৰ এগৰাকী ৰজাৰ 'পবিত্ৰা' নামেৰে এগৰাকী সুন্দৰী জীয়াৰী আছিল। দিপিলিপ ৰাজকুমাৰী 'পবিত্ৰা'ৰ অকাল বিয়োগত ৰাজকুমাৰীৰ নাম চিৰস্মৰণীয়া কৰি ৰাখিবৰ বাবেই ৰজাই এই বননিখনৰ নাম ৰাখিছিল 'পবিত্ৰা'। কালক্ৰমত এই 'পবিত্ৰা'ৰ পৰাই 'পবিতৰা' নামটোৰ উৎপত্তি হৈছিল বুলি বিজ্ঞসকলে কয়।

তথ্য অনুসৰি ১৯২৫ চনতে পবিতৰাৰ বুকুলৈ বিশ্বৰ বিৰল প্ৰজাতিৰ প্ৰাণী গঁড়ৰ প্ৰব্ৰজন ঘটিছিল। প্ৰথমটো গঁড় বাৰিষাৰ বানত ক'ৰবাৰ পৰা উটি আহি পবিতৰাৰ বননিত থিতাপি লৈছিল। সেই গঁড়টো স্থানীয় ৰাইজে চিকাৰ কৰি তাৰ মঙহ ভগাই-গিতাই খাইছিল। আনৌ দ্বিতীয় গঁড়টোও বাৰিষাৰ বানতে ক'ৰবাৰ পৰা উটি আহি পবিতৰাত থিতাপি লৈছিল। এই গঁড়টো কিন্তু সেইবাৰ স্থানীয় ৰাইজে ধৰি মায়ঙৰ ৰজাৰ ঘৰত ঘৰচীয়া জন্তুৰ দৰে পুহিছিল। কোনো অচিনাক্ত ৰোগত আক্ৰান্ত হৈ শেষত অৱশ্যে সেই গঁড়টো মৃত্যুমুখত পৰিছিল। গঁড়ৰ এই প্ৰব্ৰজনৰ ঘটনা ১৯২৫ চনৰ পৰা ১৯৬১-৬২ চনলৈ ঘটিছিল আৰু এটা এটাকৈ পবিতৰাত গঁড়ৰ সংখ্যা বাঢ়ি ১৪টা হৈছিলগৈ।

এনেদৰে পবিতৰাত গঁড়ৰ সংখ্যা বাঢ়িবলৈ ধৰাত স্থানীয় প্ৰকৃতিপ্ৰেমী ৰাইজৰ মনত এই বিশাল আকৃতিৰ তৃণভোজী জন্তু বিধৰ সুৰক্ষাৰ স্বাৰ্থতে পবিতৰা বননিখন সুৰক্ষিত কৰি ৰখাৰ বাসনাই জন্ম লৈছিল। ১৯৬৭ চনত তেতিয়ালৈকে চৰকাৰি নথিত 'ভিলেজ গ্ৰেজিং ৰিজাৰ্ভ' হিচাপে চিহ্নিত হৈ থকা পবিতৰাক 'পবিতৰা সংৰক্ষিত বনাঞ্চললৈ' ৰূপান্তৰ কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাবলৈ বৃহত্তৰ মায়ং অঞ্চলৰ নেতৃস্থানীয় প্ৰকৃতিপ্ৰেমী লোক কিছু লগ হৈ 'পবিতৰা বনাঞ্চল সুৰক্ষা সমিতি' নামেৰে এখন সমিতি গঠন কৰিছিল। এই সমিতিখনৰ উদ্যোগতে স্থানীয় ৰাইজে পবিতৰাক 'সংৰক্ষিত বনাঞ্চল' হিচাপে ঘোষণা কৰিব লাগে বুলি আবেদন-নিবেদনৰ জৰিয়তে চৰকাৰৰ ওচৰত নেৰা-নেপেৰাকৈ দাবী উত্থাপন কৰিছিল। স্থানীয় ৰাইজৰ নিৰন্তৰ দাবী আৰু আবেদনৰ প্ৰতি সঁহাৰি জনাই ১৯৭১ চনৰ ১৮ নৱেম্বৰত ১৬ বৰ্গ কিঃ মিঃ মাটিৰ এলেকা সামৰি পবিতৰা গ্ৰেজিং ৰিজাৰ্ভ খনক পবিতৰা সংৰক্ষিত বনাঞ্চল হিচাপে চৰকাৰে ঘোষণা কৰিছিল।

মায়ঙৰ ৰাইজ কিন্তু ইমানতে ক্ষান্ত হৈ থকা নাছিল। সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ কেইটামান বছৰৰ পাছতেই পবিতৰাক অভয়াৰণ্য হিচাপে স্বীকৃতি দিব লাগে বুলি স্থানীয় ৰাইজে দাবী জনাবলৈ আৰম্ভ কৰিছিল। শেষত ১৯৮৭ চনৰ ১৬ জুলাইত চৰকাৰে পবিতৰা সংৰক্ষিত বনাঞ্চলক পবিতৰা অভয়াৰণ্য হিচাবেই ঘোষণা কৰিছিল। চৰকাৰি তথ্য অনুসৰি মায়ং পাহাৰখন সাঙুৰি বৰ্তমান পবিতৰা অভয়াৰণ্যৰ মাটিকালি ৩৮.৮১ বৰ্গ কিঃ মিঃ। এই পবিতৰাই হৈছে এতিয়া মায়ং পৰ্যটনৰ হৃদপিণ্ড, পৰ্যটকৰ বাবে অনন্য আকৰ্ষণ।

**প্ৰত্নতাত্ত্বিক পৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং...**

যিসকল পৰ্যটকে পুৰাতত্ব আৰু প্ৰত্নতত্বৰ নিদৰ্শন চাই মুগ্ধ হয়, সেইসকল পৰ্যটকৰ বাবেও মায়ং হ'ব পাৰে অন্তহীন আকৰ্ষণৰ বমাপুৰী। মায়ঙৰ সৰু-বৰ পাহাৰে ভৈয়ামে, সৰু-সৰু গাওঁ বোৰৰ বুকুৱে বুকুৱে, জান-জুৰি-নিজৰাৰ ইপাৰে সিপাৰে কৃত্ৰিমতাৰ প্ৰলেপ নপৰাকৈ পৰ্যটকৰ বাবে নিথৰ হৈ ৰৈ আছে প্ৰায় ৭ম-৮ম শতিকাৰ পৰা ১১শ-১২শ শতিকাৰ অন্তৰ্গত পুৰাতত্ব আৰু প্ৰত্নতত্বৰ অলেখ নিদৰ্শন। মায়ং পাহাৰৰ দাঁতিত অৱস্থিত এচিয়াৰ ভিতৰতে সৰ্ব দীৰ্ঘতম্ শিলালিপি (৩.৮৫ মিটাৰ), বহা পাহাৰত থকা ভাৰতৰ ভিতৰতে সৰ্ব বৃহৎ শিলৰ গণেশ মূৰ্তি, বৰঘাট নিজৰাৰ পাৰৰ হৰ-পাৰ্বতীৰ উমালিঙ্গন মূৰ্তি, গণেশ মূৰ্তি আৰু যোনীপীঠ, চনকাৰ হৰ-পাৰ্বতীৰ মূৰ্তি, কাছশিলা পাহাৰৰ উমালিঙ্গন মূৰ্তি, যোনীপীঠ, শিৱলিঙ্গ আৰু শিলৰ কাছ, হাতী বগৰাৰ শিলৰ প্ৰকাণ্ড গুহা, কাছুক মাদলী হিচাপে পৰিধান কৰা নৰ-নাৰীৰ মৃণ্ময় মূৰ্তি সহ ভগ্নপ্ৰায় অন্যান্য মৃৎশিল্পৰ নমুনা আৰু শৈল ভাস্কৰ্যৰ বাবে যুগে যুগে মায়ঙৰ প্ৰতি পৰ্যটকসকলে যে নিৰন্তৰ আকৰ্ষণ অনুভৱ কৰি যাব সেয়া নিশ্চিত।

মায়ঙত প্ৰাপ্ত দুৰ্বোধ্য অলংকাৰখচিত বহু শৈল আৰু মৃন্ময় মূৰ্তিৰ নিৰ্মাণ কৌশল অতি সুন্দৰ। শিৰত মুকুট, কানত কুণ্ডল, গলত মালা - মুঠতে অতি অপূৰ্ব নিপুণ শিল্পকলাৰ চূড়ান্ত নিদৰ্শন। খনন কাৰ্য চলালে মায়ঙৰ বুকুত আৰু অধিক পুৰাতাত্বিক সমল উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে। কোনে জানে মায়ঙৰ জংঘলী বুকুতো লুকাই থাকিব পাৰে হৰপ্পা-মহেঞ্জোদাৰোৰ দৰে কোনো মায়াময় সভ্যতাৰ ইতিহাস উপযুক্ত অনুসন্ধান আৰু গৱেষণাৰ অভাৱত ৰৈ আছে মায়ং — অনন্তকালৰে পৰা অনেক অনুদ্ঘাটিত ৰহস্যৰ অনন্ত উৎস হৈ। এই গুপুত ৰহস্যবোৰো হৈ পৰিছে এতিয়া পৰ্যটকৰ বাবে এক অনন্য আকৰ্ষণ।

**তীৰ্থ পৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং...**

যিসকল পৰ্যটকে আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে তীৰ্থই তীৰ্থই ভ্ৰমণ কৰি ভাল পায়, সেই সকলেও তন্ত্ৰ নগৰী মায়ঙৰ প্ৰতি সদায়ে অনুভৱ কৰি যাব অনাবিল আকৰ্ষণ। তন্ত্ৰ-মন্ত্ৰ সাধনাৰ বাবেই হওঁক বা অপায়-অমঙ্গল দূৰ কৰাৰ বাবেই হওঁক উপাস্য দেৱ-দেৱী সকলক পূজা অৰ্চনাৰে সন্তুষ্ট কৰি ৰাখিবলৈয়ে মায়ঙৰ ঠায়ে ঠায়ে গঢ়লৈ উঠিছিল তীৰ্থস্থানসমূহ।

কাছশিলাৰ শিৱ থান, হাতীমূৰীয়াৰ গনেশ থান আৰু ভাগৰতী

থান, বজামায়ঙৰ বণ্ডা ডাণ্ডৰীয়া থান আৰু কেঁচাইখাইটি থান, বহাৰ গনেশ থান, বুঢ়ামায়ঙৰ কেঁচাইখাইটি থান, হিলৈখুন্দাৰ নৰসিংহ থান আৰু বুঢ়ী আইৰ থান, কাজলীৰ বিষ্ণু থান, চনকাৰ গনেশ থান আৰু ভাগৱতী থান আদিক লৈ মায়ং খনি যথাৰ্থতে তীৰ্থ পৰ্যটনৰ অনন্য নগৰী। এই তীৰ্থস্থান সমূহ অত্যাধুনিক কৃত্ৰিম জাকজমকতাৰে সজাই তোলা হোৱা নাই যদিও ঈশ্বৰ প্ৰদত্ত অনুপম প্ৰাকৃতিক শোভাৰাশিৰ আবেষ্টনীৰে এইসমূহ এনেভাৱে অৱস্থিত যে ইয়ে যিকোনো অনুভূতিসম্পন্ন পৰ্যটকক দিব পাৰে তীৰ্থ পৰ্যটনৰ নিৰ্ভেজাল আনন্দ।

মায়ঙলৈ অহা তীৰ্থ পৰ্যটকসকলৰ বাবে হয়তো প্ৰথম পচন্দই হ'ব বৰলুইতৰ পাৰত কাছশিলা পাহাৰৰ চূড়াত অৱস্থিত শিৱ থান। পাহাৰৰ চূড়াত উঠি চাৰিওফালে চকু ফুৰালেই দেখা যায় — বৰলুইতৰ অপৰূপ ৰূপ, বিস্তৃত ধাননি পথাৰ, পথাৰৰ মাজে মাজে সৰু সৰু টঙীঘৰ, সৰু বৰ শাৰী-শাৰী নীলা নীলা পাহাৰ, পাহাৰৰ মাজে মাজে সৰু সৰু সেউজীয়া গাঁও — এইবোৰে সৰ্বপ্ৰথমেই পৰ্যটকৰ মনলৈ বোৱাই আনে প্ৰশান্তিৰ শব্দহীন ছন্দ। এই শিৱ থানৰ বুকুতেই লুকাই আছে নানা লোক বিশ্বাসৰ নানা কা[illegible]ী। শিৱ থান খনিৰ প্ৰতি মায়ঙীয়া মানুহৰ ভকতিৰ শেষ নাই, বিশ্বাসৰ অন্ত নাই। অপায় অমঙ্গল দূৰ কৰাৰ বাবে মায়ঙৰ প্ৰতিঘৰ মানুহে বছৰেকত এবাৰ হ'লেও এই শিৱ থানলৈ আহি হৰ-গৌৰীৰ চৰণত নৈবেদ্য আগবঢ়াই অহাৰ বাহিৰেও নিজৰ আৰাধ্যজনক পাৰলৈ মায়ঙীয়া গাভৰুহঁতে আগবঢ়াই আহিছে ভকতিৰ শৰাই।

শিৱ থানখনিৰ দৰেই অন্য এক মহত্বৰে মহত্বপূৰ্ণ বজামায়ঙৰ বণ্ডা ডাণ্ডৰীয়া থান। শ শ বছৰৰ ইতিহাসক সাৱতি বণ্ডা ডাণ্ডৰীয়া থানৰ বৃহৎ জৰী গছজোপা স্থিতপ্ৰজ্ঞৰ দৰে থিয় দি আছে মায়ঙীয়া মানুহৰ বিশ্বাস আৰু ভকতিৰ সাক্ষী হৈ। ভয় আৰু ভকতিৰে প্ৰাকৃতিক শক্তিত বিশ্বাসী মায়ঙৰ মানুহে এই প্ৰকাণ্ড গছজোপাৰ পাত এটিও ছিডিবলৈ আজিলৈকে সাহস কৰিব পৰা নাই। এনেদৰে মায়ঙৰ প্ৰতিখনি তীৰ্থস্থানেই অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য আৰু কিবা নহয় কিবা এক মহত্বৰে মহিমামন্দিত।

**নদী পৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং...**

প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যত পূবৰ সাগৰ বা লৌহিত্য বুলি উল্লেখিত লুইতখন ইতিহাসৰ বহু ঘটনা উপঘটনাক বুকুত বান্ধি যাদুৰ দেশ মায়ঙৰ উত্তৰ সীমাৰে বৈ গৈছে নিৰলে নিভৃতে। মায়ঙৰ পৰা গুৱাহাটী মহানগৰীলৈ বা অন্য অন্য স্থানলৈ বিভিন্ন কাৰণত তাহানিতে কৰা সকলো ভ্ৰমণ কিম্বা পৰ্যটনেই হৈছিল এই নদীৰ বুকুৰে। স্থলপথৰ উন্নতিৰ পাছতো জলপথৰ এই গুৰুত্ব কিন্তু আজিও কমি যোৱা নাই, বৰং ইয়াৰ পৰ্যটন কেন্দ্ৰীক গুৰুত্ব বাঢ়িছেহে। মায়ঙলৈ আহিব খোজা পৰ্যটকে এই নদী পৰ্যটনতো বিচাৰি পাব পাৰে ৰোমাঞ্চকৰ মাদকতা। নৃত্যৰতা বৰলুইতৰ ছন্দোময় গতিৰ সৈতে মিলি দূৰণিৰ সৰু সৰু পাহাৰ, ৰূপোৱালী বালিচৰৰ শুভ্ৰ কহুৱা, জাঁকে জাঁকে উৰি যোৱা জলপক্ষীৰ কাকলি, নৈৰ পানীত ভাঁহি ফুৰা মাছমৰীয়াৰ সৰু সৰু নাও, চৰ-চাপৰিৰ জনজীৱনৰ সৌন্দৰ্যৰ ওপৰিও নৈ খনৰ মাজবুকুত অৱস্থিত উমানন্দ মন্দিৰ, নৈৰ পাৰত অৱস্থিত কাজলীৰ বিষ্ণু মন্দিৰ আৰু হিলৈখুন্দাৰ নৰসিংহ আশ্ৰমৰ সৌন্দৰ্য জাহাজৰ মজিয়াৰ পৰা প্ৰাণভৰি উপভোগ কৰাৰ আনন্দই যে সুকীয়া সেইকথা প্ৰতিজন নদী পৰ্যটকেই অনুভৱ কৰে। এই নদী পৰ্যটন সঁচাকৈয়ে বৰ ৰোমাঞ্চকৰ।

**সাংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং...**

পুৰাতনীয়া লোক কৃষ্টি, নৃত্য-গীত, লোক উৎসৱ, লোক কথা, লোক গাঁথা ইত্যাদি সাংস্কৃতিক উপাদানসমূহৰ প্ৰতিও এচাম পৰ্যটকে অনুভৱ কৰে দুৰ্বাৰ আকৰ্ষণ। পুৰাতন সংস্কৃতিৰ প্ৰতি দুৰ্বলতা থকা সেইসকল পৰ্যটকৰ বাবেও মায়ং হ'ব পাৰে অনিৰ্বচনীয় কেন্দ্ৰ কাৰণ মায়ং বাৰেবহনীয়া কৃষ্টি-সংস্কৃতিৰ এক জীৱন্ত যাদুঘৰ। মন্ত্ৰ সংস্কৃতি হৈছে মায়ঙৰ একক আৰু অনন্য সংস্কৃতি। মায়ং হৈছে কাৰ্বি, বড়ো, কোঁচ, কলিতা, যোগী, নেপালী, কৈৱৰ্ত্য আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি। এই সকলো জাতি-জনগোষ্ঠীৰ লোকেই নিজৰ নিজৰ কৃষ্টি-সংস্কৃতি সমূহ জীৱন্ত ৰূপত জীয়াই ৰাখিছে। কাৰ্বি নৃত্য, বড়ো নৃত্য, নেপালী নৃত্য, গাৰো নৃত্য, বিহু নৃত্য, ঝুঁমৈ, ভোৰতাল নৃত্য, আই নাম, দিহা নাম, থিয় নাম, নাগাৰা নাম, ওজাপালি, সবহুৱা নাম, খুলীয়া ভাওনা, অসমীয়া ভাওনা আদিৰ চৰ্চা আৰু সাধনাও মায়ঙৰ গাঁৱে-গাঁৱে বিস্তৃত ৰূপত অব্যাহত আছে। লক্ষ্মী পূজা, দুৰ্গা পূজা, কালী পূজা, গনেশ পূজা, শিৱ পূজা, জন্মাষ্টমী, চড়ক পূজা, ৰথযাত্ৰা, দৌল উৎসৱ, দেৱালী আদি উৎসৱ পাৰ্বনসমূহৰ বাহিৰেও ভেকুলী বিয়া, নৌকা খন্দা, তোলনী বিয়া, মহহো, গৰখীয়া পূজা, শনি পূজা আদি লোক-উৎসৱ পাৰ্বনসমূহো স্থানীয় লোকসকলে পূৰ্বৰ দৰেই পালন কৰি আহিছে।

মায়ঙৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু একক লোক উৎসৱটো হৈছে গোঁসাই উলিওৱা উৎসৱ। কৃত্ৰিমতাৰ কোনো প্ৰলেপ নোহোৱাকৈ ৩৫৪ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে উদ্‌যাপিত হৈ অহা এই উৎসৱটো আচলতে এটা ৰাজকীয় উৎসৱ। এই উৎসৱত মায়ঙৰ পঞ্চ গোঁসাই সহিতে পৰম্পৰাগত ৰজা, বা-বিষয়া সকলে মায়ং বাসীৰ শান্তি-সমৃদ্ধি কামনাৰে পদব্ৰজে শোভাযাত্ৰা কৰে। বৈশিষ্ট আৰু চৰিত্ৰৰ ফালৰ পৰা একক আৰু অনন্য প্ৰায় বিৰল প্ৰকৃতিৰ এই গোঁসাই উলিওৱা উৎসৱটো মায়ঙীয়া সংস্কৃতিৰ সৌধস্বৰূপ। সংস্কৃতি- পৰম্পৰাৰ এই জীৱন্ত উপাদান সমূহক লৈ মায়ং হৈ উঠিব পাৰে সাংস্কৃতিক পৰ্যটনৰ এক মনোৰম কেন্দ্ৰ।

**ঐতিহ্য/ ইতিহাস পৰ্যটনৰ ক্ষেত্ৰৰূপে মায়ং...**

ঐতিহ্য আৰু ইতিহাসৰ পম খেদি ভালপোৱা কিম্বা অতীত অন্বেষণৰ দুৰন্ত হেঁপাহ থকা গৱেষক- পৰ্যটকসকলৰ বাবেও মায়ং এক উল্লেখনীয় ক্ষেত্ৰ, কাৰণ আহোম যুগৰ লগতে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰো কেইবাটাও ঘটনা-উপঘটনাৰ সাক্ষী এই অঞ্চলটো ভালেমান ঐতিহাসিক সমলেৰেও সমৃদ্ধ।

বৃহত্তৰ মায়ং অঞ্চলৰ পশ্চিম প্ৰান্তত অৱস্থিত কাজলীচকী নামৰ ধুনীয়া ঠাইখনে আহোম যুগৰ এক যুগমীয়া স্মৃতি তাহানিৰে পৰা বহন কৰি আছে। কলং-ব্ৰহ্মপুত্ৰৰ সংগম স্থলত অৱস্থিত এই কাজলীচকীৰ কাজলী পাহাৰৰ টিলাত বহিয়েই আহোম সেনাপতি লাচিত বৰফুকনে আটন বুঢ়াগোঁহাইৰ স'তে শৰাইঘাট যুদ্ধৰ ৰণকৌশল ৰচনা কৰিছিল। আজিৰ পৰা মাথোঁ কেইটামান বছৰৰ আগতে এই কাজলী পাহাৰৰ দাঁতিতে উদ্ধাৰ হৈছে শৰাইঘাট যুদ্ধৰ সময়ৰ এটা বৃহৎ বৰটোপৰ গুলী ভাণ্ডাৰ। এই শৰাইঘাট যুদ্ধত মায়ঙৰ ৰজাইও আহোমৰ সৈন্যসকলক নানা প্ৰকাৰে সহায়-সহযোগ

আগবঢ়াইছিল। কনীয়া হাতী ধৰিও মায়ঙৰ ৰজাই আহোমৰ ৰজাক উপহাৰ হিচাপে দিছিল। কৃতজ্ঞতাৰ চিন স্বৰূপে আহোমৰ ৰজাইও মায়ঙৰ ৰজাক অস্ত্ৰ-শস্ত্ৰ, দোলা, পদ্মশিলা, চক্ৰশিলাকে ধৰি ভালেমান সা-সামগ্ৰী উপহাৰ হিচাপে দিছিল। মিত্ৰতাৰ স্মৃতি বহন কৰা এই সামগ্ৰী সমূহৰ কিছু সংখ্যক এতিয়াও মায়ঙত সংৰক্ষিত অৱস্থাতে আছে।

ভাৰতৰ স্বাধীনতা সংগ্ৰামতো মায়ঙৰ বাসীন্দা সকলে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'ৰ নায়ক মায়ঙৰ মহদানন্দ দেৱ গোস্বামীৰ নেতৃত্বতে মায়ঙৰ পশ্চিম প্ৰান্তত থকা পানীখাইটী ৰে'ল ষ্টেচনৰ সমীপত বৃটিছ সৈন্য কঢ়িয়াই অনা এখন যাত্ৰীবাহী ৰে'ল বগৰাই দিয়া হৈছিল। আনহাতে ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি মৰিগাঁও জিলাৰ একমাত্ৰ মহিলা শ্বহীদ তথা সমগ্ৰ অসমৰে দ্বিতীয় গৰাকী মহিলা শ্বহীদ হিচাপে পৰিগণিত হোৱা আৱলী কোঁচুনী আছিল মায়ঙৰে শিলডুবি গাঁৱৰ। এই গৰাকী আৱলী কোঁচুনীৰ নেতৃত্বতে মন্দহাত থকা এটা বৃটিছ পৰিদৰ্শন বাংলো আৰু এটা খাৰ-বাৰুদৰ ভঁৰাল জ্বলাই ভস্মীভূত কৰা হৈছিল।

এই ঐতিহাসিক সমলবোৰৰ বাহিৰেও মায়ঙত আছে প্ৰায় সপ্তম-অষ্টম শতিকাৰ পৰা একাদশ-দ্বাদশ শতিকাৰ অন্তৰ্গত যথেষ্ট সংখ্যক শৈলখুদিত প্ৰাচীন ভাস্কৰ্য, মৃৎশিল্পৰ নমুনা (এই বিষয়ে ওপৰত ইতিমধ্যে আলোকপাত কৰা হৈছে)। তদুপৰি মায়ঙত আজিও জীৱন্ত ৰূপতে আছে তাহানিৰ ৰাজশাসন তথা ৰাজকীয় পৰম্পৰা। তথ্য মতে মায়ঙৰ বৰ্তমানৰ ৰাজবংশটো মহাভাৰতৰ দ্বিতীয় পাণ্ডৱ ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ। মায়ঙত অদ্যাপিও সেই ঘটোৎকচৰ বংশৰে এগৰাকী পৰম্পৰাগত ৰজা আছে (অলংকাৰীকভাৱে)। এই পৰম্পৰাগত ৰজা গৰাকীৰ নাম তৰণীকান্ত সিংহ। তেওঁ মায়ঙৰ ৪০ তম ৰজা। ৰাজ্য শাসনৰ কোনো ৰাজনৈতিক ক্ষমতা বৰ্তমান তেওঁৰ নাই যদিও সমাজ খনে তেওঁক কিন্তু ৰজা হিচাপেই সন্মান দি আহিছে। এই ঐতিহাসিক স্মৃতি তথা সমল সমূহে নিশ্চয়কৈ অতীতৰ ৰহস্য উৎঘাটনৰ হাবিয়াস থকা গৱেষক- পৰ্যটক সকলক সদায়ে আকৰ্ষণ কৰি যাব।

মন্ত্ৰৰ দেশ হিচাপে মায়ং...

বিশ্বৰ দৰবাৰত মায়ঙক প্ৰতিষ্ঠা কৰাত বোধহয় আটাইতকৈ বেছি সহায় কৰিছে মন্ত্ৰই। মায়ঙীয়া বেজে মানুহক ভেড়া সজাব পাৰিছিল, বন্দুকৰ নলীৰে গুলীৰ পৰিবৰ্তে পানী বোৱাইছিল, আকাশেদি জ্বলন্ত মাটি চাকী উৰুৱাই পঠাব পাৰিছিল, অদৃশ্য হৈ কোনো অসাধ্য সাধন কৰিব পাৰিছিল, বনৰীয়া বাঘক মন্ত্ৰৰ বলেৰে ধৰি বশ কৰিব পাৰিছিল। বিভিন্ন কাৰণত একালত চাঞ্চল্যৰ সৃষ্টি কৰা এনে শক্তিশালী তন্ত্ৰ-মন্ত্ৰবোৰৰ ব্যৱহাৰ কালৰ সোঁতত হেৰাই গ'ল, তথাপি মায়ং অজিও মন্ত্ৰ প্ৰসিদ্ধ হৈয়ে ৰ'ল। তাহানিৰ চাঞ্চল্যকৰ মন্ত্ৰবোৰৰ সাধনা আজি নাই যদিও মন্ত্ৰৰ ক্ষেত্ৰত মায়ঙৰ সুখ্যাতি জীয়াই ৰাখিব পৰাকৈ আজিও মায়ঙৰ গাঁৱে-ভূঁঞে আছে সৰু বৰ অনেক মন্ত্ৰৰ সাধনা আৰু মন্ত্ৰৰ অলেখ পুথি-পাঁজি।

ব্যৱহৃতেই হওঁক বা অব্যৱহৃতেই হওঁক, উদ্‌ঘাটিতেই হওঁক বা অনুদ্‌ঘাটিতেই হওঁক মায়ঙৰ মন্ত্ৰ সমূহৰ ভিতৰত লোকি মন্ত্ৰ, বেত চালান মন্ত্ৰ, মোহিনী মন্ত্ৰ (ৰাজ মোহিনী, মেল মোহিনী, পুৰুষ মোহিনী, স্ত্ৰী মোহিনী আদি), জুই নিবাৰণী মন্ত্ৰ, নখ বাচনি মন্ত্ৰ, বিষ বান, টেকেলী বান, থুমুৰি বান, বশীকৰণ মন্ত্ৰ, উৰণ মন্ত্ৰ আদিয়েই প্ৰধান। ইয়াৰ উপৰিও প্ৰসৱ বেদনাৰ মন্ত্ৰ, পেটৰ বিষ জাৰা মন্ত্ৰ, নাড়ী জাৰা মন্ত্ৰ, গা বন্ধা মন্ত্ৰ, কচকা জাৰা মন্ত্ৰ, জুইয়ে পোৰা মন্ত্ৰ, সৰ্বধাক মন্ত্ৰ, বান কাটা মন্ত্ৰ, বাতি চালান মন্ত্ৰ, মুখ ভাঙা মন্ত্ৰ, ভূত খেদা মন্ত্ৰ, পানী কটা মন্ত্ৰ, যকৃত বেমাৰৰ মন্ত্ৰ, সাৰ বেমাৰৰ মন্ত্ৰ, ককালৰ বিষ জাৰা মন্ত্ৰ, সাপৰ বিষ জাৰা মন্ত্ৰ, আদি মন্ত্ৰ সমূহ আজিও মায়ঙীয়া মানুহৰ মুখে মুখে। এই মন্ত্ৰ সমূহৰ ওপৰত উপযুক্ত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। কোনে জানে কোনো অনুসন্ধিৎসু গৱেষক-পৰ্যটকে এই মন্ত্ৰসমূহৰ মাজতো বিচাৰি পাব পাৰে বিজ্ঞানৰ কোনো জটিল সূত্ৰৰ সৰল সমাধান

মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ...

অতি শেহতীয়াকৈ মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰটিও পৰ্যটকসকলৰ বাবে আকৰ্ষণৰ এক কেন্দ্ৰ বিন্দু হৈ উঠিছে। যাদু ভূমি মায়ঙৰ ঐতিহাসিক, সাংস্কৃতিক, পুৰাতাত্বিক আৰু প্ৰত্নতাত্বিক সমলৰাজি এই গ্ৰাম্য সংগ্ৰহালয়তে সংৰক্ষণ কৰি ৰখা হৈছে। আকাৰত সৰু হ'লেও এই সংগ্ৰহালয়টোত সংগৃহিত হৈ থকা গুৰুত্বপূৰ্ণ তথা দুষ্প্ৰাপ্য সম্পদৰাজিয়ে দেশ বিদেশৰ পৰ্যটক, গৱেষক-পণ্ডিতসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ২০০২ চনত এই লেখকেই উদ্যোগ লৈ মাননীয় শ্ৰীযুত লোকেন্দ্ৰ হাজৰীকা দেৱ আৰু স্থানীয় বিশিষ্ট ব্যক্তি সকলৰ একান্ত সহায়-সহযোগত প্ৰতিষ্ঠা কৰা এই গ্ৰাম্য সংগ্ৰহালয়টোত বৰ্তমান ১২ শ শতিকাৰ পৰা ১৮ শ শতিকাৰ অন্তৰ্গত তন্ত্ৰ-মন্ত্ৰৰ পুথি-পাঁজি, ৰজা ঘৰীয়া অস্ত্ৰ-শস্ত্ৰ, বাচন-বৰ্তন, পুৰামাটিৰ ভাস্কৰ্য, শৈল ভাস্কৰ্য, চিকাৰ সঁজুলী, যাদুৰ সামগ্ৰী আদিকে ধৰি মায়ঙৰ গৌৰৱময় সভ্যতা-সংস্কৃতিক প্ৰতিনিধিত্ব কৰি থকা বহু প্ৰাচীন সা-সামগ্ৰী সংৰক্ষিত হৈ আছে। সংগ্ৰহালয়টোত সংগৃহিত হৈ থকা এই প্ৰাচীন সামগ্ৰী সমূহে মায়ঙত যে এটা সময়ত এটা অতি উচ্চস্তৰীয় সভ্যতাই বিৰাজ কৰিছিল সেই কথাৰ উমান দিয়ে।

এটি প্ৰায়োগিক বিশ্লেষণ...

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে যে প্ৰায় সকলো ধৰণৰ ৰুচি-অভিৰুচিৰ পৰ্যটকক সন্তুষ্ট কৰিব পৰাকৈ সকলো ধৰণৰ কেঁচা সমলৰে ভৰপুৰ মৰিগাওঁ জিলাৰ এই ঐতিহাসিক মায়ং-পবিতৰা অঞ্চল। কেৱল মাথোঁ বন্যপৰ্যটন, প্ৰত্নতাত্বিক পৰ্যটন, তীৰ্থ পৰ্যটন, নদী পৰ্যটন, সাংস্কৃতিক পৰ্যটন কিম্বা ইতিহাস পৰ্যটনৰ ক্ষেত্ৰতেই নহয়, পৰ্যটনৰ নতুন নতুন ধাৰণা, নতুন নতুন ক্ষেত্ৰসমূহো পুৰামাত্ৰাই বিকশিত হোৱাৰ অপাৰ সম্ভাৱনা লুকাই আছে এই মায়ং-পবিতৰা অঞ্চলটোত।

উদাহৰণস্বৰূপে সৰু বৰ পাহাৰ-টিলাৰ সেউজীয়া আৰু নৈ-বিল-জলাশয়ৰ নীলাৰে আগুৰি ৰখা, গ্ৰাম্য মাদকতাৰে পৰিপূৰ্ণ, সাংস্কৃতিক বৈচিত্ৰৰে বৈচিত্ৰায়িত এই প্ৰাকৃতিক অঞ্চলটো হ'ব পাৰে পৰিৱেশানুকুল পৰ্যটন কিম্বা গ্ৰাম্য পৰ্যটনৰো এক মনোৰম কেন্দ্ৰ। ভালেমান পুতভূমি, প্ৰাচীন থান-মকাম, মঠ-মন্দিৰ কিম্বা অধ্যাত্মিক ক্ষেত্ৰৰে পৰিবেষ্টিত, তন্ত্ৰযোগ আৰু মন্ত্ৰযোগ সাধনাৰ বাবে প্ৰসিদ্ধ এই অঞ্চলটো হৈ উঠিব পাৰে অধ্যাত্মিক পৰ্যটনৰো এক অনিৰ্বচনীয় ক্ষেত্ৰ। বিশাল বিশাল সোণোৱালী ধাননী পথাৰ,

হালধীয়াৰ সমাহাৰেৰে পৰিবেষ্টিত পাৰাপাৰহীন সৰিয়হৰ পথাৰ, বিলাহী, বেঙেনা, মাকে, মৰাপাট, কুঁহিয়াৰ, তৰমুজ আদি বতৰৰ ফচলেৰে ভৰপুৰ কৃষি প্ৰধান এই অঞ্চলটো হৈ উঠিব পাৰে **কৃষি পৰ্যটন**ৰো এক উৎকৃষ্টতম্ ক্ষেত্ৰ। আনহাতে অঞ্চলটোৰ উত্তৰ সীমনাৰে বৈ যোৱা মহ:বাহু ব্ৰহ্মপুত্ৰৰ বিশাল উপকূলীয় অঞ্চলৰ ৰূপোৱালী বালি চৰত সুচনা কৰিব পাৰি **উপকূলীয় পৰ্যটন**। সেইদৰে অঞ্চলটোৰ সৰু সৰু পাহাৰ-টিলা, নৈ-বিল, জান-জুৰি সমূহৰ অক্ষত বক্ষত সুভাৰম্ভ কৰিব পাৰি **দুঃসাহসিক পৰ্যটন**। আনহাতে মায়ঙৰ লোক সমাজত শত যুগ ধৰি চলি অহা মন্ত্ৰ চিকিৎসা আৰু বনৌষধী চিকিৎসাৰ সাধনা সমূহক কেন্দ্ৰ কৰি আৰম্ভ কৰিব পাৰি **পৰম্পৰাগত চিকিৎসা পৰ্যটন**। ঠিক সেইদৰে বান অধ্যুষিত এই অঞ্চলটোৰ বানপানীৰ সমস্যাক সুযোগলৈ ৰূপান্তৰ কৰি কল কিম্বা বাঁহৰ ভুৰতে সু-পৰিকল্পিতভাৱে সূচনা কৰিব পাৰি **বানপানী পৰ্যটন** নামেৰে পৰ্যটনৰ এক সুকীয়া ক্ষেত্ৰ।

এতিয়া মন কৰিবলগীয়া কথাটো হ'ল উল্লেখিত সম্ভৱনা সমূহৰ ভিতৰত পবিতৰা অভয়াৰণ্যক কেন্দ্ৰ কৰি অঞ্চলটোত এতিয়ালৈকে মাথো বন্যপৰ্যটনৰ ধাৰণাটোহে বিকাশ লাভ কৰিছে। পৰ্যটনৰ বাকী ক্ষেত্ৰবোৰৰ সম্ভৱনাসমূহ এতিয়ালৈকে প্ৰায় সম্ভৱনাৰ পৰ্যায়তে বৈ আছে। উপযুক্ত ৰূপত পৰ্যটনৰ বাকী ক্ষেত্ৰ বা ধাৰণাসমূহো বিকশিত হ'বলৈ হ'লে প্ৰতিটো ক্ষেত্ৰৰ বাবে পৃথকে পৃথকে প্ৰয়োজনীয় আন্তঃগাঁথনিমূলক সা-সুবিধা সমূহ সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগিব আৰু ইয়াৰ বাবে আগবাঢ়ি আহিব লাগিব চৰকাৰ, পৰ্যটন খণ্ডৰ সৈতে জৰিত বিভিন্ন বিভাগ, অনুষ্ঠান প্ৰতিষ্ঠান, পৰ্যটন উদ্যোগী সকল আৰু স্থানীয় ৰাইজ। লগে লগে অঞ্চলটোৰ সকলো আকৰ্ষণ, ঐতিহ্য, গৌৰৱ আৰু অনিৰ্বচনীয় সৌন্দৰ্যক বিশ্ব দৰবাৰত উপস্থাপন কৰিবলৈ পৰিকল্পিতভাৱে অৱন্ত কৰিব লাগিব ধাৰাবাহিক প্ৰচাৰ অভিযান। এই প্ৰচাৰ অভিযানৰ কৌশল বা পদ্ধতি বহু ধৰণৰ হ'ব পাৰে। কিন্তু পৰ্যটন কেন্দ্ৰীক দিৱস, উৎসৱ-মহোৎসৱ আদি উদ্‌যাপনৰ উদ্যোগ লোৱাটো হ'ব এই প্ৰচাৰ অভিযানৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ অংশ।

মায়ং পৰ্যটনৰ অতীত...

মায়ং-পবিতৰা পৰ্যটনৰ বাট কাটিবলৈ ঠিক ওপৰত উল্লেখিত উদ্দেশ্যসমূহ আগত ৰাখিয়েই ২০০২ চনত ট'ৰফেড নামৰ এটা অধুনালুপ্ত সংস্থাৰ সংগঠক হিচাপে দায়িত্ব গ্ৰহণ কৰি (ছাত্ৰ অৱস্থাত থাকোতেই) এই লেখকে নিজেই উদ্যোগ লৈ স্থানীয় ৰাইজৰ একান্ত সহযোগত অঞ্চলটোত পোন প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰিছিলো 'বিশ্ব পৰ্যটন দিৱস'। প্ৰায় ২.৫ কি:মি: দৈৰ্ঘ্যৰ বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন, পিতৃ-পিতামহ সকলৰ প্ৰাচীন সামগ্ৰী আৰু কলা-কৌশলসমূহৰ প্ৰদৰ্শনীৰ আয়োজনৰ লগতে আন আন বৰ্ণাঢ্য কাৰ্যসূচিৰে উদ্‌যাপন কৰা এই প্ৰথমটো বিশ্ব পৰ্যটন দিৱসৰ জৰিয়তেই আমি বিশ্ববাসীৰ সন্মুখত উন্মোচন কৰিবলৈ সক্ষম হৈছিলো মায়ং-পবিতৰাৰ গুপুত বুৰঞ্জী, ৰহস্যময় সভ্যতা-সংস্কৃতি, প্ৰকৃতি আৰু পৰ্যটনৰ বৰ্ণিল-বিচিত্ৰ সমলবাজি। আমাৰ কাৰ্যসূচীসমূহ ইমানেই সফল আৰু আকৰ্ষণীয় হৈছিল যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত ব্যাপক প্ৰচাৰ লাভ কৰিছিল আৰু ঠিক পাছ দিনাৰ পৰাই মায়ং পবিতৰালৈ পৰ্যটকৰ সোঁত ববলৈ আৰম্ভ কৰিছিল আৰু সেয়াই আছিল মায়ং-পবিতৰা পৰ্যটনৰো শুভ আৰম্ভণি।

২০০২ চনত মায়ঙত প্ৰথমবাৰৰ বাবে বিশ্ব পৰ্যটন দিৱস উদ্‌যাপন কৰা বছৰটোতে আমি নাৰিকল ভাঙি, ফিটা কাটি পবিতৰাত প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে শুভ আৰম্ভ কৰিছিলো এলিফেণ্ট ছাফাৰী, অশেষ কষ্টৰে স্থাপন কৰিছিলো মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ। ইয়াৰ পাছত পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষৰ সহযোগত এই লেখকেই উদ্যোগ লৈ স্থানীয় ছাত্ৰ সমাজৰ জৰিয়তে অভয়াৰণ্যৰ ভিতৰৰ ৰাস্তা মুকলি কৰি শুভাৰম্ভ কৰিছিলো জীপ ছাফাৰী, হাদুগ হ্ৰদৰ বুকুত শুভাৰম্ভ কৰিছিলো ব'ট ছাফাৰী, স্থানীয় শিল্পীৰ হস্ত শিল্পজাত সা-সামগ্ৰীসমূহ সংগ্ৰহ কৰি স্থাপন কৰিছিলো এটি এম্প'ৰিয়াম, ছৈদিয়া ম'হৰ গাড়ীত (ফুল-পুষ্পৰে সজ্জিত) পৰ্যটক উঠাই লৈ সূচনা কৰিছিলো গ্ৰাম্য পৰ্যটন, মহাবাহু লুইতৰ নীলাভ বুকুৰে আৰম্ভ কৰিছিলো নদী পৰ্যটন, স্থানীয় শিল্পীসকলৰ লোকগীত, লোকনৃত্য, স্থানীয় যাদুকৰৰ যাদুকলা প্ৰদৰ্শনৰ দৰে অনন্য কাৰ্যসূচী আয়োজনেৰে আৰম্ভ কৰি দিছিলো সাংস্কৃতিক পৰ্যটন। এনেকৈয়ে ক্ৰমে ক্ৰমে আৰম্ভ হৈছিল মায়ং-পবিতৰা পৰ্যটনৰ সোণোৱালী যাত্ৰা।

২০০৭ চনত ট'ৰফেডৰ সংগঠক হিচাপে এই লেখকৰ নেতৃত্বতে স্থানীয় ৰাইজৰ একান্ত সহযোগত বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে মায়ং-পবিতৰাত আমি পুনৰবাৰ উদ্‌যাপন কৰিছিলো 'বিশ্ব পৰ্যটন দিৱস। বন্যপৰ্যটনৰ লগতে গ্ৰাম্য আৰু সাংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰখনো বিকশাই তোলাৰ লক্ষ্যৰে আন আন কাৰ্যসূচীৰ লগতে আমি সেইবাৰ অনুষ্ঠিত কৰিছিলো 'মিচ্ আসাম ট্যুৰিজম্ (ৰোৰেল) কন্টেষ্ট' অৰ্থাৎ অসম গ্ৰাম্য পৰ্যটন সুন্দৰী প্ৰতিযোগিতা। আশানুৰূপ ধৰণেৰে সেইবাৰো আমি সফল হৈছিলো। উল্লেখিত দুয়োবাৰৰ বিশ্ব পৰ্যটন দিৱস উদ্‌যাপনে একে সময়তে কেইবাটাও উদ্দেশ্য সাধন কৰিছিল। উদাহৰণস্বৰূপে এই উদ্‌যাপনে অঞ্চলটোৰ ঐতিহ্য-গৌৰৱ আৰু সংস্কৃতিক বিশ্ব পৰ্যটনৰ মানচিত্ৰত এক সন্মানজনক স্থানত অধিষ্ঠিত কৰাবলৈ সক্ষম হৈছিল আৰু মায়ং-পবিতৰা পৰ্যটনৰ উত্তৰসুৰী বাটটো চিকুনকৈ নিৰ্মাণ কৰি উলিয়াইছিল। অঞ্চলটো দৰ্শনৰ বাবে দেশী-বিদেশী পৰ্যটকৰ সোঁত বাঢ়ি আহিবলৈ আৰম্ভ কৰিছিল। চৰকাৰেও অঞ্চলটোৰ পৰ্যটন কেন্দ্ৰীক গুৰুত্ব উপলব্ধি কৰি ইয়াৰ আন্তঃগাঁথনি উন্নয়নৰ কামত অলপ হ'লেও মনোনিৱেশ কৰিছিল আৰু সৰ্বসাধাৰণ ৰাইজেও নিজৰ অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য, বনৰীয়া জীৱ-জন্তু, ঐতিহ্য আৰু সংস্কৃতিবোৰৰ পৰ্যটন কেন্দ্ৰীক গুৰুত্ব উপলব্ধি কৰি সেইবোৰ সংৰক্ষণৰ বাবে আগতকৈয়ো অধিক সজাগ হৈ উঠিছিল।

ইয়াৰ পাছত ২০১১ চনত একেবোৰ উদ্দেশ্য আগত ৰাখিয়েই মৰিগাঁও জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজৰ যৌথ উদ্যোগত ব্যাপক আয়োজনৰে আমি তিনিদিনিয়াকৈ উদ্‌যাপন কৰিছিলো 'মায়ং পবিতৰা মহোৎসৱ'। প্ৰায় ৩ কি:মি: দৈৰ্ঘ্যৰ এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা, ইতিহাস-ঐতিহ্যৰ প্ৰদৰ্শনীৰ অনুষ্ঠান, লোক নৃত্য সমাবোহ, লোক খেল ধেমালী সমাবোহ, লোক খাদ্য মেলা, লোক বস্ত্ৰ মেলা, বেজ-কবিৰাজৰ সমদল, নৌকা খেল, জীপ ছাফাৰী, এলিফেণ্ট ছাফাৰী, গীত-নৃত্য-নাটিকাকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আয়োজনেৰে উদ্‌যাপন কৰা এই মহোৎসৱেও মায়ং-পবিতৰা পৰ্যটন ক্ষেত্ৰলৈ এক নতুন গতি বোৱাই আনিছিল। ইয়াৰ

পাছত ২০১৭ চনৰ জানুৱাৰী মাহত ৩ দিনিয়াকৈ পুনৰ উদ্‌যাপন কৰা হৈছিল পৰ্যটন কেন্দ্ৰীক মহোৎসৱ 'পবিতৰা এনচ্যান্টেড'। একেটা বৰ্ষৰে এপ্ৰিল মাহত সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আমি স্থানীয় ৰাইজে ৫ দিনিয়াকৈ উদ্‌যাপন কৰিছিলো 'নমামী ব্ৰহ্মপুত্ৰ মহোৎসৱ'। এই মহোৎসৱে মায়ং পবিতৰাৰ মোহনীয় আকৰ্ষণবোৰৰ লগতে সমগ্ৰ মৰিগাঁও জিলাৰে পৰ্যটনৰ সমলৰাজিক বিশ্ব সম্প্ৰদায়ৰ সন্মুখত উপস্থাপন কৰিছিল।

২০০২ চনত প্ৰথমবাৰৰ বাবে বিশ্ব পৰ্যটন দিৱস উদ্‌যাপনেৰে মায়ং পবিতৰাত পৰ্যটনৰ সূত্ৰপাত ঘটোৱাৰ পাছৰে পৰা ২০১৭ চনলৈ উদ্‌যাপন কৰা উল্লেখিত আটাইকেইটা উৎসৱ-মহোৎসৱে মায়ং-পবিতৰা পৰ্যটনক দান কৰিছিল এক অনন্য মাত্ৰা। কিন্তু তত্‌স্বত্বেও আমি ওপৰত উল্লেখ কৰি অহাৰ দৰে (পবিতৰা অভয়াৰণ্যক কেন্দ্ৰ কৰি গঢ়ি উঠা আন্তঃগাঁথনিমূলক সা-সুবিধাখিনিৰ বাবে) একমাত্ৰ বন্যপৰ্যটনৰ ধাৰণাটোৱেহে মায়ং-পবিতৰাত আশানুৰূপভাৱে বিকাশ লাভ কৰিছে। আমি ওপৰত আলোচনা কৰি অহা পৰ্যটনৰ আন আন ধাৰণা বা ক্ষেত্ৰসমূহ অঞ্চলটোত বিকশিত হৈ নুঠাৰ একমাত্ৰ কাৰণটোৱে হ'ল প্ৰতিটো ক্ষেত্ৰৰ বাবে পৃথকে পৃথকে প্ৰয়োজন হোৱা আন্তঃগাঁথনিমূলক নূন্যতম সা সুবিধাখিনিৰ অভাৱ। এই ক্ষেত্ৰত আমাৰ স্থানীয় দুখীয়া জনসাধাৰণে বিশেষ কিবা কৰিব পাৰিব বুলি বা তেওঁলোকৰ বৰ বিশেষ কিবা কৰণীয় আছে বুলি আমি নাভাবো। ইয়াৰ বাবে নিশ্চিতভাৱে আগবাঢ়ি আহিব লাগিব চৰকাৰ, পৰ্যটনৰ স'তে জৰিত বিভিন্ন বিভাগ, অনুষ্ঠান-প্ৰতিষ্ঠান কিম্বা সৰহকৈ ধন-বিত থকা বাজ্য খনৰ পৰ্যটন উদ্যোগীসকল। স্থানীয় ৰাইজক লগত লৈ চৰকাৰী পক্ষ বা পৰ্যটন উদ্যোগীসকলে অগ্ৰাধিকাৰ ভিত্তিত প্ৰয়োজনীয় আন্তঃগাঁথনিমূলক সা-সুবিধাখিনিৰ সৃষ্টিত আগভাগ নল'লে বন্যপৰ্যটনক বাদ দি আমি ওপৰত উল্লেখ কৰি অহা আন আন আটাইবোৰ পৰ্যটন কেন্দ্ৰীক সম্ভৱনা, সম্ভৱনা হৈয়ে ৰৈ থাকিব। অৱশ্যে স্থানীয় যুৱক-যুৱতী সকলেও (একক প্ৰচেষ্টাত নোৱাৰিলেও) দুই চাৰি লগ হৈ একো একোটা গোট গঠন কৰি কিছু কিছু ক্ষেত্ৰত আগভাগ ল'ব পাৰে।

মুঠতে পৰ্যটনক এক উদ্যোগলৈ ৰূপান্তৰ কৰি মায়ং-পবিতৰাই ইয়াৰ পৰা সৰ্বাধিক অৰ্থনৈতিক লাভ আদায় কৰিবলৈ হ'লে বন্যপৰ্যটনৰ লগতে পৰ্যটনৰ আন আন ধাৰণা বা ক্ষেত্ৰসমূহৰো আশানুৰূপ বিকাশ ঘটিবই লাগিব। সুনিৰ্দিষ্ট পৰিকল্পনা আৰু আন্তঃগাঁথনি সৃষ্টিৰে পৰ্যটনৰ আটাইকেইটা ধাৰণাৰ সম বিকাশ ঘটাব পাৰিলে বিশ্ব পৰ্যটনৰ মানচিত্ৰত মায়ং-পবিতৰাই নিশ্চিতভাৱে এক মৰ্যদাসম্পন্ন স্থান দখল কৰিব আৰু বৰ্তমানতকৈও অধিক হাৰত অঞ্চলটোলৈ দেশী-বিদেশী পৰ্যটকৰ সোঁত ব'ব। লগে লগে বিভিন্ন ক্ষেত্ৰত যথেষ্ট সংখ্যক স্থানীয় নিবনুৱা যুৱক-যুৱতীয়ে স্ব-নিয়োজনৰ সুবিধা লাভ কৰিব আৰু ইয়ে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰলৈ এক সাগৰ সদৃশ পৰিৱৰ্তন বোৱাই আনিব। অৱশ্যে ইয়াৰ বাবে চৰকাৰেই সকলো কৰি দিব বুলি হাত সাৱটি বহি নাথাকি প্ৰচুৰ কৰ্মস্পৃহা লৈ আগবাঢ়ি আহিব লাগিব অঞ্চলটোৰ নতুন পুৰুষ আৰু চৰকাৰেই তেওঁলোকলৈ আগবঢ়াব লাগিব আশানুৰূপ সহায়ৰ হাত।

**পৰ্যটকৰ পৰিসংখ্যা...**

তথ্য অনুসৰি বন্যপৰ্যটনৰ মাদকতাখিনি উপভোগৰ বাবে পবিতৰা অভয়াৰণ্যলৈ অহা পৰ্যটকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে আৰু সেই মতেই বৃদ্ধি পাই আহিছে চৰকাৰে সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ। ২০১০-১১ পৰ্যটন বৰ্ষত পবিতৰা দৰ্শনৰ বাবে অহা দেশীয় পৰ্যটকৰ সংখ্যা আছিল ১৩,৪২৮ জন, বিদেশী পৰ্যটকৰ সংখ্যা আছিল ২৯০ জন আৰু সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ আছিল ১৮,১৬,৪১০ টকা। ২০১৫-১৬ পৰ্যটন বৰ্ষত দেশীয় পৰ্যটকৰ সংখ্যা হৈছিল ১৮,১৭৮ জন, বিদেশী পৰ্যটকৰ সংখ্যা হৈছিল ৩৪৭ জন আৰু সংগৃহিত ৰাজহৰ পৰিমাণ হৈছিল ৩০,৭৮,০৭৫ টকা। ২০১৮-১৯ পৰ্যটন বৰ্ষত এই সংখ্যা বাঢ়ি গৈ দেশীয় পৰ্যটকৰ সংখ্যা হৈছিলগৈ ৩৪,৬০৬ জন, বিদেশী পৰ্যটকৰ সংখ্যা হৈছিলগৈ ৬০৫ জন আৰু সংগৃহিত ৰাজহৰ পৰিমাণ হৈছিলগৈ ৬১,৫২,১২৫ টকা। আনকি বিগত দুটা পৰ্যটন বৰ্ষত ক'ৰোনা সৃষ্ট ল'কডাউন পৰিৱেশৰ মাজতো পবিতৰা ভ্ৰমনলৈ অহা পৰ্যটকৰ সংখ্যা চকুত লগা ধৰণৰ। ...... পৰ্যটন বৰ্ষত দেশীয় পৰ্যটকৰ সংখ্যা আছিল ...... জন, বিদেশী পৰ্যটকৰ সংখ্যা আছিল ...... জন আৰু সংগৃহিত ৰাজহৰ পৰিমাণ আছিল ...... টকা। ঠিক সেইদৰে ...... পৰ্যটন বৰ্ষতো (ক'ৰোনা সৃষ্ট পৰিৱেশৰ মাজতে) পবিতৰালৈ অহা দেশীয় পৰ্যটকৰ সংখ্যা আছিল ...... জন, বিদেশী পৰ্যটকৰ সংখ্যা আছিল ...... জন আৰু সংগৃহিত ৰাজহৰ পৰিমাণ আছিল ...... টকা।

মন কৰিবলগীয়া কথাটো হ'ল, উল্লেখিত পৰিসংখ্যাখিনি একমাত্ৰ পবিতৰাক কেন্দ্ৰ কৰি গঢ়ি উঠা বন্যপৰ্যটনৰ লগতহে জৰিত। কিন্তু ইয়াৰ বাহিৰেও মায়ঙৰ প্ৰত্নতাত্ত্বিক ৰহস্য, ইতিহাস, ঐতিহ্য, সভ্যতা সংস্কৃতি, তন্ত্ৰ-মন্ত্ৰ ইত্যাদিৰ সন্ধানত আৰু গ্ৰাম্য পৰ্যটন, নদী পৰ্যটন, দুঃসাহসিক পৰ্যটন আদিৰ আকৰ্ষণত যথেষ্ট সংখ্যক দেশী-বিদেশী পৰ্যটক বিগত বৰ্ষবোৰত মায়ং পবিতৰালৈ আহিছে। এই তথ্যখিনি প্ৰণালীবদ্ধভাৱে কোনেও লিপিবদ্ধ কৰি ৰখা নাই যদিও মায়ং-পবিতৰালৈ অহা এই ভিন্ন ৰুচিৰ পৰ্যটকৰ সংখ্যাও একেবাৰে কিন্তু তাকৰ নহয়। বন্যপৰ্যটন ক্ষেত্ৰখনৰ দৰে নূন্যতম আন্তঃগাথনি সৃষ্টিৰে আন আন পৰ্যটন ক্ষেত্ৰকেইখনৰো বিকাশ ঘটাব পাৰিলে অদূৰ ভৱিষ্যতে মায়ং-পবিতৰা অঞ্চলটো হৈ উঠিব পাৰে সকলো ধৰণৰ ৰুচি-অভিৰুচিৰ পৰ্যটকৰ বাবেই প্ৰথম পছন্দ, এক ভূ-স্বৰ্গ কিম্বা এক অনিৰ্বচনীয় ক্ষেত্ৰ।

**ল'বলগীয়া পদক্ষেপ ঃ কিছু পৰিকল্পনা/ কিছু সপোন...**

পৰ্যটন উদ্যোগ এটি বিকাশৰ বাবে প্ৰয়োজনীয় সকলোখিনি কেঁচা মাল প্ৰকৃতিয়ে মায়ং-পবিতৰাত হাত উজাৰি দিছে। যিখিনি দিছে আৰু যিখিনি আছে, সেইখিনিৰ লগত মাথো পৰ্যটকৰ বাবে প্ৰয়োজনীয় আন্তঃগাথনিমূলক সা-সুবিধাখিনি সংযোগ কৰাটোহে এতিয়া সময়ৰ আহ্বান। আন্তঃগাথনিমূলক সা-সুবিধা বুলি ক'লে আকৌ ভিন ভিন ক্ষেত্ৰৰ বাবে ভিন ভিন বহুখিনি কথাই আহি পৰে। বেছি দীঘলীয়া হোৱাৰ ভয়ত সেই কথাখিনি আৰু এই লেখাটোত আমি সামৰিব খোজা নাই। সেই আন্তঃগাথনিমূলক সা-সুবিধা সমূহৰ লগতে মায়ং-পবিতৰাৰ পৰ্যটন কেন্দ্ৰীক সৌন্দৰ্য আৰু দুগুণে বৃদ্ধি কৰিবলৈ ইয়াৰ কেঁচা মাল সমূহৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই অগ্ৰাধিকাৰ ভিত্তিত আৰু কেইটামান পদক্ষেপ হাতত লোৱাটো উচিত বুলি আমি ভাবো।

উদাহৰণস্বৰূপে এই অঞ্চলটোলৈ প্ৰবেশ কৰিবৰ বাবে তিনিটা দিশৰ পৰা থকা তিনিওটা প্ৰবেশ পথতে অঞ্চলটোৰ বৈশিষ্ট প্ৰতিফলনেৰে তিনিখন চকুত লগা আদৰণি দ্বাৰ নিৰ্মাণ কৰা, পথ কেইটাৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিবৰ বাবে পথৰ দুয়ো পাৰে পৰিকল্পিত ৰূপত আলংকাৰিক বৃক্ষ ৰোপন কৰা, মায়ঙৰ যাদু-মন্ত্ৰ আৰু বনৌষধীয় চিকিৎসা পৰম্পৰাক সু-সংগঠিত ৰূপত সজোৱাৰ লগতে এই পৰম্পৰাগত জ্ঞান-প্ৰজ্ঞাখিনিৰ উপযুক্ত সংৰক্ষণ, বিকাশ আৰু বিস্তাৰৰ বাবে এখন যাদু বিদ্যাৰ বিদ্যালয় স্থাপন কৰা, স্থানীয় বেজ-কবিৰাজ সকলে চিনাক্ত কৰা দুষ্প্ৰাপ্য ঔষধীয় গছ-লতাসমূহ একত্ৰিত কৰি এখন বনৌষধীৰ উদ্যান নিৰ্মান কৰা, তন্ত্ৰযোগ আৰু মন্ত্ৰযোগৰ সাধনা স্থলী হিচাপে প্ৰসিদ্ধি থকা এই অঞ্চলটোত যোগ বিদ্যাৰ এখন বিশ্ববিদ্যালয় নিৰ্মাণ কৰা, অঞ্চলটোৰ লোকসংস্কৃতি, লোক নৃত্য, যাদু কলা ইত্যাদিৰ প্ৰদৰ্শনৰ লগতে ইতিহাস, ঐতিহ্যৰ ওপৰত নিৰ্মিত তথ্যচিত্ৰ, নাট আদি প্ৰদৰ্শনৰ বাবে এটা সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, কৰ্মশালা, অন্তৰংগ আলাপৰ অনুষ্ঠান আদি অনুষ্ঠিত কৰিব পৰাকৈ এটা আলোচনা গৃহ নিৰ্মাণ কৰা, লোক কৃষ্টি-সংস্কৃতি, জৈব-বৈচিত্ৰ, প্ৰত্নতত্ত্ব, ইতিহাস-ঐতিহ্য ইত্যাদিৰ গৱেষণাৰ লগত জৰিত গৱেষক-পণ্ডিত সকলৰ সুবিধা হোৱাকৈ এটা আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থাগাৰ নিৰ্মাণ কৰা, অঞ্চলটোৰ অতি কমেও দুই-তিনিখন সৰু গাঁও নিৰ্বাচন কৰি সকলো অৰ্থনৈতিক সা-সুবিধা প্ৰদানেৰে প্ৰাচীন পৰম্পৰাগত বৈশিষ্টবোৰ ধৰি ৰাখি গাঁও কেইখনক আদৰ্শ গাঁও হিচাপে গঢ়ি তোলা, অঞ্চলটোত থকা পাহাৰৰ দাতি কাষৰীয়া ঠাই বা নৈ, বিল, জলাশয়ৰ পাৰত অৱস্থিত ঠাই কেইখনমান নিৰ্বাচন কৰি পৰ্যটক সকলৰ বিনোদনৰ বাবে কেইখনমান বিনোদন উদ্যান নিৰ্মাণ কৰা, কাপৌলা পাহাৰৰ টিলাৰ পৰা গনেশ পাহাৰৰ টিলালৈ নতুবা মায়ং পাহাৰৰ টিলাৰ পৰা কাজলী পাহাৰৰ টিলালৈ 'ৰোপ ৱে' নিৰ্মাণৰ ব্যৱস্থা কৰা, প্ৰত্নতাত্বিক স্থান সমূহৰ লগতে প্ৰাচীন মঠ-মন্দিৰ, থান-মকামবোৰৰ সু-সংৰক্ষন আৰু উন্নয়নৰ ব্যৱস্থা কৰা, পবিতৰা অভয়াৰণ্যত হস্তী বিহাৰৰ বাবে প্ৰশিক্ষিত হস্তীৰ সংখ্যা বৃদ্ধি কৰা, পক্ষী নীৰিক্ষণ কেন্দ্ৰ স্থাপনেৰে অভয়াৰণ্যখনক পক্ষী পৰ্যটনৰ ক্ষেত্ৰৰূপেও গঢ়ি তোলা আৰু জীৱ বিজ্ঞানৰ দৃষ্টিৰে যদি সম্ভৱ হয় তেন্তে উপযুক্ত আন্তঃগাথনিৰে ১৬ বৰ্গ কিঃমিঃ ৰ এই অভয়াৰণ্যখনক 'প্ৰাকৃতিক চিৰিয়াখানা' লৈ ৰূপান্তৰ কৰা, নৈ, বিল, জলাশয় সমূহত এংলিং, ব'টিং, ৰাফটিং, কেন'য়িং, কায়াকিং আদি জলক্ৰীড়াৰ ব্যৱস্থা কৰা, পাহাৰীয়া এলেকাত ট্ৰেকিং, চাইক্লিং, ৰ'ক ক্লাইমিং আদি দুঃসাহসিক ক্ৰীড়াৰ ব্যৱস্থা কৰা, ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত চনকা, হিলৈখুন্দা, ঔগুৰি, লোনমাটি, হাতীমূৰীয়া গাঁৱৰ উপকূলীয় বালি চৰত কেম্পিং, পেৰাচুইটিং আদিৰ ব্যৱস্থা কৰা, 'হোম ষ্টে' ধাৰণাটিৰ বিকাশ সাধন কৰা আৰু এই ক্ষেত্ৰত স্থানীয় উদ্যোগী লোকসকলক সোত বিহীন ঋণ বা ৰাজ সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰা, অঞ্চলটোৰ কেঁচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি কিছু সংখ্যক ক্ষুদ্ৰ আৰু কুটিৰ উদ্যোগ স্থাপন কৰা আৰু হস্ত শিল্পৰ সৈতে জৰিত শিল্পী, কলা-কুশলী সকলক উদ্যমিতাৰ প্ৰশিক্ষণ দিয়া ইত্যাদি।

ইয়াৰ বাহিৰেও অঞ্চলটোত উপলব্ধ কেঁচা সামগ্ৰী আৰু অন্যান্য আকৰ্ষণবোৰৰ ওপৰত ভিত্তি কৰি নিয়মীয়াকৈ কিছুমান বিশেষ পৰ্যটন কেন্দ্ৰীক উৎসৱ বা মহোৎসৱ উদযাপনৰ পৰিকল্পনা হাতত ল'ব লাগিব। উদাহৰণস্বৰূপে মৎস উৎপাদনৰ ক্ষেত্ৰত খ্যাতি থকা এই অঞ্চলটোত উদ্‌যাপন কৰিব পাৰি মৎস মহোৎসৱ, কৃষি জাত সামগ্ৰী সমূহক কেন্দ্ৰ কৰি উদ্‌যাপন কৰিব পাৰি কৃষি মহোৎসৱ, ঠিক সেইদৰে উদ্‌যাপন কৰিব পাৰি যাদু মহোৎসৱ, লোক নৃত্য মহোৎসৱ, গামোচা মহোৎসৱ, লোক ক্ৰীড়া মহোৎসৱ, লোক খাদ্য মেলা, লোক বাদ্য মেলা, চৰাই মহোৎসৱ, গড়ৃ মহোৎসৱ ইত্যাদি। পৰ্যায়ক্ৰমে এই সকলোবোৰ পৰিকল্পনাক বাস্তৱ ৰূপ দিব পাৰিলে এটা কথা নিশ্চিত যে পৰ্যটনৰ দুনিয়াত মায়ং-পবিতৰাক চেৰ পেলাব পৰা ঠাই অসম নহয়, ভাৰতবৰ্ষ নহয়; বিশ্বৰ বহু দেশতো খুব কমহে ওলাব। স্থানীয় বাসিন্দা হিচাপে আৰু মায়ং-পবিতৰা পৰ্যটন উন্নয়নৰ সৈতে দীৰ্ঘ দিন ধৰি জৰিত ব্যক্তি হিচাপে আমিও তাকেই কামনা কৰো। মায়ং-পবিতৰাৰ সেউজীয়া বুকুলৈ কোন ধৰণৰ ধোঁৱা ওলোৱা উদ্যোগ আমি আদৰণি জনাব নোখোজোঁ। ইয়াৰ পৰিবৰ্তে আশানুৰূপ বিকাশ বিচাৰো সেউজীয়াক সেউজীয়া কৰি ৰাখিব পৰা পৰ্যটন উদ্যোগটোৰ। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে দ্বিতীয় স্থানত থকা এই পৰ্যটন উদ্যোগটোৰ বিকাশ হ'লে অকল মায়ঙৰে নহয়, মায়ঙৰ চৌপাশৰ অঞ্চলবোৰ কিম্বা ৰাজ্যখনৰে যথেষ্ঠ সংখ্যক স্থানীয় যুৱক-যুৱতীয়ে এই উদ্যোগটোৰ বিভিন্ন ক্ষেত্ৰত নিয়োজনৰ সুবিধা পাব। ঠাইখন, ৰাজ্যখন কিম্বা আমাৰ দেশখন অৰ্থনৈতিক প্ৰগতিৰ বাটেৰে আগুৱাই যাব। নিজৰ দেশলৈ বিদেশী মুদ্ৰাৰ আগমন ঘটিব। ঠিক তাকেই আমি অন্তঃকৰণেৰে কামনা কৰো।

-০-০-০-

# জীৱনৰ শান্তি বিচাৰি

শ্ৰী অতুল চন্দ্ৰ নাথ
মুৰব্বী অধ্যাপক (অসমীয়া বিভাগ)

প্ৰকৃততে সংঘাতহীন জীৱনতেই থাকে শান্তি। যিয়ে আনক শান্তি দিব জানে। তেওঁ নিজকো শান্তিত ৰাখিব পাৰে। ভাল পাবলৈ শিকিলেই শান্তিৰ আগমন ঘটে। যীশু, হজৰতে শান্তি স্থাপনৰ উদ্দেশ্যে বাণী প্ৰচাৰ কৰিছিল; কিন্তু দুৰ্জ্জনসকলে অহংকাৰত মত্ত হৈ তেওঁলোকৰ মান ৰাজত্ব শূন্য হ'ব জানি শান্তি দিবলৈ জনগণৰ মাজত তেওঁলোক দুজনৰ বিৰুদ্ধে হিংসাৰ বীজ সিঁচি দিছিল।

মানুহ যেতিয়া সন্তুষ্ট থাকে তেতিয়াই আনন্দ অনুভব কৰে। তেওঁ সুখী হয়। সন্তুষ্ট থাকিব পৰাটো একমাত্ৰ নিজৰ কথা। অচলতে যিজনে শুদ্ধ চিন্তা সৎ কৰ্ম আৰু জ্ঞানী জীৱন ধৰিব পাৰে তেওঁকেই সন্তুষ্ট, শান্তি আৰু অনন্দই লগ দিয়ে। যি মানুহে অহংকাৰ, হিংসা, পৰশ্ৰী কাতৰতা মহা-ব্যাধী বুলি নাজানে তেওঁ নিজে দুখ সাৱতি লয় আনজনলৈকে বিয়পাই দিয়ে।

অশান্তি জীৱনে কোনো দিন আনৰ মঙ্গল কামনা নকৰে; যি কল্যাণকৰ্মী পৰৰ হিত চিন্তা জীৱনতব্ৰত হয়। অশান্তিৰ মূলতে অসৎ কৰ্মত প্ৰবৃত্ত হোৱা। সেয়ে দেশ জনগণলৈ সৰ্ব্বনাথ মাতি আনি চাৰিও দিশ অশান্তি কৰি তোলে।

বিজ্ঞানৰ যুগত কৃত্ৰিম মানুহৰ প্ৰয়োজনে কোনো লোকক শান্তিৰে জীয়াই থাকিব নিদিয়ে। প্ৰকৃতিক ধ্বংস কৰি মানৱতাক নেওচি বলিয়ালিৰে জীয়াই থকাৰ তাণ্ডৱ গৰ্জ্জনত জন্মভূমিও যেন উচুপি উঠে। কু-কৰ্ম আৰু কু-চিন্তাই গোটেই বিশ্ব-চৰাচৰ আবৰি ধৰি জীয়াই থকাৰ অক্সিজেন গেছ যেন নোহোৱা কৰিলে। হে নৰ-মনিচ, এবাৰলৈ নিজৰ ভুল বিচাৰি চিনা; কোনোবা দিনা ক্ষন্তেকতে অভিনয়ৰ খেলখন সামৰণি পৰিব।

সৌন্দৰ্য্য সত্য সৎ বিচৰিলে ভাল-মঙ্গল; শান্তি অনন্দ কোনোৱে নেদেখাকৈ লভিব পাৰি। পৰমানন্দৰ ওচৰ চাপি যাব পাৰি; অৱশ্যে কোলাহল এৰিব লাগে। মান-সন্মান? লোভ-মোহ? অহংকাৰ? প্ৰকৃতিৰ মোহত আবদ্ধ হৈ পাহৰিব লাগিব। ভাবিম আৰু ভিবিবা — 'কাঞ্চনসংঘা' কথা; প্ৰকৃতি প্ৰীতিয়ে কয়। তেওঁ জোন-বেলি পোহৰৰ লগত কত্তহা পাতিব জানে; সেয়ে তেওঁৰ সঙ্গ। বিশ্বাস কৰিব জনাই কৰে; প্ৰকৃতিত শান্তি বিচাৰি নিজক পাহৰি থাকে। সোনোৱালী দেশত বিচৰণ কৰিলেই দিখবোৰ আঁতৰি যায়; জানিব লাগিব সেই দেশৰ কথা, দেখিব লাগিব সেই দেশক। সেইদেশে মাতি থাকিব। দেখিব লাগিব — 'সৌন্দৰ্য্য-সত্য-সৎ।

ব্ৰহ্মাক উপাসনা কৰা এক সৰ্ব্বশ্ৰেষ্ঠ ধৰ্ম। আনন্দই সঙ্গ দিয়ে। ব্ৰহ্মাৰ লগত মিলিত হ'লে পৰম শান্তি অনুভৱ হয়। মানৱ জীৱনতে এনে শান্তি পোৱা নগ'লে আন জন্মত পোৱা কল্পনাতীত। হে মানুহ কলৈ গৈছে? একো নোপোৱা। আমাৰ সাহিত্যৰথী বেজবৰুৱাৰ ব্যঙ্গৰ ভিতৰুৱা। শংকৰ গুৰুজনাৰ আদৰ্শ সনাতন বস্তু। হায় মানুহৰ মাথোন ভাওনা আৰু ভাওনা। সীমা অতিক্ৰম কৰি গ'ল। হজৰতৰ আদৰ্শ সিহঁত বোৰেও নাৰাখে। সকলোৱে মিলি-জুলি ভাওনা কৰাত লাগিল। পাপ-অসৎ কৰ্মলৈ ভয় নোহোৱা হ'ল। পাপৰ পূজাৰী গনিব নোৱাৰা হ'ল।

বিষয় ইন্দ্ৰিয়ৰ সুখ মূৰ্খৰহে— আত্ম-জ্ঞানী তত্ত্বদৰ্শীয়ে কয় লোভী কামীৰ সেইবোৰে প্ৰধান। সেয়ে হয় প্ৰৱঞ্চনা মুখ্য। আঁধ্যাত্মিকতাৰ অতুল জ্ঞানে মানুহক প্ৰকৃত মানুহ কৰি তোলে। আগ্ৰহী হ'ব লাগে ইবোৰত। দেশত শান্তিৰ আশা কৰিব পাৰি। আদৰ্শ প্ৰতিষ্ঠাৰ প্ৰতিযোগিতা হোৱা হ'লে সংঘাত যে কমিল হেঁতেন দৃঢ় কৰি ক'ব পাৰি। কথাতে আছে মিছাৰ প্ৰতিযোগিতা'

এয়ে সমাজ, এয়ে আজিৰ মানুহ।

বয়স গৈ থকাৰ ভাবিবলৈ সময় নাই; মান আৰু ধন কেতিয়া আহে তাতেই ব্যাকুল। সেয়ে হয় মৰা-মৰি; জন্ম হয় হিংসা-ঈৰ্ষাৰ। কি শিক্ষিত, কি অশিক্ষিত সকলো একাকাৰ। ধনী নিধনীৰ মাজতো সেই একেই ঈৰ্ষা। ইহঁতৰ ৰাজত্বই মোহগ্ৰস্তৰ টোপনি কাঢ়িলে। ক'লৈ গ'ল টোপনি তাকো পাহৰিলে। হায় দেশৰ মানুহ।

দেশৰ চিন্তা নাই; নিজৰ চিন্তা। স্বাৰ্থপৰৰ হয়গান। নিঃস্বাৰ্থৰ ওপৰত স্বাৰ্থপৰৰ হাঁহি-ইতিকিং অট্টহাস্য। মূৰ্খ কোন? কাৰ লগত শান্তি আছে? সৌন্দৰ্য্য আৰু সত্যক কোনে দেখিব? নিজেই নজক ভাবিব চোৱাৰ সময় নাই।

যায় গুচি। সকলোৱে জানে। নাজানে কোন? নিশ্চয় মূৰ্খই। জ্ঞানী আৰু মূৰ্খৰ যুদ্ধ নহয়; মূৰ্খই মূৰ্খৰ লগত হে যুদ্ধ কৰে। এয়াও শুনা কথা। সঁচা-মিছা জনা নাযায়।

চৈতন্যৰ জীৱন মঙ্গল জনক; কাৰণ তেওঁৰ জ্ঞান পিপাসু মানে প্ৰকৃতিক অধ্যয়ন কৰে। কাৰুণ্য নৈৰাশ্য জীৱন হ'লেও প্ৰকৃতিৰ আশ্ৰয়ত থাকি প্ৰকৃতিৰ মোহতে জ ইয়াই থাকে। অধ্যয়ন পিপাসু মনটোৱেও তেওঁ এখন আনন্দ-শান্তি ৰাজ্যত ৰাখে। অহংকাৰীৰ অট্টহাস্যত তেওঁক হিয়া ভাগি নাপৰে। ললসাৰ দাসত্বত থকা ইতিকিংক অন্তৰেৰে হাঁহি দূৰলৈ পঠিয়ায়। লোভৰ প্ৰজাৰীৰ প্ৰহমন পূৰ্বৰ পৰা চলি আহিছে; সিঁহতৰ স্বভাৱক সলনি কৰিব নোৱাৰি। ভুল যোৱা সকলে ভুল কৰি স্বীকাৰ নকৰে। এয়া হ'ল আজিৰ ৰূপ-আচৰণ। মানুহৰ ভাও দেখি সৌন্দৰ্য্য প্ৰেমী প্ৰকৃতি প্ৰেমীয়ে কেতিয়াবা কেতিয়াবা আকাশলৈ উৰা মাৰে; জোন-তৰা সঙ্গত জিৰণি লয়। মানুহৰ ৰাজ্যত হিংসাৰেই যেন ৰাজত্ব তেওঁ অনুভৱ কৰে। আকৌ কেতিয়াবা অহংকাৰৰ পৰা পৰিত্ৰাণ পাবলৈ নিজৰাৰ সুৰতে সুৰ মিলাবলৈ মনে মনে দৌৰে প্ৰকৃতি প্ৰেমীয়ে। প্ৰকৃতিৰ সৌন্দৰ্য্যৰ কাৰণেই জীয়াই থকাৰ প্ৰেৰণা অনুভৱ কৰাৰ স্বীকাৰ কৰে।

মানুহক আজি নেলাগে কি? প্ৰয়োজন হ'লে অসুৰ ৰূপ ধৰি মানুহ মাৰিব। সেয়ে মানুহৰ শৰীৰ দেখি, মু খৰ কথা শুনি গ'লে ভুল কৰা হ'ব। প্ৰকৃতিৰ ৰূপত ভুল গ'লে বিপদ নাহে; কিন্তু মানুহ বৰ বিষাক্ত, বিষ ঢালি অনন্দ কৰে যেন নিশাচৰ। সেয়ে সৌন্দৰ্য্য প্ৰেমীয়ে প্ৰকৃতিতে আশ্ৰয় বিচাৰে। আমাৰ কবি ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰ নাথ দুৱৰাই তাকেই ইঙ্গিত কাব্য কবিতাৰ মাজত দি গৈছে।

প্ৰকৃতিৰ পূজাৰী আদৰণীয় আৰু পূজনীয়; ধ্বংসকাৰী সাক্ষাৎ হিৰণ্যাক্ষা - হিৰণ্যকশিপু। ইহঁত নিন্দনীয় প্ৰধান শত্ৰু-দেশ জনগণৰ। অহংকাৰক ভয়ে শলাগ নলৈ কি কৰিব। লোভ আৰু স্বাৰ্থ ককাই-ভাই; বুজা-বুজি সদায়েই থাকে; সঙ্গও হিচাপৰ বাহিৰত। ব্যতিক্ৰম মাথোন আদৰ্শ, নিঃসহায় অকলশৰীয়া; কিন্তু হ'লে নিৰ্ভীক; অহংকাৰ- লোভৰ দাসত্বত নাথাকে। সৌন্দৰ্য্য প্ৰেমেই আদৰ্শৰ লক্ষ্য অভিযান। সঙ্গী হয় প্ৰকৃতি প্ৰেমী আৰু আগবাঢ়ে পৱিত্ৰ পথত। নিন্দা-অপযশৰ ভেঙচালিত দৃষ্টি নপৰে। মাথোন কোলাহলৰ পৰা আঁতৰি যায় শান্তি আৰু অনন্দ বিচাৰি। কু-দৃষ্টিৰ আক্ৰমণ চলে; কিন্তু পৰাজয় কৰে। অহংকাৰৰ প্ৰতিযোগিতাত লোভৰ অংশ গ্ৰহণ যে এদিন ৰিক্ত আদৰ্শই ভালকৈ বুজে। স্বাৰ্থ পৰৰ ৰাজত্বই কামী লোভীক একত্ৰিত্ব কৰি গোটেই দেশকেই নস্থিৰ কৰি জনগণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰি অৰাজকতা উচ্ছঙখলতাৰ প্ৰাদুভৰি বঢ়াইছে। অহংকাৰত বলিয়ান সন্মান লোভীৰ আগ্ৰাসনত আদৰ্শ সততাৰ স্থান অদৃশ্য। ৰামায়ণৰ ৰাম আদৰ্শ প্ৰশংসাৰ ভিতৰুৱা; কিন্তু ৰাৱণৰ পূজা প্ৰয়োভৰত বিভীষণ পলায়ন। সেইদৰে দুৰ্যোধনক নিন্দা কৰিলেও দুৰ্যোধনেই গ্ৰহণীয় আজিৰ সমাজত; বিদুৰ হয় ভেঙুচালিৰ পাত্ৰ। সৌন্দৰ্য্যৰ গৰাকী 'শ্ৰীৰামচন্দ্ৰ'ই আন কোনো হ'ব নোৱাৰে। চৰ-লাঠি, অপমানে বিভীষণক একো অনিষ্ট কৰিব নোৱাৰে; ধ্বংস হয় নিজে মাথোন ৰাৱণ। পাণ্ডৱক হিংসা ক ৰি দুৰ্যোধন নিজেই ধ্বংস। শত্ৰু নিজেই নিজৰ; অহংকাৰ লোভেই পতনৰ কাৰণ— আজিৰ মানুহৰো সেই একে অৱস্থা। মদ্য কৰাই মদ্য কৰিয়েই জীৱন পাত কৰে আদৰ্শক শ্ৰদ্ধা কৰি। প্ৰকৃত মানুহৰ ই হয় এক লক্ষ্য।

বিবেক ক মানি চলা জনে আদৰ্শতে সৌন্দৰ্য্য দেখিবলৈ পায়। বিনয়ী সৰলতা তেওঁলোকৰ সঙ্গী। পৰহিত অহিংসা লগৰ লগৰী। অশান্তিতেই শান্তি আৰু নিত্যানন্দতেই অনন্দ বিচাৰি পায়। তেওঁক নিজৰাৰ কুলু কুলু সুৰে শান্তি দিয়ে আৰু সঙ্গ দিবলৈ মাতে। সেয়ে তেওঁৰ অনন্দৰ ঠাই হয় জনশূন্য অৰণ্য। আদৰ্শ সততা তেওঁৰ প্ৰাণৰো প্ৰাণৰ।

***

# মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষ ড° মহানন্দ বড়াৰ স'তে আছুতীয়া সাক্ষাৎকাৰ

## ঘিলামৰা দীঘলীগাঁৱৰ পৰা মন্ত্ৰ নগৰী মায়ঙলৈ সফলতাৰ এক সোণালী যাত্ৰা

সাক্ষাৎ গ্ৰহণ ঃ নজৰুল ইছলাম আৰু ড° উৎপল নাথ



১। প্ৰথম দিনৰ অনুভৱ কেনে আছিল ?

উত্তৰ ঃ এক বুজাব নোৱাৰা অনুভৱ হৈছিল সেইদিনা। যেন মোৰ আপোন ঘৰখনলৈ আহিছো, ঠিক তেনেকুৱা এটা অনুভৱ মোৰ মনলৈ অহিছিল। মায়ঙৰ পৰিৱেশ, মহাবিদ্যালয়ৰ পৰিৱেশ দেখি সচাঁই অভিভূত হৈছিলোঁ। যিহেতু ময়ো গাঁৱৰে ল'ৰা গাৱঁতে ডাঙৰ হোৱা মানুহ, সেয়ে ইয়াত আহি ভাল লাগি গ'ল। মায়ঙৰ মানুহ খিনিকো ভাল লাগিল। তাৰোপৰি মহাবিদ্যালয়খনৰ প্ৰতি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ যে এটা মৰম, আগ্ৰহ আৰু আন্তৰিকতা আছে, সেয়া মই প্ৰথম দিনটোতে অনুভৱ কৰিব পৰিছিলো। মায়ং বুলি ক'লে সকলোৰে পৰাই এটা কৌতুহল আছিল। মায়ঙৰ যাদুৰে এক প্ৰকাৰ প্ৰথম দিনাৰ মুহি পেলাইছিল।

২। আপোনাৰ প্ৰথম অনুভৱ খিনি জানি আমাৰো ভাল লাগিল। পিছে আপুনি কি ধৰণৰ সপোন বুকুত বান্ধি লৈ আহিছে?

উত্তৰ ঃ সপোন বুলিবলৈ বহুতেই আছে। তাৰে ভিতৰত মোৰ প্ৰথম সপোনটো হ'ল মহাবিদ্যালয়খনক ৰাজ্যৰ ভিতৰতে এখন জাকত জিলিকা মহাবিদ্যালয় হিচাপে কিদৰে গঢ় দিব পাৰো আৰু NAAC Inspection ত এ গ্ৰেড পাব পাৰো। A গ্ৰেড পাবলৈ বহুখিনি কামেই বাকী আছে। কামখিনি সম্পূৰ্ণ কৰাৰ দুৰ্বাৰ ইচ্ছা এটা মনত আছে কাৰণ মই যিখন মহাবিদ্যালয়ৰ পৰা আহিছো, তাতে মই ভূ-তত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক আছিলো।

লগতে মহাবিদ্যালয়খনৰ বহুকেইটা বিভাগৰ মুৰব্বী সমন্বয়কৰ দায়িত্ব পালন কৰিছিলোঁ। শৈক্ষিক আৰু প্ৰশাসনিক দিশ দুয়োটা সুচাৰুৰূপে চলোৱাৰ কিছু অভিজ্ঞতা যিহেতু মোৰ হৈছে, সেই অনুপাতে মায়ং মহাবিদ্যালয়খন এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিম বুলি দৃঢ় বিশ্বাস আছে।

৩। Sir, নতুন ঠাই নতুন মানুহ। আপুনি যিখিনি সময়ত মহাবিদ্যালয়খনত যোগদান কৰিছে সেই সময়ত আমি জানিব পৰা মতে বিশ্ববিদ্যালয়ৰ অনুদান বা অন্য কোনো পুঁজি আবণ্টন হোৱা নাছিল। এই ক্ষেত্ৰত আপুনি কি ধৰণৰ প্ৰত্যাহ্বান বা সমস্যাৰ সন্মুখীন হৈছিল ?

উত্তৰ ঃ আপোনালোকে এটা ভাল প্ৰশ্ন সুধিছে। সমস্যা বুলি কবলৈ গ'লে প্ৰথমতে বৃত্তীয় সমস্যাৰ কথাকে ক'ব লাগিব। মহাবিদ্যালয়ৰ আটাইকেইটা বেংক একাউণ্ট মিলি মাত্ৰ ১২০০০(বাৰ হাজাৰ) টকা জমা আছিল। ৫ মাহ ধৰি অপ্ৰাদেশীকৃত শিক্ষকৰ দৰমহা বন্ধ হৈ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। দৰমহা কিদৰে আদায় দিব পাৰিম আৰু অন্যান্য কাম কাজসমূহ কিদৰে আগবঢ়াই নিম তাকে লৈ চিন্তাত নপৰা নহয়। অৱশ্যে পৰৱৰ্তী সময়ত যেনিবা অৰ্থাৎ ৬ মাহ মান পিছত অলপ সকাহ পালো। ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া নামভৰ্ত্তিৰ বাচুল চৰকাৰে কিছু মুকলি কৰি দিয়াত জোৰাতাপলি মাৰিমলৈ সক্ষম হৈছিলো। তাৰোপৰি আৰ্থিক সমস্যাৰ লগতে অন্যান্য কিছু সমস্যাবো সন্মুখীন হ'ব লগা হৈছিলো। বৰ্ত্তমান ভাল দিনৰ পিনে গতি কৰিছে।

৪। আপুনি যোগদান কৰা এবছৰ হ'ল। এট এটা বছৰত কি কি নতুনত্ব আনিব পাৰিলে বুলি ভাবে?

উত্তৰ ঃ নতুনত্ব বুলি ক'বলৈ গ'লে কেইবাটাও আছে। তাৰে ভিতৰত প্ৰথমটো হ'ল শিক্ষকৰ Common Room। আগতে একেটা কোঠাতে সকলো বিভাগৰ শিক্ষক একেলগে বহিছিল। মই আহিয়েই প্ৰথমে ৭ টা বিভাগৰ শিক্ষকক পৃথক পৃথককৈ বহাৰ ব্যৱস্থা কৰি দিব পাৰিলোঁ, Digital শ্ৰেণী কোঠা এটাৰো ব্যৱস্থা কৰা হ'ল। শৰীৰ চৰ্চা (Gym) ৰ সামগ্ৰীবোৰ এটা অব্যৱহৃত কোঠাত এনেয়ে পৰি আছিল। সেইবোৰ এটা সুকীয়া কোঠাত নি ব্যৱহাৰৰ উপযোগী কৰি তোলা হ'ল। তদুপৰি বিল্ডিংটোৰ ওপৰ মহলত কেইবাটাও কোঠাত ব'ডৰ নোহোৱাকৈ আছিল। সেই কোঠাবোৰত বৰ্ত্তমান পাঠদান চলি আছে। উল্লেখযোগ্য নতুন কাম এটা হ'ল Skill Development Centre। আমাৰ মহাবিদ্যালয়ৰে অৰ্থনীতি বিভাগৰ প্ৰবক্তা ড উৎপল নাথৰ প্ৰচেষ্টাত আৰু আই আই ইৰ নেতৃত্বত মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰত চলি থকা জাকাৰ্ড হেণ্ডলুমৰ প্ৰশিক্ষণ কেন্দ্ৰটো মায়ং মহাবিদ্যালয়লৈ স্থানান্তৰ কৰি লৈ আহিবলৈ সক্ষম হলো। যিটো হয়তো অসমৰ আন আন মহাবিদ্যালয়ত নাই বুলি ধাৰণা হয়। এই প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে মায়ঙৰ এশগৰাকী শিপিনী ইতিমধ্যে উপকৃত হৈছে। কম্পিউটাৰ দিছিল যদিও পৰীক্ষাৰ বহিচোৱা কেন্দ্ৰ এটা চলাই ৰাহি হোৱা টকাৰে কম্পিউটাৰ ক্ৰয় কৰিবলৈ সক্ষম হ'লো। যোগ প্ৰশিক্ষণ কেন্দ্ৰ এটা আহিল। মহাবিদ্যালয়ত কেইবাটাও CCTV কেমেৰা লগোৱা হ'ল, ইণ্টাৰনেট সেৱা ২৪ ঘণ্টাই পোৱাৰ ব্যৱস্থা কৰা হ'ল। ৱাই-ফাই সংযোগ, ডিজিটেল পুথিভঁৰাল হ'ল। ইয়াৰোপৰিও সৰ্বভাৰতীয় পৰ্যায়ত National Institutional Ranking Framework (NIRF) ত যোগদান কৰিব পাৰিলো। "উন্নত ভাৰত অভিযান (Unnat Bharat Abhiyan 2.0) ত ভাগ ল'ব পাৰিছো। এই অভিযানৰ জৰিয়তে মায়ঙৰ ৫ খন গাঁৱক সামৰি লোৱা হৈছে। আৰু ভালেখিনি নতুন কাম কৰিবলৈ সক্ষম হৈছো। মোৰ কাৰ্যকালৰ প্ৰথমটো বছৰত ইতিমধ্যে কাম সন্দৰ্ভত ইংৰাজী ভাষাত এখন News Letter নামেৰে পুস্তিকাত প্ৰকাশ কৰি উলিয়াইছো।

৫। মহাবিদ্যালয়খনত কি কি অভাৱ থকা বুলি আপুনি ভাবে?

উত্তৰ ঃ অভাৱ কেতিয়াও শেষ নহয়। মানুহৰ অভাৱ কেতিয়াও দূৰ নহয়। তদ্ৰূপ আমাৰ মহাবিদ্যালয়খনৰো অভাৱ নথকা নহয়। আন্তঃগাঠনিৰ অভাৱ আৰু টকা পইচাৰ অভাৱ সেইবোৰ লাহে লাহে নোহোৱা হৈ আহিছে। কিন্তু কিছুমান অভাৱে বিদ্যায়তনিক দিশত প্ৰভাৱ পেলায়। সেইবোৰ নহলে ভাল। যেনে শিক্ষক চাত্ৰ আৰু অভিভাৱকৰ সু-সমন্বয়কৰ অভাৱ। সেইদিশটো আৰু অধিক মজবুত কৰিব লাগিব।

৬। আপুনি যোৱা এটা বছৰত শিক্ষক কৰ্মচাৰী আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ ফালৰ পৰা কেনেধৰণৰ সহযোগিতা লাভ কৰিছে?

উত্তৰ ঃ সম্পূৰ্ণ ইতিবাচক সহাৰি লাভ কৰিছো।

৭। এগৰাকী সফল অধ্যক্ষ বুলি আপুনি নিজকে নাভাবেনে?

উত্তৰ ঃ হয় ভাবো। এয়া সম্ভৱপৰ হৈছে সতীৰ্থ কেইগৰাকীমান শিক্ষক শিক্ষয়িত্ৰীৰ বাবে। তাৰে ভিতৰত মই বিশেষকৈ নাম ল'ব লাগিব অৰ্থনীতি বিভাগৰ সহঃ অধ্যাপক ড° উৎপল নাথৰ, প্ৰতিটো কামতে মই তেখেতৰ পৰা যথেষ্ট সহযোগ আৰু সহাৰী লাভ কৰিছো। তাৰোপৰিও মই এইকাৰণেই সফল হোৱা বুলি কব খোজো যে অৰ্থনৈতিক সংকট থকা স্বত্বেও যথেষ্টখিনি গুৰুত্বপূৰ্ণ কাম কৰিবলৈ সক্ষম হোৱা বুলি ক'ব পাৰি। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, দুসপ্তাহ জোৰা দক্ষতা বিকাশৰ প্ৰশিক্ষণ সুচাৰুৰূপে সম্পন্ন কৰিব পাৰিছো।

৮। আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা আৰু কি কি আছে?

উত্তৰ ঃ যদি সকলোবোৰ ঠিকে থাকে, এই গতিৰে কাম কৰি যাব পাৰো, 'নাকৰ' পৰিদৰ্শনত আমাৰ মহাবিদ্যালয়খনক 'এ গ্ৰেড' পোৱাবলৈ চেষ্টা কৰিম। এখন মহাবিদ্যালয়ে ' এগ্ৰেড' পাবলৈ যিকেইটা দিশৰ প্ৰয়োজন সেই আটাইখিনি কাম নিষ্ঠা সহকাৰে কৰিবলৈ চেষ্টা অব্যাহত আছে। তাৰোপৰি মহাবিদ্যালয় চৌহদত এখন বনৌষধি উদ্যান নিৰ্মাণ, এটা সংগ্ৰহালয়, মীন পালনৰ বাবে বাবে এটা বিজ্ঞানসন্মত পুখুৰী আৰু উন্নত মানৰ খেল পথাৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা আছে। প্ৰতিটো বিভাগতে ডিজিটেল শ্ৰেণীকোঠা কৰাৰ কথাও ভাবিছো। আৰু বহুখিনি সপোন আছে।

৯। নতুন পাঠ্যক্ৰম অন্তভূৰ্ক্তিৰ কথা ভাবিছে নেকি?

উত্তৰ ঃ নভবা নহয়। ইতিমধ্যে আৰম্ভ কৰিছোৱেই প্ৰথম বাৰৰ বাবে মহাবিদ্যালখনত IDOL ৰ কেন্দ্ৰ এটা পালোঁ। ৫ টা বিষয়ত স্নাতকোত্তৰ পৰীক্ষা ইয়াতে দিব পাৰিব। দক্ষতা বিকাশৰ কেন্দ্ৰ খোলা হৈছে। আৰু খুলিবলৈ প্ৰস্তুতি চাই আছো কেবাটাও বিভাগৰ।

১০। মহাবিদ্যালয়খনত কলা শাখাটোৰ বাহিৰে বিজ্ঞান আৰু বানিজ্য বিভাগ দুটা নাই। ভৱিষ্যতৰ দিনত কিবা চিন্তা কৰিছে নেকি?

উত্তৰঃ বিজ্ঞান আৰু বাণিজ্য শাখা খুলিবলৈ কিছু বাধা বিঘিনি নথকা নহয় বিভাগীয় ভাৱে। যদিহে সেইখিনি দূৰ কৰিব পাৰো স্থানীয় ৰাইজৰ সহযোগত উক্ত দুয়োটা শাখাবোৰ কাৰ্যকালতে খোলাৰ কথা ভাবিছো।

১১। আপুনি ডিমৰীয়া মহাবিদ্যালয়ত অধ্যাপক হিচাবে বহু বছৰ কাম কৰিলে। বৰ্তমান অধ্যক্ষ হিচাবে মায়ং আঞ্চলিক মহাবিদ্যালয়ত। দুয়োখন মহাবিদ্যালয়ৰ মাজত পাৰ্থক্য ?

উত্তৰ ঃ পাৰ্থক্য যথেষ্ট আছে। যিহেতু ডিমৰীয়া এখন পূৰ্ণাংগ মহাবিদ্যালয়। মায়ং খনে পূৰ্ণতা পাবলৈ বহুখিনি বাকী আছে।

১২। এতিয়া আহো আপোনাৰ কিছু ব্যক্তিগত জীৱনলৈ। শৈশৱ কালৰ কিবা ভাল লগা বা বেয়া লগা স্মৃতি? স্কুলীয়া শিক্ষা?

উত্তৰ ঃ শৈশৱ কালৰ বহু কথাই মনত আছে। শৈশৱ কাল পাৰ কৰিছিলো মোৰ জন্মভূমি লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা বিধান সভা সমষ্টিৰ অন্তৰ্গত ঘিলামৰা দীঘলীগাঁৱত। ১৯৬৬ চনৰ ৫ ফ্ৰেব্ৰুৱাৰীত মোৰ জন্ম। প্ৰাথমিক শিক্ষা গাঁৱৰ পঢ়াশালীতে ললো। তাৰ পিছত দশম শ্ৰেণীলৈকে ওচৰৰ শিক্ষানুষ্ঠানত। দশম শ্ৰেণীত নামভৰ্ত্তি হোৱাৰ সময়তে আৰম্ভ হ'ল অসম আন্দোলন। আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিলে। তেনেতে দেউতাই ডিব্ৰুগড় জিলাৰ ডিব্ৰুগড় চৰকাৰী হাইস্কুলত নি দশম শ্ৰেণীত নাম লগাই দিয়ে। তাৰ পৰাই মেট্ৰিক পাছ কৰো। ল'ৰালি কালত এজন গাঁৱৰ ল'ৰাই যিখিনি কাম কৰিছিল, সেইখিনিময়ো কৰিছিলো। বোকাপানী গছকি ডাঙৰ হোৱা ল'ৰা আমি। সময়ত পথাৰতো হাল বাইছিলো। বিহুত ঘৰে ঘৰে গৈ হুচৰিও গাইছিলো। মই হালবোৱাকে ধৰি ঘৰৰ চোতাল সৰা, পাকঘৰত ভাত ৰন্ধা এইবোৰো কামো কৰিছিলো। যিহেতু আমাৰ ঘৰত ছোৱালী নাছিল। ৫ জন ভাই-ককাই। সেয়ে মাক বহু সময়ত কামত সহায় কৰিব পাৰিছিলো। দুটামান কথাই আজিও বাৰুকৈয়ে মনত পৰি থাকে। দেউতা আমাৰ যদিও শিক্ষক আছিল, আমাক কিন্তু খেতি পথাৰৰ কামত সঘনাই জড়িত কৰাইছিল। এবাৰ মোৰ মনত আছে আহধানৰ খেতিত হাল বোৱা ঘটনা। আমি পুৱাই শুই উঠি পথাৰত হাল বাই মাটি চহাই ঘৰ আহি পাওঁ, তাৰ পিছতহে গাঁৱৰ বাকী খেতিয়কে হাল লৈ পথাৰ লৈ যায়হে। আমি হাল বাই আহি

স্থলত যোৱাৰ বাবে সাজু হওঁ।

১৩। শৈশৱ পাৰ কৰিলে গাঁৱৰ বোকা পানীৰ মাজত কিন্তু যৌৱনৰ স্মৃতি?

উত্তৰ ঃ যৌৱনৰ সময়ছোৱা ডিব্ৰুগড় চহৰতে পাৰ কৰিলো। ডিব্ৰু কলেজত বিজ্ঞান শাখাত নাম লগাই লওঁ। তাৰ পৰা উচ্চতৰ মাধ্যমিক পাছ কৰাৰ পাছত যোৰহাটৰ জে.বি. কলেজত বিজ্ঞানৰ স্নাতক ডিগ্ৰী লও। ভূ-তত্ব বিভাগ গুৰু বিভাগ হিচাপে বাছি লও। গাঁৱৰ পৰা যেতিয়া চহৰলৈ আটকধুনীয়া শ্ৰেণীকোঠাত শিক্ষা গ্ৰহণ কৰাৰ সুযোগ পালো তেতিয়া মনত এনে অনুভৱ হৈছিল যেন স্বৰ্গহে পালো। কাৰণ নৈখন পাৰ হোৱাৰ পিছতেই ইমান সুন্দৰ পৰিৱেশ। স্নাতকোত্তৰ ডিগ্ৰী কটন কলেজ আৰু ডক্তৰেট ডিগ্ৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত সমাপ্ত কৰো।

১৪। আপোনাৰ প্ৰেম ?

উত্তৰ ঃ কলেজত পঢ়ি থকা দিনত উল্লেখযোজ্য প্ৰেম নাছিল। কিন্তু ডিমৰীয়া মহাবিদ্যালয়ত ১৯৯৫ চনত যেতিয়া যোগদান কৰিছিলো, তেতিয়াই মই কাৰোবাক ভাল পাবলৈ শিকিলো। যাক প্ৰথম দেখাৰ পিছতেই মোৰ ভাল লাগিছিল। সেইগৰাকীয়েই হ'ল ডিমৰীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা ড০ মিনাক্ষী বায়ন। ১৯৯৮ চনত দুয়ো যুগ্ম জীৱন আনুষ্ঠানিকভাৱে আৰম্ভ কৰো। এতিয়ালৈ আছো দুয়ো আগবদৰেই। আমাৰ জীৱনলৈ আহিল এটি পুত্ৰ সন্তান। যি এতিয়া ডেকা।

১৫। আপোনাৰ দ্বাৰা প্ৰকাশিত কিবা গ্ৰন্থ আছেনে?

উত্তৰ ঃ যৌথভাৱে প্ৰকাশিত তিনিখন গ্ৰন্থ আছে। ডিমৰীয়া মহাবিদ্যালয়ত আলোচনী সম্পাদক দুবাৰ আছিলো। কাকত আলোচনীত দুই এক লেখা মেলা প্ৰকাশ নোহোৱা নহয়। গৱেষণা পত্ৰ ২৬ খন। ৪ খন গৱেষণা পত্ৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যয়ৰ।

১৬। কেতিয়াবা বিদেশ ভ্ৰমণ কৰিছেনে?

উত্তৰ ঃ জীৱনত বিদেশ ভ্ৰমণ এবাৰেই হৈছে। তাকো আমেৰিকা। শৈশৱতে আমেৰিকাৰ কথা পঢ়িছিলো, শুনিছিলো। পৰৱৰ্তী সময়ত গৱেষণা পত্ৰ পাঠ কৰাৰ আমন্ত্ৰণ লাভ কৰি আমেৰিকা ভ্ৰমণৰ সুযোগ পালো। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বস্তনৰ মেৰাচুচেত আছিল সেই কাৰ্যসূচী। সেই আপাহতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৮ খন ৰাজ্য ভ্ৰমিছিলো। আমেৰিকাৰ পৰিস্কাৰ পৰিচ্ছন্নতাই মোক বাৰুকৈয়ে মোক মুহিছিল।

১৭। শেষত আপুনি মায়ংবাসীক কি আহ্বান জনাব?

উত্তৰ ঃ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ স'তে এই অঞ্চলৰ বহু শিক্ষা সচেতন লোকৰ ত্যাগ জড়িত হৈ আছে। সেই সকলক এই চেগতে কৃতজ্ঞতা জনাইছো। ভবিষ্যতৰ দিনত সকলোৰে পৰা পূৰ্ণ সহায় সহযোগিতা আশা কৰিছো। যাতে এখন আগশাৰী মহাবিদ্যালয় হিচাবে গঢ় দিব পাৰো।

-o-o-o-